অক্টোবৰ 2008 ■ Rs.15/-

চান্দমামা

BRITANNIA
Eat Healthy, Think Better
Treat
স্কেৰি টিথ
+
নেইল্‌চ
গোটেই 5 টা
গে'ম গোটোৱা।
FREE
BANO FUNTOON!!
GAMES INSIDE
মেজিক ইঙ্ক
মেজিক বুক
ষ্টিকি লিকি
স্লাইম
Treat
Masti Orange

HERCULES
MTB TURBODRIVE
RIDE YOUR PASSION

ATOM

GEARED FOR ACTION STYLED FOR FUN



Introducing Hercules Atom, the rugged new MTB with **an integrated carrier, front & rear shox, an 18 speed Shimano gear system and a low step-thru frame**. Don't settle for anything less.

Solve the puzzle below, complete the slogan and win amazing prizes!

1st prize : Hercules Atom bicycle for 3 winners
2nd prize : Football for 50 winners
3rd prize : Water sipper for 100 winners

Fill in the details below and send your entries to:
The Brand Manager, TI Cycles of India, Post Bag No. 5, Ambattur, Chennai – 600 053.

Gear up! Set those wheels in motion, and count the number of gears in the visual: ______
I love my Hercules MTB because ______

Name: ______ Age: ____ Date of Birth: ______
Address: ______
Tel: ______ Class & Section: ______
School & Branch: ______

To participate online, log on to **www.ticyclesindia.com**

Terms & conditions apply.

চান্দমামা বৰ্ষ ৩২ অক্টোবৰ ২০০৮ সংখ্যা-১০

বিশেষ আকৰ্ষণ

বিচিত্ৰ প্ৰেম (বেতাল কাহিনী)...১৯

মধ্যপ্ৰদেশৰ এটা লোককাহিনী ...৩৫

চিৰস্মৰণীয় ঐতিহাসিক পৰিঘটনা--১৩ ...৪২

ৰামায়ণ (সুন্দৰ কাণ্ড-৫) ... ৫৭

এই সংখ্যাত আছে

★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
★ লাইট! কেমেৰা! একছন! চিচিডিঅ ...১০
★ পাতাল দুৰ্গ-১ ...১৩
★ সংবাদ বিচিত্ৰা ...২৫
★ ইন্দ্ৰজিত ...২৬
★ বিচিত্ৰ ভাৰত ...৩০
★ মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-১৬ ...৩১
★ মহান লোকৰ জীৱনৰ শিক্ষণীয় দিশ-৩৪ ...৩৯
★ ভাৰতীয় অলিম্পিকত... ...৪৬
★ বীৰবলৰ কাহিনী-১৪ ...৪৮
★ জাতক কথা ...৫৩
★ নগৰৰ উদাৰতা ...৬৩
★ তোমালোৰ প্ৰিয় নায়ক আৰ্য আকৌ আহিব ...৬৭
★ ভাল চোৰ ...৬৮
★ চান্দমামা কুইজ-৯ ...৭১
★ বাতৰিৰ শিৰোনামাত শিশু ...৭২
★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান ...৭৩
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৭৪

অমৰ বাণী

সকলো লোকৰদ্বাৰা প্ৰশংসা লাভৰ যোগ্য চৰিত্ৰৱান জনৰ বাবে অগ্নি পানীৰ দৰে। মেৰু পৰ্বত শিলাখণ্ডৰ দৰে, সিংহ তেওঁৰ বাবে হৰিণৰ দৰে, সৰ্প পুষ্পমাল্যৰ দৰে আৰু বিষ অমৃততুল্য।

বুদ্ধিমান জনৰ যদি পতন হয়, তেন্তে তেওঁ বলৰ দৰে আকৌ ওপৰলৈ জাঁপ মাৰে, কিন্তু মূৰ্খৰ যদি পতন হয় তেন্তে তেওঁ মাটিৰ চপৰাৰ দৰে সেই ঠাইতে পৰি ৰয়।

খেল ধেমালিত ভাৰতৰ স্থান ক'ত?

যোল্লদিন জোৰা বেইজিঙ অলিম্পিকৰ সামৰণিৰ পিছত এই সম্পাদকীয় লিখা হয়। এই ক্রীড়া মহাসমাৰোহত আমেৰিকা যুক্তৰাষ্ট্র, জাৰ্মেনী, ৰাছিয়া আৰু গ্ৰেট বৃটেইনৰ দৰে, বেছিভাগ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াত দপদপাই থকা ৰাষ্ট্ৰকো চীনে নিস্প্ৰভ কৰি পেলায়। মুঠ ৩০২টা সোণৰ পদকৰ ভিতৰত ৫১টা সোণৰ পদকেৰে চীনদেশ ৮৭খন পদক বিজয়ী দেশৰ শ্ৰেষ্ঠ বুলি বিবেচিত হয়। সৰ্বমুঠ ২০৫খন দেশে বেইজিং অলিম্পিকত অংশ গ্ৰহণ কৰিছিল।

ভাৰতে ৫৫ জন ক্ৰীড়াবিদৰ এটা দল পঠাইছিল। প্ৰথম বাৰৰ বাবে আমাৰ দেশে একেখন অলিম্পিকত ব্যক্তিগত ভাৱে শ্যুটিঙ, ৰেষ্টলিং আৰু বক্সিঙত এটা সোণৰ পদক আৰু দুটা ব্ৰঞ্জৰ পদক লাভ কৰিলে। ইয়াৰ আগতে আমাৰ দেশে লাভ কৰা ৰূপৰ আৰু ব্ৰঞ্জৰ পদক আৰু ১৯২৮ ৰপৰা ১৯৭২ চনৰ ভিতৰত আমাৰ হকী দলে লাভ কৰা আঠখন অলিম্পিকৰ সোণৰ পদক আৰু আন তিনিখনৰ এটা ৰূপৰ আৰু দুটা ব্ৰঞ্জৰ পদকৰ কথা পাহৰিলে নহ'ব।

ভাৰতে লাভ কৰা তিনিটা পদকে বেইজিঙৰ পদক বিজয়ী তালিকাত আমাৰ দেশক ৫০ তম স্থানত অধিষ্ঠিত কৰিলে। এই কথাত আমি আনন্দ কৰিব লাগে যদিও আমি এক মুহূৰ্ত্তৰ বাবে ভবা উচিত: বিশ্বক্ৰীড়াত ভাৰত কিমান আগবাঢ়িছে। আমি এসময়ৰ হকী আৰু ক্ৰিকেটৰ চেম্পিয়ন আছিলো। ডবা, বেডমিন্টন আৰু বিলিয়াৰ্ডত আমাৰ দেশত বিশ্ব চেম্পিয়ন আছে। যদিও আমি জনসংখ্যাত কেৱল চীনতকৈহে পিছ পৰি আছো, জামাইকা, কেনিয়াৰ দৰে সৰু ৰাষ্ট্ৰতকৈও আমি ক্ৰীড়াত বহু পিছ পৰি আছো। সেই দেশবোৰে বিশ্ব অভিলেখ লৈ ঘৰমুৰা হৈছে। আমাৰ দেশৰ পদক বিজয়ী সকলৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰপৰা ধনৰ টোপোলা দিব খোজা হৈছে। ইয়াৰে বহুত আহিছে তেওঁলোকৰ জন্মস্থান, অধ্যয়ন স্থান বা নিজে বাচি লোৱা ক্ৰীড়াৰ প্ৰশিক্ষণ ক্ষেত্ৰৰ বহু দূৰৰপৰা। কিন্তু এই ধনৰ পৰিমানৰ এক অংশও যদি তেওঁলোকে নিজৰ প্ৰশিক্ষণৰ সময়ত পালেহেঁতেন, সেই পৰিমাণ তেওঁলোকে নিজ দেশৰ প্ৰশিক্ষক নিয়োগ কৰা, বিদেশত প্ৰশিক্ষণ লোৱা আৰু বিদেশৰ খেলুৱৈসকলৰ লগত নিজৰ প্ৰতিভাৰে ফেৰ মাৰিব পৰা সুযোগ গ্ৰহণ কৰিব পাৰিলেহেঁতেন। বিত্তীয় সমস্যা আৰু আধুনিক সা-সঁজুলিৰ অভাৱ আমাৰ বহুতো গ্ৰামাঞ্চলৰপৰা অহা খেলুৱৈৰ বাবে হেঙাৰ হৈ থিয় দিলে। অভিনৱ বিন্দ্ৰাৰ দৰে খেলুৱৈ ব্যতিক্ৰমী উদাহৰণ।

সেয়ে চৰকাৰ, ক্ৰীড়া সংগঠন আৰু উদ্যোগ জগত জাগি উঠা উচিত আৰু ক্ৰীড়াক ইয়াৰ প্ৰাপ্য খৰৰ দিয়া উচিত। পলম নকৰি এতিয়াই আমি লক্ষ্য স্থিৰ কৰা উচিত্।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.com



Founded by
B. Nagi Reddi and Chakrapani

Editor, Publisher : B. Viswanatha Reddi (Viswam)
Chief Executive Officer : L. Subramanyan
Editorial Advisors : Ruskin Bond, Manoj Das
Consultant Editor : K. Ramakrishnan
Associate Editor : Sowmya Rajendran
Senior Artists: K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh
Artist : Jayapandian
Assistant Editor : R. Sudha
Creative Writer : R. Vaasugi
Layout Designer : B.A. Hemalata Malini

CIRCULATION TEAM :
Chennai : T N Ravi Shankar, *National Sales Manager*
Mobile +91 99620 70014
email : ravishankar.tn@chandamama.com
Fazal Khan, *Manager-Circulation & Institutional Sales - South*
Mobile +91 99625 67860
email : fazal.khan@chandamama.com
Mumbai :* Rajendra K Jadhav, *Asst. Manager - Circulation
Mobile +91 9271720669
CHANDAMAMA INDIA LTD., B-3, Lunic Industry
Opp. State Bank of India, Near Police Station Cross Road
No.6, MIDC Andheri (East), Mumbai-400093
Phone +91 22 28312872 / 28311849
email : rajendra.jadhav@chandamama.com
New Delhi :* Sushil Sharma, *Circulation Manager-North
Mobile +91 98719 30767
CHANDAMAMA INDIA LTD., Goyal Business Centre,
C-23/2 First floor, Connaught Place, New Delhi-110001
Bangalore :* P. Murali, *Asst. Circulation Manager -Karnataka
Mobile +91 94488 36952
CHANDAMAMA INDIA LTD., 18, 10th Cross, Mayura Street
Papanna Lay Out, Outer Ring Road, RMV 2nd Stage
Bangalore-560094, Phone +91 80 6655 1000
email:murali.p@chandamama.com
Kolkata :* Ananth Prakash, *Circulation Manager-East
Mobile +91 98362 82202
email : ananth.prakash@chandamama.com
Ahmedabad :* Kalpesh Raval, *Sales Officer-Circulation
Mobile +91 98245 19946
email : kalpesh.raval@chandamama.com
***Head - Business Dev. & Online :* Surajit Agarwal**
email : surajit@chandamama.com
Advertisement : email : sales@chandamama.com
Subscription Queries: L Govindasamy
e-mail : govindaswamy.l@chandamama.com
Customer Cell : A B Sairam Mobile: +91 9841983774
e-mail : sairam.ab@chandamama.com

***Head Office :* CHANDAMAMA INDIA LTD.,**
JVL Plaza, Block-A, 6th Floor, 626, Anna Salai,
Teynampet CHENNAI-600018
Phone +91 44 2432 2101/02, Fax +91 44 2432 2103
email : chandamama@chandamama.com
Website : www.chandamama.com

ANNUAL SUBSCRIPTION :
India : Rs 180 (by bookpost)
Foreign : US$30 (by air mail)

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

মই যোৱা তিনি বছৰ ধৰি *চান্দমামাৰ* পাঠক। কেতিয়াবা পুৰণি *চান্দমামাৰ* পাত লুটিয়ালে মনটো প্ৰফুল্লিত হৈ উঠে। যোৱা কেই বছৰ-মানৰপৰা আলোচনীখনৰ ৰূপত কিছু পৰিৱৰ্ত্তন আহিছে ঠিকেই, কিন্তু আনন্দৰ কথা ই নিজৰ সমৃদ্ধ পৰম্পৰা এৰা নাই। তাতে *চান্দমামাৰ* পঠন সামগ্ৰী সদায়ে আনন্দদায়ক হয়। চিত্ৰবোৰ পঠন সামগ্ৰীৰ পূৰক আৰু সেইবোৰ অতি ৰমনীয়। আকাশৰ চন্দ্ৰৰ দৰে *চান্দমামা* শীতল হওক, মধুৰ হওক আৰু শ্বাশ্বত হওক।

-দিনেশ ভাটী, ৰাজস্থান

মই *চান্দমামাৰ* এজন ভাল পাঠক। ইয়াৰ জ্ঞানবৰ্দ্ধক কাহিনীসমূহ, দেশপ্ৰেমৰ কথা থকা ৰচনা, সুন্দৰ ৰঙীন ছবিবোৰ সঁচাই অতুলনীয়। চিন্তাশীল সম্পাদকীয় ল'ৰা, ডেকা, বুঢ়া সকলোৱে পঢ়ি ভাল পায়। দৰাচলতে *চান্দমামাই* ভাৰতীয় "হিন্দু সংস্কৃতি"ৰ প্ৰচাৰ আৰু প্ৰসাৰত যি অৱদান যোগাইছে সেয়া এইখন সভ্য দেশ আৰু পাশ্চাত্যৰ আধুনিক পৃথিৱীয়ে সদায়ে মনত ৰাখিব।

- প্ৰেমনাৰায়ণ শ্বোৰী, ভূপাল

ঘাইকৈ দক্ষিণ ভাৰতৰপৰা প্ৰকাশিত এইখন আলোচনী নিজেই এক আদৰ্শ। ই নিজৰ সংস্কাৰ, আদৰ্শ, পৰম্পৰা আজিও ধৰি ৰাখিছে। মই ছবছৰ বয়সৰপৰা *চান্দমামা* পঢ়ি আহিছো। *চান্দমামাৰ* কাহিনী, পুৰাণ কথা আৰু চিত্ৰবোৰে মোৰ শৈশৱৰ কথা মনত পেলাই দিয়ে। মই য'তেই চাকৰি নকৰো কিয়, প্ৰতিমাহতে মই *চান্দমামা* পঢ়িবলৈ পাবই লাগিব কিয়নো ইয়াৰ সৈতে জড়িত হৈ আছে মোৰ শৈশৱৰ স্মৃতি।

- ৰাহুল পাডৱী, তলোদা (নন্দুৰবাৰ)

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

এটা তথ্য... এটা মিনতি...

প্ৰিয় পাঠকগণ

১৯৪৭ চনৰেপৰা চান্দমামা আমাৰ বাল্যকালৰ সঙ্গী হৈ আহিছে। আপোনালোকৰ লগতে, ইয়াৰ আগৰ দুটা প্ৰজন্ময়ো যোৱা ৬১ বছৰ ধৰি আমাক পথ প্ৰদৰ্শন কৰি আহিছে। আমাৰ পাঠকসকলেই যোৱা ৬১ বছৰত আমাৰ প্ৰধান আধাৰ হৈ আহিছে আৰু আলোচনীখনক সৰু বৰ সকলো নিষ্ঠাৱান পাঠকে হৃদয়েৰে আকোৱালি লৈছে আৰু পৰিপুষ্টি দিছে। এইসকলে সদায়ে আমাক নিজৰ পূৰ্ণ সমৰ্থন দি আহিছে।

আপোনালোকে ভালকৈ জানেই যে যোৱা দিনবোৰত মূল্যবৃদ্ধিৰ বাবে সকলো কথাতে পৰিৱৰ্তন আহিছে, যাৰ ফলত উৎপাদন খৰচ, কাগজৰ খৰচ, বুনিয়াদী সা-সুবিধাৰ খৰচ আৰু প্ৰশাসনিক খৰচ নিয়মিতভাৱে বাঢ়িব লাগিছে। যোৱা এবছৰ ধৰি আমি খৰচ কম কৰিবলৈ অনেক উপায় হাতত লৈছো, য'ত আন্তৰিক ব্যয় সংকোচন নীতিও আছে। কিন্তু এতিয়া আমি আন কিবা সাধনৰ শৰণাপন্ন হ'বলৈ বাধ্য হৈছো।

অত্যন্ত মূল্যবৃদ্ধিৰ বাবে আপোনালোকৰ প্ৰিয় আলোচনীখনৰ মূল্য বৃদ্ধি কৰাৰ বাহিৰে আমাৰ হাতত কোনো বিকল্প নাই। এতিয়া অসমীয়া আৰু অন্য ভাষাৰ প্ৰতিটো কপিৰ মূল্য ৫ টকা বাঢ়ি ২০ টকা হ'বগৈ। ফলত, বাৰ্ষিক সদস্যতাৰ বৰঙণিও বাঢ়ি যাব। আমি ভাবো, আলোচনীখনৰ হিতাৰ্থেই এই পৰিৱৰ্তন হ'ব আৰু আপোনালোকে ইয়াত অনুমোদন দিব। আমি নিসন্দেহে, যেতিয়াই পাৰো তেতিয়াই ডিভিডি, ভিচিডি আদি দি থাকিম।

আমি বিশ্বাস কৰো, আমাৰ অৱস্থাটো আৰু মূল্যবৃদ্ধিৰ কাৰণসমূহ আপোনালোকে বুজি পাব।

আপোনালোকৰ অবিৰত সমৰ্থনৰ আশাৰে।

- প্ৰকাশক

দাঁত পোকে খোৱাত আক্ৰান্ত হৈছে জাঙলেণ্ড !
কলগেটৰ ড. শহাপহৰ সহায় লৈ এতিয়া এই ৰহস্যৰ মেৰপাক খুলিব এলি আৰু পুলিয়ে।

Colgate
ORAL HEALTH MONTH October 2008
MISSION: ZERO TOOTH DECAY
ড. শহাপহু ত্ৰাণকৰ্ত্তাৰ ভূমিকাত
এলি আৰু পুলি জালমা নৈৰ পাৰত বহি আছিল, হঠাতে কান্দি কান্দি আহিল আংকল ৰংগু।
এলি, আমি নিগমে মৰিলো, একেবাৰে নিগমে মৰিলো!
বাৰু কোৱাচোন আমি সহায় কৰিবলৈ আছো নহয়!
কি হ'ল আংকল ৰংগু? কথাটো কি?
ৰংগুৱে অহৰহ তাৰ মুখখন ঢাকি ধৰিলে আৰু একো কথা ক'বলৈ অস্বীকাৰ কৰিলে। বহুত বুজোৱাৰ পাছত, আংকল ৰংগুৱে শেষত সিহঁতক কথাটো ক'বলৈ ঠিক কৰিলে...মানে, দেখুৱাবলৈ! মুখখন উলিয়াই সি তাৰ দাঁতকেইটা দেখুৱালে।
তোমাৰ দাঁতবোৰ? সেইবোৰৰ হ'ল কি?
সেইবোৰ পোকে খাবলৈ লৈছে!
তুমি সেইটো কেতিয়া মন কৰিলা?
আজি মই বহুত দিনৰ মূৰত দাঁতবোৰ ব্ৰাচ কৰোতে!
তুমি শেষবাৰৰ বাবে কেতিয়া ব্ৰাচ কৰিছিলা?
অ'...হ'... মোৰ মতে এসপ্তাহ আগেয়ে!
এলি আৰু পুলিয়ে চকখাই অচেতন হৈ পৰিল।
আংকল ৰংগুৱে দুয়োকে সুস্থ অৱস্থালৈ আনিলে।
তোমালোক দুয়ো উঠা! কেৱল ময়েই এই আক্ৰমণৰ সমুখীন হোৱা নাই... চোৱা! গোটেই জাংলেগুতে দাঁত পোকে ধৰিছে!
দাঁত পৰী, অ' দাঁত পৰী! আংকল ৰংগুৱে বৰ ভয় খাইছে। অনুগ্ৰহ কৰি তেওঁৰ দাঁতবোৰ ওপৰ, তল কৰিব পৰাত সহায় কৰক।
সহায়ৰ বাবে দাঁত পৰীকে অনুৰোধ কৰি চাঁও!

দাঁত পৰী আৰ্বিভাৱ হয়।
কি খবৰ এলি আৰু পুলি! মই তোমালোকৰ বাবে কি কৰিব পাৰো?
গোটেই জাংলেগুেই আক্ৰান্ত হৈছে। দাঁত পোকে খোৱা, দাঁত সৰা। তুমি কিবা এটা কৰিব লাগিব।
কলগেটে অক্টোবৰ মাহত বিনামূলীয়া দাঁতৰ চেক্‌আপৰ আয়োজন কৰিছে। আৰু মই যি দেখিছো, তোমালোক সকলোৱে কৰাব লাগিব। শহা এলেৰ ওচৰলৈ যোৱা, তেওঁ সহায় কৰিব।
আমি এতিয়াই যাম!
আংকল বংগু আৰু আন আটাইবোৰ জন্তুৱে কৃতজ্ঞতাত মূৰ দোঁৱালে।
এলি আৰু পুলিয়ে টালি টোপোলা বান্ধি শহা এলেৰ ওচৰলৈ গ'ল।
এইটো হৈছে মৌখিক স্বাস্থ্য মাহ! গতিকে প্ৰথমতে এটা বিনামূলীয়া দাঁতৰ চেক আপ কৰাই লোৱা।
নমস্কাৰ! তুমি আমাৰ দাঁতৰ সমস্যা সমাধান কৰাত সহায় কৰিব পাৰানে?
বৰ বঢ়িয়া কথা!
কেৱল তোমাৰ পিনক'ডটো 5676725 লৈ এস এম এস কৰা আৰু তোমাৰ এলেকাৰ দাঁতৰ বিশেষজ্ঞৰ বিশদ বিৱৰণ জানি লোৱা।
গতিকে তুমি বৈ আছা কিয়? তোমাৰ হাঁহি ঘূৰাই আনা।
বৰ ভাল কথা! হেৰা, সৌ সৰবৰহী দেখিলেই ভাল লগা শহাজন কোন?
ধন্যবাদ, ড. শহা, আমাৰ দাঁতৰ বিশেষজ্ঞ!
দিনে দুবাৰকৈ ব্ৰাচ কৰা, পুষ্টিকৰ খাদ্য খোৱা, যিবোৰ সঁচাকৈয়ে ভাল সেই ধৰণৰ দাঁতৰ সহায়কাৰী কৌশল কামত লগোৱা, প্ৰতি ছমাহত দাঁতৰ বিশেষজ্ঞক লগ ধৰা, আৰু তিনিমাহত এবাৰকৈ তোমাৰ টুথব্ৰাচ সলনি কৰা।
Colgate
ড. শহাই আমাক কৈছিল যে কলগেট আৰু ভাৰতীয় দন্ত সংস্থাৰ সহযোগিতাত ভাৰতৰ ২০০খন চহৰত কলগেটৰ মৌখিক স্বাস্থ্য সপ্তহ চলি আছে। ১০,০০০ৰো অধিক দাঁতৰ বিশেষজ্ঞ এই অভিযানৰ অংশ।
কেনে মজা! আমাৰ সকলো সমস্যা সমাধান হৈছে!

লাইট! কেমেৰা! একছন! চিচিডিঅ’

তুমি চাই থকাই ভাল
তুমি নাকান্দিলেই ভাল
তুমি ভেঙুচালি নকৰিলেই ভাল
মই তোমাক কম কিয়
চিচিডিঅ’ আহিব চহৰলৈ!
(চান্তাক্লজলৈ ক্ষমা প্ৰাৰ্থনাৰে)

আৰু আমি আহিলো চহৰলৈ, চেন্নাই, কইম্বাটুৰ আৰু হায়দৰাবাদৰ শিশুসকলক আনন্দৰ বন্যাত উটুৱাই নিবলৈ। চান্দমামাৰ চিলড্ৰেন্‌চ ডে আউট (চিচিডিঅ’) আৰম্ভ কৰা হয় যোৱা ১৬ আগষ্টত চেন্নাইৰ ভালুৱাৰ কোট্টামত।

আমি আয়োজন কৰা চিংগল উইকেট ক্ৰিকেট, পেইন্টিঙ, ক্লে মডেলিঙ, তৰ্ক আৰু সাধু কোৱা--এই পাঁচটা প্ৰতিযোগিতাত শিশুসকলৰ উৎসাহ দেখি আমি এই উদ্যম দক্ষিণ ভাৰতৰ আন দুখন মহানগৰীলৈ লৈ যাবলৈ অনুপ্ৰাণিত হ’লো। তাৰকাবিশিষ্ট বিচাৰকমণ্ডলীত আছিল প্ৰখ্যাত চলচ্চিত্ৰ পৰিচালক চিংগীথাম শ্ৰীনিবাস ৰাও, কাৰ্টুনিষ্ট আৰু কথাছবি সমালোচক শ্ৰী মদন, ক্ৰিকেটাৰ শ্ৰী ভি.বি.চন্দ্ৰশেখৰ, আৰু চিত্ৰকৰ শ্ৰী সুকান্ত মিশ্ৰ।

ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক শ্ৰীকৃষ্ণমাচাৰি শ্ৰীকান্ত আছিল অনুষ্ঠানৰ মুখ্য অতিথি আৰু প্ৰতিটো প্ৰতিযোগিতাতে প্ৰথম স্থান লাভ কৰা শিশুসকলে তেওঁৰপৰা পুৰস্কাৰ গ্ৰহণ কৰি ৰোমাঞ্চ অনুভৱ কৰে।

চুট্টি টিভিত চিচিডিঅ’ৰ বাবে ওলোৱা বিজ্ঞাপনৰ প্ৰভাৱ ইমানেই বেছি আছিল যে তেওঁলোকৰ প্ৰিয় চুট্টি টিভিৰ চৰিত্ৰসমূহৰ লগত কথা পাতিব খোজা শিশুসকলৰপৰা এতিয়াও *চান্দমামাৰ* কৰ্মচাৰীসকলে ফোন পাই থাকে।

যোৱা ২৪ আগষ্টত কইম্বাটুৰৰ কডিচিয়া হলত কৰা হয় পেইনিঙ, ক্লে মডেলিঙ আৰু সাধু কোৱা প্ৰতিযোগিতা। সাধু কোৱা প্ৰতিযোগিতাত আমি এটা সম্পৰীক্ষা চলাইছিলো। শিশুসকলক তেওঁলোকৰ লিখাৰ দক্ষতা প্ৰকাশৰ সুবিধা

দিয়া হৈছিল। প্ৰতিযোগীসকলক এটা সাধুৰ প্ৰথম কেইশাৰীমান দি দিয়া হৈছিল আৰু তাৰপাছত তেওঁলোকক নিজে ভালপোৱা মতে কাহিনীটো শেষ কৰিবলৈ দিয়া হৈছিল। শিশুসকলৰ কল্পনাই পাখি লগাই উৰা মৰা চাই সকলোৱে ভাল পাইছিল।

চিচিডিঅ' তাৰ পাছত যাত্ৰা কৰিছিল, হায়দৰাবাদলৈ, যোৱা ৩১ আগষ্টত তাৰ শ্ৰীধৰ ফাংচন প্লাজালৈ আহিছিল ৰঙ আৰু আনন্দৰ বন্যা। পেইটিঙ, ক্লে মডেলিঙ, সাধু কোৱা (সংশোধিত ৰূপত) আৰু তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

মিষ্টাৰ মদনে ঠাইতে এটা ব্যঙ্গ ভাও কৰিলে আৰু সুন্দৰকৈ প্ৰতিযোগী-সকলক আকৰ্ষিত কৰিলে!

প্ৰতিযোগিতাত যোগদানৰ বাবে আমি বয়সৰ এটা সীমা বান্ধি দিছিলো যদিও আমাক আনকি প্ৰথম শ্ৰেণীত পঢ়ি থকা শিশুসকলেও যোগদান কৰিবলৈ দিব লাগে বুলি খাটনি ধৰিছিল। নক'লেও হ'ব, আমি আনন্দেৰে সন্মতি দিছিলো!

চিচিডিঅ'ৰ গৌৰৱময় বিজয়ীসকলক অনলাইনত লগ পোৱা আমাৰ www. chandamama.com ত।

চিচিডিঅ'ৰ দৰে এক বিশাল অনুষ্ঠান আয়োজন কৰাত আয়োজকসকলে দৰ্শকৰ সুবিধাৰ বাবে লোৱা ব্যৱস্থা আৰু দেখুওৱা দক্ষতাৰ বাবে শিশুসকলৰ লগত অহা অভিভাৱক আৰু ককাক আইতাকসকল বিমুগ্ধ হয়। তিনিখন মহানগৰীত প্ৰতিযোগিতাসমূহত ভাগ লোৱা শিশুৰ সংখ্যা আছিল দহ হেজাৰৰো অধিক। এটা ট্ৰফী পাওকেই বা নাপাওক, মুখত এমোকোৰা হাঁহি লৈ ঘৰলৈ যোৱা শিশুসকলেই আছিল চান্দমামা দলৰ বাবে ডাঙৰ পুৰস্কাৰ।

আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো মিডিয়া সহযোগী চুট্টি টিভি, হেল্প'

এফ.এম. ১০৬-৪ ৰেডিঅ' ৰান ৯৪.৩, চুৰিয়ন এফ.এম. ৯৩.৫, ই টিভি ২, আৰু এনাডু। সংবাদ মাধ্যমৰ (ছপা, অনলাইন আৰু টেলিভিচন) সমৰ্থন আছিল আমাৰ বাবে বৃহৎ প্ৰেৰণা।

অহা মাহবোৰত চিচিডিঅ' আৰু ১৩ খন মহানগৰীলৈ যাব আৰু বৰ্ণাঢ্য সামৰণি অনুষ্ঠান হ'ব মুম্বাইত। তোমাৰ চিটবেল্ট্ বান্ধি লোৱা। ইয়াৰ পাছত আমি সোনকালেই গৈ আছো ভুবেনেশ্বৰ, কলকতা আৰু গুৱাহাটীলৈ।

অত্যধিক উৎসাহত কেইজনমান প্ৰতিযোগী অচেতন হৈ পৰিছিল, পিছে ক্ষিপ্ৰতাৰে প্ৰদান কৰা এম্বুলেঞ্চ সেৱাৰ বাবে তেওঁলোক পুনৰ স্বাভাৱিক হৈ হাতে কামে ধৰিছিল, কোনো অপকাৰ হোৱা নাছিল!

“মই বিক্ৰম বেতাল পঢ়ি আটাইতকৈ ভাল পাওঁ। ৰজা বিক্ৰমে উত্তৰ দিয়াৰ আগতেই মই বেতালৰ প্ৰশ্ন বোৰৰ উত্তৰ দিবলৈ চেষ্টা কৰো।”

- য়ুবেধা, প্ৰতিযোগী

“শৈশৱত মই আম্বুলিমামা পঢ়িছিলো, কিন্তু টিভিয়ে আজিকালি শিশুসকলৰ সবহখিনি সময়েই লৈ লয়। এনেকুৱা এটা অনুষ্ঠান হোৱাটো খুব ভাল কথা, যি শিশুসকলক কিতাপৰ জগতলৈ যাবলৈ উৎসাহিত কৰিব।”

- আৰ.জয়াৰমন, অভিভাৱক

“এনেকুৱা এটা অনুষ্ঠানত মই আগতে কেতিয়াও ভাগ লোৱা নাছিলো। মোৰ এই বেজটো ভাল লাগিছে আৰু মই এইটো চিৰদিন মোৰ লগত ৰাখিম!”

- কৌশিকা, প্ৰতিযোগী

YOUNG WORLD

Children's day out

बच्चों की प्रतिभा तराशेगी चन्दामामा

Chandamama goes talent hunting

'It is indeed heartening that we are venturing into new formats. I always like to interact with children and this competition is another opportunity for me and Chandamama to know today's youngsters better'

Chandamama to organise 'Children's Day Out'

At Codissia Trade Fair Complex in Coimbatore on August 24

পাতাল দুৰ্গ

কুন্তল দেশৰ মন্ত্ৰীৰ পুত্ৰ, শশীকান্ত এদিন নিজৰ দুই বন্ধু ভদ্ৰ আৰু জয়ন্তক লগত লৈ অৰণ্যলৈ চিকাৰ কৰিবলৈ গ'ল। অৰণ্যত হৰিণা, বনৰীয়া গাহৰি আদি বহুত জন্তু আছিল। কিন্তু শশীকান্ত আৰু তেওঁৰ বন্ধুৱে এই নিৰপৰাধ প্ৰাণীবোৰক মাৰিব খোজা নাছিল। তেওঁলোকে বাঘ বা সিংহৰ দৰে আৰু বিপদজনক জন্তুৰহে চিকাৰ কৰিব খুজিছিল। তেওঁলোকে সিংহ বিচাৰি অৰণ্যৰ বহু ভিতৰলৈ সোমাই গ'ল। তেওঁলোক এটা পাহাৰীয়া নলাৰ ওচৰেদি গৈ থাকোতে শশীকান্তই এটা সিংহ থিয় হৈ থকা দেখিলে। সিংহই তেতিয়া নলাৰপৰা পানী খাই পুনৰ অৰণ্যৰ ভিতৰলৈ যাবলৈ সাজু হৈ আছিল।

শশীকান্তই সিংহটো দুয়ো বন্ধুক দেখুৱাই ক'লে, "আমি ঘোঁৰাবোৰ ইয়াতে এৰি দিওঁ আৰু নিশব্দে নলা পাৰ হৈ সিংহটো চাৰিও-ফালৰপৰা ঘেৰি ধৰোঁগৈ। আমাৰ কোনোবা এজনৰ বাণত সিংহটোৱে নিশ্চয় প্ৰাণ দিব লাগিব।"

ঘোঁৰাৰপৰা নামি শশীকান্ত যাবলৈ ওলাওঁতেই জয়ন্তই তেওঁৰ কান্ধত হাত থৈ ক'লে, "শশীকান্ত, খৰখেদা নকৰিবা। নলাৰ সিটো পাৰৰ অৰণ্য আমাৰ নহয়। ই কদম্ব ৰাজ্যৰ আৰু সেই ৰজাৰ লগত আমাৰ ডাঙৰ শত্ৰুতা আছে। তেওঁৰ সীমালৈ যোৱাটো আমাৰ বাবে আপত্তিজনকেই নহয়, ই বিপদজনকো হৈ উঠিব পাৰে। চিকাৰ কৰাৰ পৰিবৰ্তে আমি নিজেই বিপদৰ চিকাৰ হৈ পৰাৰ সম্ভৱনা আছে। আমাৰ প্ৰাণও যাব পাৰে। সেই ৰাজ্যই আমাৰ ৰাজ্যৰ এপৰত আক্ৰমণ চলোৱাৰ অজুহাত বিচাৰি পাব। আমাক বন্দী কৰি

যিকোনো চৰ্ত্ত মানি ল'বলৈ আমাৰ ৰাজ্যক বাধ্য কৰিব পাৰে।"

শশীকান্ত তেতিয়া চিকাৰৰ উৎসাহত ডুব গৈ আছিল। তেওঁ জয়ন্তৰ পৰামৰ্শ আওঁকাণ কৰি ক'লে, "মই এনেয়ে ভয়াতুৰ। মোক আৰু ভয়াতুৰ তুৰি নুতুলিবা। আমি কদম্ব ৰাজ্য জয় কৰিবলৈ বা আক্ৰমণ কৰিবলৈ সেইখন ৰাজ্যত প্ৰবেশ কৰিব খোজা নাই। আমি হিংস্ৰ জন্তুৰ চিকাৰ কৰিবলৈহে যাব খুজিছো। সেই কাম শেষ কৰিয়েই আমি আকৌ নিজৰ ৰাজ্যলৈ গুচি আহিম।"

কোনো পৰিস্থিতিতে জয়ন্ত শত্ৰুৰ ৰাজ্যক্ষেত্ৰলৈ যোৱাৰ পক্ষপাতী নাছিল। কিন্তু শশীকান্তই তেওঁৰ পৰামৰ্শ ধেমালী কৰি উৰুৱাই দিলে আৰু সিংহটোৰ ওপৰত চকু ৰাখিয়ে যি নলাটোৰ সিপাৰে আনখন ৰাজ্যৰ অৰণ্যত থিয় দি আছিল। তথাপি তেওঁ শশীকান্তক মানা কৰিব খুজিছিল। তেনেতে ভদ্ৰই মাজতে কৈ উঠিল।

"শশীকান্ত, তুমি ঠিকেই কৈছা। এই সিংহটো যদি আমি মাৰিব পাৰো তেন্তে তাৰ মাংস কদম্বৰ ৰজাৰ ওচৰলৈ পঠিয়াই দিম আৰু তাৰ ছালখন তেওঁৰ একমাত্ৰ কন্যা কান্তিসেনাক উপহাৰ স্বৰূপে দিম। সেইটো ভাল হ'বনে বাৰু?" ভদ্ৰই ক'লে।

তাকে শুনি শশীকান্তই খুব হাঁহিলে। তেতিয়া সিংহটোৱে ঘূৰি চালে। চিকাৰী কেইজনক দেখিলে। সি গৰজি উঠিল। তাৰপাছত সি নেজ জোকাৰি আগবাঢ়ি গ'ল। গৰ্জন কৰি সমুখৰপৰা আহি থকা সিংহটোক মৰাৰ এই সুযোগ শশীকান্তই এৰি দিব নুখুজিলে, লাগিলে সেয়া শত্ৰুৰে ৰাজ্যক্ষেত্ৰ নহওক কিয়? তেওঁ বৰ উৎসাহিত আৰু উত্তেজিত হৈ উঠিল। তৎক্ষণাৎ তেওঁ ধনুত বাণ জুৰিলে আৰু সিংহটোৰ ডিঙিত লক্ষ্য কৰি বাণ এৰি দিলে। সেই বাণ গৈ সিংহৰ গাত লাগিল। তৎক্ষণাৎ সি জোৰেৰে গৰ্জন কৰি আহত হৈ নলাৰ ফালে জঁপিয়াই দিলে।

চকুৰ পচাৰতে শশীকান্ত আৰু তেওঁৰ দুই বন্ধু বেলেগ হৈ গ'ল। আঁঠুলৈকে থকা পানী পাৰ হৈ তেওঁলোকে সিংহটোৰ ওপৰত তিনিও-ফালৰপৰা বাণ বৰষিবলৈ ধৰিলে। এইবাৰ এডাল বাণ গৈ সিংহৰ পেটত লাগিল। ভয়ংকৰ গৰ্জন কৰি সি তিনিও চিকাৰীৰ ভিতৰত ওচৰতে থকা শশীকান্তক লক্ষ্য কৰি জাঁপ মাৰিলে।

শশীকান্তই তৰোৱাল উলিয়াই ল'লে। তেনেতে গছৰ আঁৰৰপৰা চিঞৰ বাখৰ শুনা গ'ল আৰু চাওঁতে চাওঁতে এডাল যঠী সিংহটোৰ মূৰত জোৰেৰে গৈ আঘাত কৰিলেগৈ।

শশীকান্ত আৰু তেওঁৰ দুজন বন্ধুৱে আচৰিত হৈ সেইফালে চাই থাকোতেই কোনোবাই কোৱা শুনা গ'ল, "সীমা পাৰ কৰি অহা শত্ৰুক নিধন কৰা।" ইয়াৰ লগে লগে তিনিওৱে ওপৰত বাণৰ বৰ্ষা হ'ল।

শশীকান্ত ধূলিত চাটিফুটি কৰি চিঞৰিলে, "ভদ্ৰ, জয়ন্ত, তোমালোক সোনকালে পলাই যোৱা। কপট যুদ্ধ কৰা শত্ৰুৰ লগত যুদ্ধ কৰা সমীচীন নহয়।"

কিন্তু তেতিয়ালৈ বাণৰ আঘাতত জয়ন্তও তলত পৰি গৈছিল। পলাবলৈ বুলি ভদ্ৰ ঘূৰোতেই তেওঁৰ পিঠিত আহি এডাল বাণ লাগিলহি। কিন্তু ভদ্ৰই সেই আঘাতৰ কথাত বেছি গুৰুত্ব নিদিলে।

তীব্ৰ বেগেৰে তেওঁ পলাই গ'ল। নলাটো পাৰ হৈ ঘোঁৰাবোৰৰ ওচৰলৈ গ'ল আৰু বৰ কষ্টেৰে ঘোঁৰাৰ পিঠিত উঠি ল'লে আৰু ঘোঁৰাটোৱে প্ৰাণটাকি দৌৰিবলৈ ধৰিলে। তাৰ লগে লগে বাকী দুটা ঘোঁৰাও দৌৰিবলৈ ধৰিলে। নলাৰ পাৰৰপৰা কেইজনমান শত্ৰু সৈনিক তালৈ উধাতু খাই আহিল আৰু তেওঁৰ ওপৰত বাণ এৰিবলৈ ধৰিলে। "তেওঁক জীৱিত অৱস্থাত পলাই যাবলৈ নিদিবা। ইয়াত যি জন আহত মানুহে প্ৰাণ এৰিবলৈ ওলাইছে তেওঁক কুন্তল দেশৰ মন্ত্ৰীৰ বৰ পুত্ৰ যেন লাগিছে।" ভদ্ৰই সৈনিকহঁতে পিছফালৰপৰা কোৱা কথাখিনি শুনিবলৈ পালে।

ভদ্ৰৰ অৱস্থা ইমানেই বেয়া আছিল যে তেওঁৰ একো কাণত পৰা নাছিল। ঘোঁৰাৰ ডিঙিৰ চুলিত ধৰি তেওঁ ঘোঁৰাটোৰ ওপৰত একেবাৰে হাউলি গৈছিল। ঘোঁৰাটোৱে

যিহেতু ৰাস্তা জানিছিল সেয়েহে সি তেওঁক পোনে পোনে ৰাজধানীলৈ লৈ গ'ল।

শশীকান্ত আৰু জয়ন্তক ঘেৰি ধৰি বহুত সশস্ত্ৰ সৈনিক থিয় হৈ আছিল। সিংহটোৱে তেতিয়ালৈ প্ৰাণ হেৰুৱাইছে। ভদ্ৰক খেদি যোৱা সৈনিকৰ দলটো নিৰাশ হৈ নলাৰ ওচৰলৈ ঘূৰি আহিল।

কিন্তু শশীকান্তৰ ঘোঁৰাটো সিহঁতে ধৰিব পাৰিলে, কিয়নো তাৰ লেকাম এজোপা গছত লাগি ধৰিছিল।

"মহাৰাজ! ক্ষমা কৰক। অশেষ কষ্টেৰে আমি এই ঘোঁৰাটো ধৰিছো। ঘোঁৰাটো পঞ্চ কল্যাণী জাতৰ যেন লাগিছে। মূল্যৱান জীন আদি দেখি ধাৰণা হৈছে ঘোঁৰাটো কুন্তল দেশৰ মন্ত্ৰী পুত্ৰৰেই।" সৈনিক সকলে ঘোঁৰাটো আগলৈ খেদি আনি ক'লে।

কদম্ব ৰজা উগ্ৰসেনে বিফল সৈনিকহঁতৰ



ফালে এবাৰ চালে, তাৰপাছত ওচৰতে থকা সেনাপতিৰ ফালে মুখ ঘূৰাই ক'লে, "সেনাপতি! আমাৰ সৈনিক ইমানেই নিষ্কৰ্মা যে আহত শত্ৰুকো কৰায়ত্ব কৰিব নোৱাৰিলে। এই সকলৰ ভৰসাতে আমি কুন্তল দেশৰ ৰজাৰ সৈতে শত্ৰুতা চপাই লৈছো নেকি?"

সেনাপতিয়ে কিবা ক'ব খুজিছিল যদিও ৰজাৰ মুখত ক্ৰোধ দেখি ক'লে, "মহাৰাজ!" তেওঁৰ মুখৰপৰা মাত নোলোৱা হ'ল।

উগ্ৰসেন শশীকান্তৰ ওচৰলৈ আহিল। "এওঁ মন্ত্ৰীৰ ল'ৰা। তাত কোনো সন্দেহ নাই। এতিয়াও প্ৰাণ নিথৰ হৈ যোৱা নাই। এওঁক লৈ গৈ কোনোবা গুহাত থৈ আঁহাগৈ। কোনোবা সিংহই ভক্ষণ কৰিব আৰু আহত হৈ পৰি থকা এইজন কোন?"

দুজন সৈনিকে ক'লে, "মহাৰাজ, কেতিয়াবাই এওঁৰ প্ৰাণবায়ু ওলাই গৈছে।"

"তেন্তে এওঁকো গুহাত পেলাই দিয়া।" এইবুলি কৈ উগ্ৰসেনে সেনাপতিৰ ফালে চাই ক'লে, "সেনাপতি, আজি যি সময়ত আমি চিকাৰৰ বাবে ওলাই আহিছিলো, সেই সময় আমাৰ বাবে শুভ নাছিল। যেতিয়া মই বাণ এৰিছিলো তেতিয়া মই ভাবিছিলো এওঁলোক কুন্তল দেশৰ কোনোবা সাধাৰণ সৈনিকেই হ'ব। মইতো জনা নাছিলো যে এজন কুন্তল দেশৰ মন্ত্ৰীৰ পুত্ৰ আৰু আনজন তেওঁৰ বন্ধু। সেইজন ৰজা আমাতকৈ বহুত বেছি বলবান। তেওঁৰ মন্ত্ৰীৰ চাতুৰ্যৰ কথাও আমি জানো। এই অশুভ ঘটনাৰ বাবে আমাৰ ৰাজ্যলৈ বিপদ আহিব পাৰে। আমি সাৱধান হৈ থাকিব লাগিব। আমি ৰাজধানীলৈ গৈ এখন পত্ৰ লিখি তেওঁৰ ওচৰলৈ পঠিয়াই কম যে সীমান্তত থকা সৈনিকে ভুলতে এই সকলো কাম কৰিলে। এনেকুৱা কিবা এটাই কৰিব লাগিব। তাৰপাছতো কুন্তল ৰজাই ইয়াৰ কি অৰ্থ উলিয়ায়, সেই কথা এতিয়াই ক'ব নোৱাৰি। যুদ্ধৰ সম্ভাৱনাও অস্বীকাৰ কৰিব নোৱাৰি। আমাৰ মহামন্ত্ৰীয়ে বা কি কয়?"

"হয়, মহাৰাজ হয়, ইয়াৰ বাবে আমাৰ মহামন্ত্ৰীৰেই সৰ্বসামৰ্থ্য আছে।" সেনাপতিয়ে ক'লে।

উগ্ৰসেনে আৰু একো নক'লে। ঘোঁৰাত উঠি তেওঁ গুচি গ'লগৈ। পিছে পিছে গ'ল সেনাপতি। সৈনিকসকলৰ মাজৰপৰা দহজনে শশীকান্ত আৰু জয়ন্তক এনেকৈ কান্ধত তুলি চিঞৰ বাখৰ কৰিলে যেন সিহঁতে এখন পাল্কীহে কঢ়িয়াই নিছে।

আৰু ভদ্ৰ প্ৰায় শুই যোৱা সেই ঘোঁৰাটো নগৰৰ দ্বাৰ বন্ধ হোৱাৰ আগতেই দ্বাৰৰ ওচৰ

পালেগৈ। দ্বাৰৰক্ষকে মন্ত্ৰীৰ পুতেক অহালৈ বাট চাই আছিল। যেতিয়া তেওঁ মন্ত্ৰীপুত্ৰৰ বন্ধু ভদ্ৰক এই অৱস্থাত দেখা পালে তেতিয়া তেওঁ বৰ ভয় খালে। ভদ্ৰ জীয়াই আছে নে নাই বা জয়ন্ত উঠি যোৱা ঘোঁৰাটো যে ভদ্ৰৰ ঘোঁৰাটোৰ লগে লগে আছিল সেই কথা মন কৰিবলৈয়ো তেওঁৰ চেতনা নাছিল।

দ্বাৰৰক্ষকে ভদ্ৰৰ ঘোঁৰাটো জোৰ দেখুৱাই ৰাজধানীৰ ফালে লৈ গ'ল। দৃশ্যটো চাবলৈ বহুত মানুহ গোট খালে। ঘোঁৰাটোৰ ওপৰত আহত মানুহজন যে মন্ত্ৰীপুত্ৰৰ বন্ধু ভদ্ৰ সেই কথাৰ বাহিৰে সমৱেত জনতাই আন একো কথা জনা নাছিল।

ঘোঁৰা পোনে পোনে ৰাজমহললৈ গ'ল আৰু তাৰ ঘোঁৰাশালত ৰ'লগৈ। ইয়াৰ মাজতে খবৰ পাই ৰজা শতয়ানু আৰু মন্ত্ৰী গংগাধৰ তালৈ আহিল। ভৃত্য সকলে সাৱধানে ভদ্ৰক ঘোঁৰাৰ পৰা নমালে। ৰাজবৈদ্যই তেওঁৰ পৰীক্ষা কৰিলে আৰু পিঠিত লাগি থকা বাণডাল সাৱধানে উলিয়াই আনিলে। ভদ্ৰই অলপ লৰচৰ কৰা দেখা গ'ল।

বৈদ্যই তেওঁৰ পৰীক্ষা কৰি ক'লে, "মহাৰাজ, মই পাৰ্যমানে চেষ্টা কৰিম। যদি ভাগাই লগ দিয়ে, তেন্তে ভদ্ৰ জীয়াই থকাৰ আশা আছে।"

ভৃত্যসকলে এখন বিচনাত শুৱাই ভদ্ৰক প্ৰাসাদৰ ভিতৰলৈ লৈ গ'ল। তেতিয়ালৈকে বাণ পৰীক্ষা কৰি মন্ত্ৰী তাতে থিয় হৈ আছিল। তাৰপাছত তেওঁ এজন সেৱকক মাতি আনি বাণডাল দি ক'লে, "এইডাল খুব ভালকৈ ধুই পখালি লৈ আঁহা গৈ।"

"শশীকান্ত আৰু জয়ন্তৰ কি হ'ল মহামন্ত্ৰী, মই কেতিয়াও ভবা নাছিলো যে আমাৰ ৰাজ্যত ইমান প্ৰবল শত্ৰু আছে।" শতয়ানুৱে ক'লে।

"মহাৰাজ, মোৰ মতে এই ঘটনা আমাৰ ৰাজ্যৰ ভিতৰত হোৱা নাই। যদি ভদ্ৰ জীয়াই থাকে তেন্তে আমি জানিব পাৰিম জংঘলত কি কি হৈছিল। শশীকান্ত আৰু জয়ন্ত ঘূৰি আহিব বুলি মোৰ মনে নধৰে। ভদ্ৰক যিডাল বাণে আহত কৰিলে তাত মুদ্ৰিত চিহ্নৰ পৰা..." কথাখিনি কওঁতে কওঁতে মন্ত্ৰী গংগাধৰৰ চকুপানী ওলাই আহিল। শতয়ানু নিজেই শোকবিহ্বল হৈছিল। শশীকান্ত আছিল মন্ত্ৰীৰ একমাত্ৰ পুতেক। তেওঁকনো এতিয়া ৰজাই সান্ত্বনা দিয়ে কি ভাষাৰে।

মন্ত্ৰীয়ে দিয়া বাণ ভালকৈ ধুই পখালি সেৱকে বাণডাল মন্ত্ৰীৰ হাতত তুলি দিলেহি। গংগাধৰে জোৰৰ পোহৰত সেই বাণডাল

চালে। আচৰিত হৈ তেওঁ বাণডাল শতয়ানুৰ হাতত দি ক'লে, "মহাৰাজ, এই বাণ এৰা মানুহজন হ'ল কদম্ব ৰজা উগ্ৰসেন। ইয়াৰ তলতে আছে তেওঁৰ ৰাজচিহ্ন 'ভালুক'ৰ চিহ্ন।"

শতয়ানুৱে বাণডাল ভালকৈ চালে। "মহামন্ত্ৰী! ইয়াৰ অৰ্থ কি হ'ব পাৰে! যুদ্ধৰ ঘোষণা নকৰাকৈ উগ্ৰসেনে আমাৰ ওপৰত আক্ৰমণ চলাইছে নেকি? আমাৰ গুপ্তচৰসকলে কি কৰি আছে? সীমান্তৰ সৈনিকসকলে কি কৰি আছে?" ক্ৰোধান্বিত ৰজাই সুধিলে।

'মহাৰাজ! দেখ দেখকৈ আমাৰ ওপৰত আক্ৰমণ চলোৱাৰ সাহস উগ্ৰসেনৰ নাই। তথাপি আমি সাৱধানে থকা উচিত। সেনাপতিক কওক সেনাবাহিনী সাজু হওক আৰু দেশৰ প্ৰতিৰক্ষাৰ যথাযথ ব্যৱস্থা কৰা হওক।" গংগাধৰে ক'লে।

শতয়ানুৱে এজন সেৱকক ক'লে সেনাপতিক মাতি আনিবলৈ। ইয়াৰ পাছত তেওঁ প্ৰাসাদ অভিমুখে গৈ থাকোতেই ফোঁপাই জোঁপাই এজন সৈনিক ৰজাৰ ওচৰ পালেহি। "মহাৰাজ, কদম্ব ৰজাৰ দূত নগৰৰ দ্বাৰৰ ওচৰত আছে। আপোনাৰ আদেশ পালে তেওঁলোকক আপোনাৰ ওচৰলৈ লৈ আহিব পৰা যায়।"

"উগ্ৰসেনে আমাৰ ওচৰলৈ দূত পঠিয়াইছে?" শতয়ানু আচৰিত হ'ল।

"কেইজন দূত আহিছে? তেওঁলোকৰ মতি গতি কেনে? তেওঁলোকক দেখাত বৰ অহংকাৰী যেন লাগিছে নেকি?" গংগাধৰে সুধিলে।

"নাই নহয়! মুঠতে ছজন আছে। তেওঁলোকৰ লগত আছে হাত পাছলৈ বান্ধি থোৱা অৱস্থাত দুজন মানুহ। সকলোকে এনেকুৱা দেখা গৈছে যেন তেওঁলোকৰ প্ৰাণ হাতৰ মুঠিতহে।" সৈনিকজনে ক'লে।

"মহামন্ত্ৰী ইয়াৰ আঁৰত কোনো কুটিল ৰাজনীতি নাই তো?" শতয়ানুৱে উদ্বিগ্নতাৰে সুধিলে।

"এনেকুৱা কথাত উগ্ৰসেন সিদ্ধহস্ত। তথাপি জানিব লাগিব, দূতক তেওঁ কি কৈ পঠিয়াইছে। হাত পিছলৈ বান্ধি অনা সেই দুজন কয়দী কোন?" গংগাধৰে অলপ সময় কিবা ভাবিবলৈ ধৰিলে। তাৰ পাছত সৈনিকক তেওঁ আদেশ দিলে, "সেই দূতকেইজনক তৎক্ষণাৎ সভা মন্দিৰলৈ লৈ অহা হওক।" *(আগলৈ)*

বিচিত্ৰ প্ৰেম

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল। গছৰপৰা শটো নমাই কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে আগবাঢ়িল। তেতিয়া শৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, কেউফালে অন্ধকাৰ, বাতাবৰণ অতি ভয়ংকৰ। তোমাৰ প্ৰাণৰেই আশংকা। কিন্তু মই বুজি পোৱা নাই কাৰ বাবে তুমি নিজকে এই বিপদত পেলাইছা? মই এনেকুৱা বহুত মানুহৰ কথা জানো যাৰ আন কাৰোৰেই লগত সম্পৰ্ক নাথাকে, কিন্তু আনৰ অপেচেষ্টাৰ বাবে তেওঁ-লোকে অনেক কষ্ট ভোগ কৰিবলগীয়া হয়। এই কাৰণতে তেওঁলোক প্ৰতিকূল পৰিস্থিতিৰ মাজেদি পাৰ হ'ব লগীয়া হয়। প্ৰজাক হিংস্ৰ সিংহৰপৰা বচাবলৈ জংঘললৈ যোৱা যুৱৰাজ যশোধৰবো এনে অসহায় অৱস্থা

(বেতাল কাহিনী)



হৈছিল। সেই যুৱৰাজৰ বিচিত্ৰ প্ৰেম কাহিনী মই তোমাক শুনাম। তুমি মন দি শুনা আৰু নিজৰ এই আকোৰগোজ মনোভাৱ ত্যাগ কৰা।" এইবুলি বেতালে কাহিনীটো আৰম্ভ কৰিলে:

নিষিধৰ ৰাজকুমাৰ যশোধৰ শৌৰ্য পৰাক্ৰমত অদ্বিতীয় আছিল। প্ৰজাই তেওঁক বৰ ভাল পাইছিল। গাঁওবোৰত হিংস্ৰ পশুৰ আকস্মিক আক্ৰমণত এবাৰ নিষিধৰ প্ৰজাৰ মাজত ভয়ংকৰ ত্ৰাসৰ সৃষ্টি হৈছিল। প্ৰজাক হিংস্ৰ জন্তুৰ মুখৰপৰা বচাবলৈ এদিন যশোধৰ লগত বহুত সৈনিক লৈ জংঘললৈ গ'ল। ঠিক সেই সময়তে গন্ধৰ্বলোকৰ অজৰ আৰু চতুস্বৰী নামৰ দুগৰাকী প্ৰেমী ভূলোকলৈ বিহাৰ কৰিবলৈ আহিছিল আৰু এটা সুন্দৰ পৰ্বতৰ ওপৰত তেওঁলোকে অৱতৰণ কৰিলোহি। দুয়ো এক বিশাল শিলাখণ্ডৰ ওপৰত বহি পৰিল। তেতিয়া অজৰে ক'লে, "এই লোকৰ ওখ ওখ পৰ্বত, মনোমোহা জলপ্ৰপাত, আকাশ চুব খোজা বৰ বৰ বৃক্ষ, তাত লাগি থকা লতা, উৰি থকা পক্ষী আদি প্ৰতিটো দৃশ্যই অনুপম। কিন্তু এই সকলোবোৰতকৈ তোমাক বেছি সুন্দৰ দেখা গৈছে।"

তেওঁলোক য'ত বহি আছিল, সেই ওখ ঠাইৰপৰা তেওঁলোকে যশোধৰক চাই আছিল যি হিংস্ৰ জন্তুবোৰক খেদি নিজৰ বাণেৰে সিবোৰৰ সংহাৰ কৰি আছিল। যশোধৰৰ এই পৰাক্ৰম অপলক নেত্ৰে চাই থকা চতুস্বৰীৰ কাণত অজৰৰ কোনো কথাই পৰা নাছিল। তেওঁ কেৱল তন্ময় হৈ যশোধৰক চাই আছিল।

এই কাৰণত অজৰ হঠাতে ক্ৰোধান্বিত হ'ল আৰু ক'লে, "অতি মৰমেৰে মই তোমাৰ আগত নৈসৰ্গিক সৌন্দৰ্যৰ কথা বৰ্ণনা কৰি আছো আৰু মই কোৱা কথা আওকাণ কৰি তুমি চাই আছা সেই সাধাৰণ মানৱক। এজন সাধাৰণ মানৱৰ শক্তি সামৰ্থ্য মোৰ শক্তিৰ সমুখত তেনেই নগণ্য। তুমি চাই থাকা, এই মুহূৰ্ত্ততে মই তেওঁৰ কি দশা কৰোঁ।" এইবুলি কৈ অজৰে চকুৰ পচাৰতে যশোধৰক এক ক্ষুদ্ৰ বাওনালৈ ৰূপান্তৰিত কৰিলে।

অকস্মাতে হোৱা নিজৰ ৰূপৰ এই পৰিৱৰ্ত্তন দেখি যশোধৰ বিবুধি হ'ল। তেওঁ বাকৰুদ্ধ হৈ পৰিল। এনে অৱস্থাত দৌৰি অহা এটা শহাই যশোধৰৰ কাণ এখন স্পৰ্শ কৰিলে। এই স্পৰ্শতে লুটি বাগৰ খাই যশোধৰ পৰি গ'ল। যশোধৰৰ এই স্থিতি দেখি অজৰে ডাঙৰ ডাঙৰকৈ হাঁহিবলৈ ধৰিলে আৰু গৰ্বভৰা কণ্ঠেৰে ক'লে, "তুমি অপলক নেত্ৰে চাই

আছিলা নহয় সেই মানৱক, এতিয়া চোৱা তেওঁৰ দয়নীয় অৱস্থা।"

"মই কেৱল সেই মানৱৰ কুশলতা চাইহে তাৰ আনন্দ লৈ আছিলো। মই এনেকুৱা কি কাম কৰিলো যাৰ বাবে তোমাৰ অন্তৰত এনেকৈ ঈৰ্ষা আৰু ঘৃণাই ঠাই লৈ বহিল। ঈৰ্ষাৰ বাবেই তুমি অদ্ভুত শক্তি প্ৰয়োগ কৰি সেই মানৱৰ এই দুৰ্দশা কৰিলা। ইয়াৰপৰাই প্ৰমাণ হয় তুমি কিমান দুষ্ট। এই মুহূৰ্ত্তৰেপৰা মই তোমাক ঘৃণা কৰিবলৈ লম।" এইবুলি কৈ চতুস্বৰী আকাশমাৰ্গেদি গন্ধৰ্বলোকলৈ উৰা মাৰিলে। ভয় খাই অজৰেও চতুস্বৰীৰ পাছে পাছে গ'ল।

যশোধৰ এই বিচিত্ৰ স্থিতিৰপৰা বাহিৰ ওলাব পৰাৰ আগতেই তেওঁ এজাক প্ৰচণ্ড ধুমুহাৰ কবলত পৰিল। ধুমুহাত তেওঁ ক্ষিপ্ৰ গতিৰে ঘূৰি ঘূৰি আকাশৰ ফালে উৰবলৈ ধৰিলে। সেই ধুমুহাই তেওঁক বহুত দূৰলৈ নি পেলাই দিলে। এইদৰে তললৈ আহি থকা যশোধৰে এটা ভাটোৰ নেজত ধৰিলে আৰু তাৰ ওপৰত বহি ল'লে। ভাটৌটো আছিল আনন্দগিৰি ৰাজ্যৰ একমাত্ৰ কন্যা ৰাগলতাৰ পোহনীয়া ভাটৌ। সেই সময়ত ৰাগলতাই নিজৰ সখিয়েকহঁতৰ লগত বল খেলি আছিল।

আঙুলিৰ দৰে মুকুট, মটৰমাহৰ দৰে পাদুকা, জলকীয়াৰ ঠাৰিৰ দৰে তৰোৱাল, ভেঞুৰ আকৃতিৰ দেহ আৰু বিন্দুসদৃশ চকুদুটাৰে যশোধৰক বৰ বিচিত্ৰ দেখা গৈছিল। সেই বিচিত্ৰ ৰূপধাৰী যশোধৰক দেখি যুৱৰাণী আৰু তেওঁৰ সখিয়েকসকলে

তৎক্ষণাৎ যশোধৰক ঘেৰি ধৰিলে। "অদ্ভুত, এনেকৈ চলাফিৰা কৰিব পৰা বিচিত্ৰ পুতলা আজিলৈকে মই দেখাই নাছিলো।" এইবুলি কৈ ৰাগলতাই যশোধৰক নিজৰ হাতত তুলি ধৰিলে।

ৰাগলতাৰ সৌন্দৰ্য দেখি স্বাভাৱিকতে যশোধৰও আচৰিত হ'ল। তেওঁ যুৱৰাণীক নিজৰ কৰি ল'ব খুজিলে। কিন্তু যশোধৰে সিদ্ধান্ত ল'লে নিজৰ বিষয়ে এতিয়াই ৰাগলতাক একো নকয়। এনেকুৱা ক্ষুদ্ৰ আকৃতিলৈ নিজৰ ৰূপ কিয় পৰিৱৰ্ত্তন হ'ল সেই কথা যুৱৰাজে জনা নাছিল যদিও এটা কথা তেওঁ বিশ্বাস কৰিছিল যে এদিন নহয় এদিন তেওঁ নিজৰ ৰূপ ঘূৰাই পাব আৰু তেতিয়াই যুৱৰাণীক বিয়া কৰাব।

"মই পুতলা নহয়, এজন ডাঙৰ বীৰ। মই আদেশ দিলে অগণন সেনা উপস্থিত হ'ব।

যুদ্ধত মই কিমান যে শত্রুক ধৰাশায়ী কৰিছোঁ সি অবিশ্বাস্য। মোৰ বীৰত্ব অতুলনীয়।" যশোধৰে ক'লে।

"ক্ষুদ্ৰতম মানৱ হৈয়ো মুখত বৰ বৰ কথা।" সখিয়েক সকলে ঠাট্টা কৰি ক'লে। কিন্তু যুৱৰাণীয়ে যশোধৰৰ ফালে একেথৰে চাই থাকিল।

ইয়াৰ পাছত ৰাগলতাই তেওঁৰ সৈতে ইটো সিটো কথা পাতি থাকিল। যেতিয়াই যুৱৰাণী বনবিহাৰলৈ গৈছিল তেতিয়াই যশোধৰক নিজৰ লগত লৈ গৈছিল। অলপ দিনৰ ভিতৰতে সেইখন যশোধৰৰ নিজৰ ঘৰ যেন হৈ পৰিল।

ৰাগলতাই খুব সুন্দৰ চিত্ৰ তৈয়াৰ কৰিছিল। তেওঁ যুৱৰাজৰ এখন লঘু চিত্ৰ আঁকিলে আৰু সেইখন মনোযোগেৰে চাই থাকোতে যশোধৰে পিছফালৰ পৰা মাত লগালে, "সুন্দৰী, মই তোমাৰ প্ৰেমাসক্ত। যেতিয়া মই সাধাৰণ মানৱ হম, তেতিয়া মই তোমাক বিয়া কৰাম।" এই কথা শুনি ৰাগলতা আচৰিত হ'ল আৰু পিছলৈ ঘূৰি মিচিকিয়াই হাঁহিলে।

অজৰে গন্ধৰ্ব লোকৰপৰা এই দৃশ্য চাই আছিল। ওচৰতে বহি থকা চতুস্বৰীক তেওঁ ক'লে, "দেখিলানে প্ৰেম কিমান মহৎ। ক্ষুদ্ৰ শৰীৰধাৰী হৈয়ো যশোধৰে ৰাগলতাক প্ৰেম কৰিছে। কেৱল সৌন্দৰ্যই শেষ কথা নহয়। যুৱতীৰ হৃদয়ো কুসুমৰ দৰে কোমল হোৱা উচিত। তোমাৰ হৃদয়তো পাথৰৰ দৰে টান।"

"যশোধৰৰ জীৱনৰ লগচ এতিয়াও তুমি খেলা কৰি আছা। তুমি দুষ্ট নহয় আন কোন হ'ব?" চতুস্বৰীয়ে কঠোৰ ভাষাৰে ক'লে।

"মোক বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিয়া যদি এই মুহূৰ্ত্ততে মই তেওঁক সাধাৰণ মানৱলৈ পৰিৱৰ্ত্তিত কৰিম।" অজৰে ক'লে।

"তোমাৰ দৰে ব্যক্তিৰ সৈতে প্ৰেম কেনেকৈ কৰো, যি সুযোগৰ অপব্যৱহাৰ কৰে।" এইবুলি কৈ চতুস্বৰী তাৰপৰা কোবেৰে গুচি গ'ল।

ইফালে ভূলোকত অনন্তপ্ৰভুৱে কন্যাৰ সয়ম্বৰৰ যা যোগাৰ কৰিছিল। এই কথা গম পাই ৰাগলতাই পিতাকক ক'লে, "পিতাশ্ৰী, সয়ম্বৰৰ ঘোষণা নকৰিব। বিশ্বাস কৰক আপোনাৰ ইচ্ছা অনুসাৰেই মোৰ বিয়া হ'ব।" পিতাকক ৰাগলতাই বহুত বুজালে।

ইয়াৰ পাছত ৰাগলতা উদ্যানবনলৈ গ'ল আৰু যশোধৰক এই খবৰটো জনাই ক'লে, "যদি এই কথা গম পোৱা হয় যে তুমি এই ৰূপ পালা কেনেকৈ তেতিয়া তাৰপৰা তোমাক মুক্ত কৰিবলৈ মই পথৰ অন্বেষণ কৰিম। কিন্তু তুমি

নিজেই এই কথা নাজানা বুলি মোক কৈছা। ডাঙৰ মানুহে কয় বহুত দিন আগেয়ে দেৱলোকৰ কাৰোবাৰ হঠতাৰ বাবে ভূলোকৰ নিবাসী ৰজা হৰিচন্দ্ৰৰ অনেক দুৰ্গতি হৈছিল। পিছত যেনেকৈ তেওঁৰ কষ্ট দূৰ হৈছিল তেনেকৈ তুমি তোমাৰ আচল ৰূপ নোপোৱালৈকে মই প্ৰতীক্ষা কৰিম।" দীঘলীয়া উশাহ লৈ ৰাগলতাই ক'লে।

যশোধৰে ভাবি উলিয়াব পৰা নাছিল কি কৰা যায়। তেওঁ যুৱৰাণীলৈ একেথৰে চাই থাকিল।

চতুস্বৰীয়ে এই দৃশ্য গন্ধৰ্বলোকৰপৰা চাই আছিল। তেওঁ কঠোৰ স্বৰেৰে অজৰক ক'লে, "দেখিলা, দ্বেষপূৰ্ণ, তোমাৰ বুদ্ধিয়ে যশোধৰক কেনে দীন স্থিতিত পেলালে?"

"এতিয়াও একো অপকাৰ হোৱা নাই। মোৰ সৈতে বিবাহৰ বাবে তুমি সন্মতি দিলেই যশোধৰে আচল ৰূপ ঘূৰাই পাব।" অজৰে স্পষ্টকৈ ক'লে।

তাতে ক্ৰোধান্বিত হৈ চতুস্বৰীয়ে ক'লে, "কোনো কাৰণ নোহোৱাকৈ তুমি যশোধৰক কষ্ট দিলা। তোমাৰ এই দুষ্ট বুদ্ধি অসহনীয়। তুমি সাধাৰণ মানুহ হৈ ভূলোকত থাকি কষ্ট ভোগ কৰাগৈ। তাত থাকি তুমি কৰুণা, দয়া, প্ৰেম আৰু উত্তম গুণ আয়ত্ব কৰিব পাৰিলেহে, তুমি মানৱ ৰূপৰপৰা মুক্তি পাবা। আৰু মোক বিবাহ কৰাৰ যোগ্য হৈ উঠিবা। মোৰ প্ৰেম যিহেতু নিষ্কলংক, গতিকে এই অভিশাপ নিশ্চয় ফলিয়াব।"

পিছ মুহূৰ্ত্তে অজৰ মানৱ ৰূপত ভূলোকলৈ আহিল। যশোধৰ শাপমুক্ত হ'ল। তেওঁ সাধাৰণ মানৱৰ ৰূপ লাভ কৰিলে। নিজৰ পৰিচয় দি যশোধৰে ৰাগলতাৰ ডিঙিত বৰমাল্য অৰ্পণ কৰিলে।



এই কাহিনীটো কৈ উঠি বেতালে বিক্ৰমাদিত্যক সুধিলে, "ৰাজন, চতুস্ৱৰীৰ অন্তৰত সঁচাই অজৰৰ বাবে স্থান আছিলনে? তেওঁ সঁচাকৈয়ে অজৰক প্ৰেম কৰিছিলনে? সঁচাই যদি অজৰৰ প্ৰতি তেওঁৰ অন্তৰত প্ৰেম আছিল তেন্তে অজৰক তেওঁ বিবাহত সন্মতি দিয়া হ'লে যশোধৰেও বহুত আগতেই নিজৰ প্ৰকৃত ৰূপ ঘূৰাই পালোহেঁতেন। যশোধৰে যে নিজৰ আচল ৰূপ ঘূৰাই পালে তাৰ কাৰণ কি? ৰাগলতাৰ প্ৰতি তেওঁৰ প্ৰেমেই ইয়াৰ কাৰণ নেকি? নে ইয়াৰ আন কিবা কাৰণ আছে? মোৰ এইবোৰ সন্দেহৰ সমিধান যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।"

বিক্ৰমাদিত্যই ক'লে, "প্ৰথমৰেপৰা চতুস্ৱৰীৰ হৃদয় অজৰৰ প্ৰতি প্ৰেমেৰে পূৰ্ণ হৈ আছিল। অজৰেও তেওঁক খুব ভাল পাইছিল, কিন্তু অজৰৰ স্বাৰ্থভৰা দ্বেষ চতুস্ৱৰীয়ে সহ্য কৰিব নোৱাৰিলে। অকাৰণতে যশোধৰক শাপ দি তেওঁক কষ্ট দিয়া কথাটো চতুস্ৱৰীয়ে মুঠেই ভাল পোৱা নাছিল। অজৰৰ স্বভাৱলৈ পৰিৱৰ্তন আনিবলৈ তেওঁ চেষ্টা কৰিছিল। কিন্তু স্বাৰ্থান্বেষী অজৰ আনৰ দুখ বুজি পাব পৰা অৱস্থাত নাছিল। যশোধৰৰ দুঃস্থিতি চতুস্ৱৰীয়ে সহ্য কৰিব নোৱাৰিলে। সেয়েহে এদিন অতীষ্ঠ হৈ তেওঁ অজৰক অভিশাপ দিলে।

"এইদৰে তেওঁ যশোধৰক শাপমুক্ত কৰিলে। যদিহে কোনো গন্ধৰ্বই নিজৰ অদ্ভুত শক্তি প্ৰয়োগ কৰে তেন্তে আন এজনে সেইটো নোহোৱা কৰিব নোৱাৰে। এতিয়া আহিল যশোধৰ আৰু ৰাগলতাৰ প্ৰেমৰ কথা। এই প্ৰেম হৃদয় প্ৰধান, উন্নত প্ৰেম, সহজ প্ৰেম। মানৱ ৰূপলৈ সলনি হোৱাৰ পাছত অজৰে তেওঁৰ বিশেষ শক্তি হেৰুৱাই পেলালে। সেয়েহে তেওঁ যশোধৰৰ ওপৰত যি শক্তি প্ৰয়োগ কৰিছিল, সেই শক্তি এতিয়া ব্যৰ্থ হ'ল। এনেকৈ কোৱাটোৱেই শুদ্ধ হ'ব যে অজৰৰ দ্বেষেই শেষত যশোধৰৰ কল্যাণ সাধন কৰিলে।

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ অদৃশ্য হৈ গ'ল আৰু পুনৰ সেই গছজোপাত ওলমি থাকিলগৈ।

(কাৰ্তিকৰ ৰচনাৰ আলম লৈ)

সংবাদ বিচিত্ৰা

গ্ৰহৰ ভাৰতীয় নাম



পাট্টাজী হ'ল কেৰালাৰ কোল্লাম বা কিউলন জিলাৰ এখন গাঁও। যোৱা মেই মাহত নাচাই গাঁওখনৰ নামেৰে এটা সৰু গ্ৰহৰ নামকৰণ নকৰালৈকে বহুত মানুহে গাঁওখনৰ বিষয়ে একো নাজানিছিল। এই গ্ৰহটো পহিলা ফেব্ৰুৱাৰী ১৯৮৯ চনত আৱিষ্কাৰ কৰিছিল আমেৰিকা যুক্তৰাষ্ট্ৰত থকা তামিলনাডুৰ কাৱালুৰৰ বিজ্ঞানী আৰ.ৰাজামোহনে। অস্থায়ীভাৱে গ্ৰহটোৰ নাম ৰখা হৈছিল 5178 No. CD4। উনৈশ বছৰৰ পাছত কোল্লামৰ শ্ৰী নাৰায়ণ কলেজৰ প্ৰাণীবিদ্যাৰ প্ৰবক্তা আৰু গাঁওখনৰ বাসিন্দা ড.চাইনুদ্দিনৰ সন্মানাৰ্থে এই গ্ৰহটোৰ স্থায়ী নাম দিয়া হয় পাট্টাজী। পৰিৱেশ সংৰক্ষণত তেওঁৰ অৱদানৰ স্বীকৃতিকল্পে।

অগ্ৰীম বুকিঙ

১৯৭৩ চনৰ ২৮ জুনত গোপাল দেই এটা শাৰীত থিয় হৈ এশ বছৰৰ পাছত অৰ্থাৎ ২০৭৩ চনৰ ২৮ জুনত কলকাতাৰপৰা জামছেদজী টাটাৰ নামেৰে নামকৰণ কৰা জামজেদপুৰলৈ টাটা এক্সপ্ৰেছেৰে ভ্ৰমণ কৰিবলৈ এটা টিকট ক্ৰয় কৰে। এতিয়া তেওঁৰ বয়স ৬০ বছৰ আৰু ভ্ৰমণৰ দিনা তেওঁৰ বয়স হ'বগৈ ১২৫ বছৰ। শ্ৰী দেই এই ভ্ৰমণ নিজে কৰিব পাৰিব বুলি আশা কৰা নাই, সেইদিনা তেওঁৰ হৈ তেওঁৰ নাতিয়েকে এই ভ্ৰমণ কৰিব পাৰিব বুলি তেওঁ আশা কৰিছে।

নতুন এভাৰেষ্ট অভিলেখ



বিশ্বৰ সৰ্বোচ্চ শৃংগ, ৮৮৫০ মিটাৰ উচ্চতাৰ এভাৰেষ্টত ভৰি দিয়া প্ৰথম মাক জীয়েক যুটীৰ সন্মান লাভ কৰিছে অষ্ট্ৰেলিয়াৰ চিডনীৰ চেৰিল বাৰ্ট আৰু নিক্কিয়ে। যোৱা ২৪ মেইত তেওঁলোকে এই শৃংগটো আৰোহণ কৰে। পিছদিনা পুৱা, ৭৫ বছৰীয়া মিন বাহাদুৰ শ্বেৰচানে এই শৃংগ আৰোহণ কৰা সবাতোকৈ বয়সস্থ ব্যক্তিৰ সন্মান লাভ কৰে। ইয়াৰ এসপ্তাহ আগেয়ে আপ্পাশ্বেৰপাই অষ্টাদশ বাৰৰ বাবে শৃংগটো আৰোহণ কৰি বিশ্ব অভিলেখ গঢ়ে।

ইন্দ্ৰজিত

ৰাৱণাসুৰে তেওঁৰ অদ্ভুত তপোশক্তিৰ বলেৰে ব্ৰহ্মা আৰু শিৱক প্ৰসন্ন কৰিছিল। তেওঁ বেদৰ গভীৰ অধ্যয়ন কৰিছিল। দিক্‌পালকক ভয়-কম্পিত কৰিছিল। তেওঁ প্ৰমাণ কৰি দেখুৱাইছিল যে তেওঁৰ ওচৰত যিমানখিনি সম্পত্তি আছে, আন কাৰোৱেই ওচৰত নাই। কিন্তু তেওঁ ধৰ্মমাৰ্গ এৰি অধৰ্মৰ পথ লৈছিল। সেয়েহে তেওঁ নিজৰ আপোন সকলোকে হেৰুৱাই বিষাদ নায়ক হৈ ৰৈ গৈছিল।

এনে এজন ৰাৱণ আৰু পতিব্ৰতা মন্দোদৰীৰেই জ্যেষ্ঠ পুত্ৰ আছিল ইন্দ্ৰজিত। ভাল আৰু বেয়া সকলো অৱস্থাতেই তেওঁ পিতাকক লগ দিছিল। পিতাকৰ আদেশ শিৰোধাৰ্য কৰি তেওঁ শেষলৈকে শত্ৰুৰ লগত যুদ্ধ কৰি প্ৰাণত্যাগ কৰিছিল। পিতাককেই তেওঁ সৰ্বস্ব জ্ঞান কৰিছিল আৰু পিতাকৰ সেৱাতেই তেওঁ নিজকে সমৰ্পণ কৰিছিল। সেয়েহে তেওঁ বীৰকুমাৰ নামেৰে প্ৰখ্যাত হৈছিল।

মহেশ্বৰৰ তপস্যা কৰি মেঘনাথ তেওঁৰ কৃপাৰ পাত্ৰ হৈছিল আৰু অদ্ভুত শক্তিৰ অধিকাৰী হয়। যেতিয়া পিতাক ৰাৱণ ইন্দ্ৰৰ লগত যুদ্ধ কৰিবলৈ গৈছিল তেতিয়া মেঘনাদো পিতাকৰ লগত গৈছিল। ইন্দ্ৰই ৰাৱণক পৰাভূত কৰি তেওঁক বন্দী কৰি থৈছিল। তেতিয়া মেঘনাথে অদৃশ্য হৈ ৰাক্ষস মায়াৰে ইন্দ্ৰক চোঁচৰাই লৈ যাওঁতে, ইন্দ্ৰক এৰি দিবলৈ মেঘনাদক ব্ৰহ্মাই খাটনি ধৰিছিল। ইন্দ্ৰক পৰাভূত কৰাৰ বাবেই তেওঁৰ আচল নাম মেঘনাদ সকলোৱে পাহৰি যায় আৰু তেতিয়াৰেপৰা তেওঁ ইন্দ্ৰজিত নামেৰে বিখ্যাত হৈ পৰে।

হনুমানে যেতিয়া লংকাত প্ৰৱেশ কৰি সীতাক লগ ধৰে, তেতিয়া তেওঁ কিংকৰ, জম্বুমালি, অক্ষকুমাৰ আদি ৰাক্ষসবীৰক সংহাৰ কৰে। সকলো ধ্বংস কৰে। তেতিয়া ইন্দ্ৰজিতে পিতাকৰ আজ্ঞা পালন কৰি হনুমানৰ ওপৰত বাণৰ বৰষুণ এৰে। বাণে হনুমানক

স্পৰ্শ কৰা নাছিল। তেতিয়া ইন্দ্ৰজিতে ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰি হনুমানক বন্দী কৰি পিতাকৰ সমুখত হাজিৰ কৰোৱাইছিল।

ভায়েক বিভীষণে ৰাৱণক পৰামৰ্শ দিছিল যে তেওঁ যেন সীতাক এৰি দি ৰামৰ সৈতে মৈত্ৰী কৰে। ৰাৱণে তাৰ বিৰোধিতা কৰিছিল। ইয়াৰ বাবে বিভীষণক ভৰ্ৎসনা কৰি ৰাৱণে কৈছিল যে সংকট কালত শত্ৰুলৈ ভয় কৰি শত্ৰুৰ আশ্ৰয় লোৱা উচিত নহয়।

ৰাম ৰাৱণৰ যুদ্ধ আৰম্ভ হ'ল। বানৰ আৰু ৰাক্ষসৰ মাজত ভীষণ যুদ্ধ হৈ আছিল। ইন্দ্ৰজিতে গুৰুৰ উপদেশ লাভ কৰিলে, হোমযজ্ঞ কৰিলে আৰু হোমৰপৰা ওলোৱা সুবৰ্ণ ৰথত উঠি যুদ্ধক্ষেত্ৰলৈ গ'ল। প্ৰথমে তেওঁ অঙ্গদৰ লগত দ্বন্দ্ব যুদ্ধ কৰিলে। অংগদে যেতিয়া তেওঁৰ সাৰথি আৰু ঘোঁৰাবোৰক মাৰি পেলালে তেতিয়া তেওঁ অদৃশ্য হৈ মায়াবী যুদ্ধ কৰিবলৈ ধৰিলে।

ৰাম আৰু লক্ষ্মণ দুয়োকে তেওঁ নাগপাশেৰে বান্ধি পেলালে আৰু তেওঁলোকৰ শৰীৰ বাণেৰে ভৰাই পেলালে, যাৰ ফলত দুয়ো অচেতন হৈ পৰিল। বানৰবোৰে ভয় খাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তেতিয়া গৰুড় আৰ্বিভূত হৈ ৰাম লক্ষ্মণক নাগপাশৰ-পৰা মুক্ত কৰে। তেতিয়াহে ৰাম লক্ষ্মণৰ চেতনা আহে।

ইয়াৰ পাছত কুকুৰনেচীয়া বাঘ আৰু সিংহৰ মুখ থকা গাধৰ ৰথত উঠি ধূম্ৰাক্ষ যুদ্ধক্ষেত্ৰলৈ আহিল, তেতিয়া হনুমানে পৰ্বতৰ দৰে বিশাল শিলাখণ্ড সেই ৰাক্ষসৰ

গালৈ নিক্ষেপ কৰি তাক বধ কৰে। ইয়াৰ পাছত অংগদে ৰাক্ষস বজ্ৰদষ্টুৰ শিৰচ্ছেদ কৰে। অকম্পনক হনুমানে গছ ওঘালি তাৰে বধ কৰে। প্ৰহস্ত নামৰ দানৱ বীৰে ভীষণ যুদ্ধ কৰি শেষত নীলৰ হাতত প্ৰাণত্যাগ কৰে।

ক্ৰোধান্বিত ৰাৱণ যুদ্ধক্ষেত্ৰলৈ আহে আৰু প্ৰথমে তেওঁ হনুমানৰ ওপৰত তীক্ষ্ণ বাণ চলায়। ৰামে যেতিয়া এইটো দেখিলে তেতিয়া তেওঁ ৰাৱণৰ বক্ষলৈ বিজুলীৰ দৰে বাণ এৰে। তেওঁ ৰাৱণৰ মুকুট খহাই দিয়ে। ইয়াৰ পাছত ৰামে ৰাৱণৰ সাৰথি আৰু ঘোঁৰাবোৰক মাৰে আৰু ৰাৱণক ক'লে, "এতিয়া তোমাৰ ওচৰত কোনো অস্ত্ৰ নাই। আজি যুদ্ধক্ষেত্ৰৰপৰা ঘূৰি যোৱা আৰু অস্ত্ৰসহিত কাইলৈ আহিবা।" এইবুলি কৈ ৰামে ৰাৱণক এৰি দিয়ে।

ৰাৱণৰ দৰ্প চূৰ্ণ হ'ল। অপমানিত হৈ যুদ্ধক্ষেত্ৰৰপৰা তেওঁ ঘূৰি যাবলগীয়া হ'ল। তাৰপাছত তেওঁ গভীৰ নিদ্ৰাত থকা মহাবলী কুম্ভকৰ্ণক জগাই পৰিস্থিতিৰ বিৱৰণ দিয়ে। প্ৰথমতে কুম্ভকৰ্ণই ৰাৱণক বুজাইছিল যে ৰামৰ লগত যুদ্ধ নকৰিবা আৰু সীতাক সসন্মানে ঘূৰাই দিয়া। ইয়াৰ বাবে যুদ্ধ কৰাটো ঠিক কথা নহয়। কিন্তু ক্ৰোধান্বিত হৈ ৰাৱণে কুম্ভকৰ্ণক ককৰ্থনা কৰিবলৈ ধৰিলে। যেতিয়া ৰাৱণে তেওঁৰ পৰামৰ্শ নামানিলে, তেতিয়া কুম্ভকৰ্ণ ৰামৰ লগত যুদ্ধ কৰিবলৈ সাজু হ'ল। পৰ্বত আকাৰৰ ত্ৰিশূল লৈ তেওঁ যুদ্ধক্ষেত্ৰত প্ৰবেশ কৰিলে। সমুখলৈ অহা প্ৰতিটো বান্দৰকে কুম্ভকৰ্ণই ভক্ষণ কৰাত বিৰাট হুলস্থূল লাগিল। তেওঁৰ সমুখলৈ অহা সুগ্ৰীৱ আৰু হনুমানেও কুম্ভকৰ্ণৰ হাতত বেয়াকৈ মাৰ খালে। শেষত ৰামে ইন্দ্ৰাস্ত্ৰ প্ৰয়োগ কৰি কুম্ভকৰ্ণৰ হাত, ভৰি আৰু মূৰ কাটি পেলালে। ইয়াৰ পাছত অতিকায় আৰু পাঁচজন বীৰক তেওঁ নিধন কৰে।

দুখত ডুবি থকা ৰাৱণক শান্ত কৰি ইন্দ্ৰজিত যুদ্ধক্ষেত্ৰলৈ যাবলৈ সাজু হয়। যুদ্ধক্ষেত্ৰৰ চাৰিওফালে ৰাক্ষসসকলক থিয় কৰাই তেওঁ হোম কৰিলে। ইয়াৰ পাছত ব্ৰহ্মাস্ত্ৰ জপ কৰিলে আৰু ধনু তথা ৰথক অভিমন্ত্ৰিত কৰিলে। তাৰপাছত ৰথৰ সৈতে আকাশত অদৃশ্য হৈ পৰিল। তাৰপৰা ৰাম আৰু লক্ষ্মণৰ ওপৰত বাণ বৰষিবলৈ ধৰিলে। এই বাণৰ বৰ্ষাত সকলো অচেতন হৈ পৰিল। ইন্দ্ৰজিতে প্ৰয়োগ কৰা ব্ৰহ্মাস্ত্ৰই লক্ষ্মণক অচেতন কৰি পেলালে। বহুত সুখী হৈ ইন্দ্ৰজিত ঘূৰি আহিল। ইয়াৰ পাছত জাম্বৱন্তৰ পৰামৰ্শ লৈ হনুমান

হিমালয়লৈ গ'ল আৰু তাৰপৰা সঞ্জীৱনী ঔষধৰ বাবে গোটেই পৰ্বতটোকে দাঙি আনিলে আৰু তাৰে লক্ষ্মণ আৰু সকলোকে বচালে। বান্দৰে লংকা নগৰী ঘেৰি ল'লে। ৰাৱণে কুম্ভকৰ্ণৰ পুত্ৰ কুম্ভনিকুম্ভক পঠিয়ালে সুগ্ৰীৱ আৰু হনুমানে এই বীৰক বধ কৰিলে।

ৰাম আৰু লক্ষ্মণক যিকোনো অৱস্থাতে বধ কৰিবলৈ আদেশ দি ৰাৱণে ইন্দ্ৰজিতক যুদ্ধলৈ পঠিয়ালে। যুদ্ধক্ষেত্ৰত প্ৰবেশ কৰাৰ পাছত অদৃশ্য হৈ আকাশৰপৰা ৰাম লক্ষ্মণৰ ওপৰত বাণৰ বৰষুণ দিবলৈ ধৰিলে। শত্ৰুৰ আত্মবিশ্বাস নোহোৱা কৰিবলৈ তেওঁ মায়াৰ বলত সীতাৰ সৃষ্টি কৰিলে। হনুমানৰ সমুখতে সেই মায়া সীতাক বিভিন্ন ধৰণে প্ৰৰোচিত কৰি মাৰি পেলালে। ভয় খাই বানৰ বীৰসকলে এই বাতৰি ৰামক দিলেগৈ।

সেই সময়ত তালৈ অহা বিভীষণে ক'লে যে, "এইবোৰ সকলো মায়া। ইন্দ্ৰজিতেই এই মায়া কৰিছে। এতিয়া তেওঁ হোম কৰিবলৈ নিকুম্ভল চৈত্যলৈ গৈছে। তাৰ আগতেই তালৈ যোৱা উচিত। ইয়াৰ বাবে লক্ষ্মণ তালৈ যোৱাটো অনিবাৰ্য।"

যেতিয়াই ইন্দ্ৰজিতে গম পালে যে লক্ষ্মণ বাণৰ সেনা লৈ তালৈ আহিছে তেতিয়া তেওঁ হোম সম্পূৰ্ণ নকৰাকৈ হনুমানৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে।

বিভীষণে ইন্দ্ৰজিতৰ ওপৰত বাণ এৰিবলৈ লক্ষ্মণক উৎসাহিত কৰিলে। তাকে দেখি ইন্দ্ৰজিতে বিভীষণক ক'লে, "মোৰ সম্পৰ্কীয় হৈয়ো, মোৰ বিৰুদ্ধে আপুনি দ্ৰোহ আচৰিছে। শত্ৰুৰ লগত মিলি এনে নীচ কাম কৰিবলৈ আপোনাৰ লাজ লগা নাইনে? কেনে নিলাজ আপুনি?"

তাৰপাছত ইন্দ্ৰজিতে লক্ষ্মণৰ ওপৰত বাণ চলাই সিংহনাদ কৰিবলৈ ধৰিলে। দুয়ো সমকক্ষ। বিভীষণেও ইন্দ্ৰজিতৰ লগত যুদ্ধ দিলে। লক্ষ্মণে ইন্দ্ৰজিতৰ ৰথৰ সাৰথিক মাৰিলে, বাণৰ বীৰসকলে মাৰিলে ঘোঁৰাবোৰক। চাঁওতে চাঁওতে ইন্দ্ৰজিতক এখন নতুন ৰথত দেখা গ'ল। বিভীষণে এই ৰথৰ ঘোঁৰাবোৰ মাৰি পেলালে। ইন্দ্ৰজিতে মাটিত নামি লক্ষ্মণৰ ওপৰত দিব্যাস্ত্ৰ এৰিলে। শেষত নিজৰ দিব্যাস্ত্ৰৰে লক্ষ্মণে ইন্দ্ৰজিতৰ শিৰচ্ছেদ কৰে।



ঋষি কবিৰ প্ৰতিমূৰ্ত্তি

অন্ধ্ৰপ্ৰদেশৰ কাডাপা জিলাৰ তেওঁৰ জন্মস্থানত অলপতে আন্নামাচাৰ্যৰ ১০৯ ফুট ওখ এটা প্ৰতিমূৰ্ত্তি উন্মোচন কৰা হয়। ১৪০৮ চনত জন্ম লাভ কৰি ৯৫ বছৰ জীয়াই থকা এই ঋষি কবিজনৰ ৬০০ বছৰীয়া জন্ম জয়ন্তীৰ উপলক্ষে এই প্ৰতিমূৰ্ত্তি উন্মোচন কৰা হয়। তেওঁ ভেংকটশ্বৰক (সাতটা পৰ্বতৰ ভগৱান) স্তুতি কৰি প্ৰায় ৩২০০০ কীৰ্ত্তন (গীত) ৰচনা কৰিছিল বুলি বিশ্বাস কৰা হয়। তেওঁৰ গীতবোৰে তেলুগু সাহিত্যক সমৃদ্ধ কৰিছে। এই জন্ম জয়ন্তী উৎসৱৰ মূল আকৰ্ষণ আছিল এটা সংকীৰ্ত্তন যাত্ৰাত যোৱা প্ৰায় ১০০০ শিল্পীৰদ্বাৰা তেওঁৰ কীৰ্ত্তনসমূহৰ আবৃত্তি।

ই সম্ভৱ হয় ভাৰততহে

এম. বশ্বিৰীবাঈ। তামিলনাডুৰ চিদাম্বাৰমৰ ওচৰৰ কিল্লাই গাঁৱৰ বাসিন্দা। দহবছৰৰ আগতে তেওঁ দেখা এটা সপোনত এগৰাকী দেৱীয়ে আদেশ দিলে যে তেওঁ আৰু তেওঁৰ স্বামী মহম্মদ জিন্নাই শ্ৰী মেৰিয়ান্মানৰ এটা মন্দিৰ স্থাপন কৰক। জ্যোতিষী-সকলে তেওঁলোকক এই দৈৱ আদেশ পালন কৰিবলৈ পৰামৰ্শ দিলে। সাধাৰণ ভাৱে তেওঁলোকে মন্দিৰটো নিৰ্মাণৰ কাম আৰম্ভ কৰিলে। পঞ্চলোহাৰে (পাঁচটা খনিজাত দ্ৰব্য) নিৰ্মিত ৫ ফুট ওখ এটা মূৰ্ত্তি তেওঁলোকে মন্দিৰত স্থাপন কৰিলে। 'কুম্ভাভিষেকম'ৰ পাছত নিয়মীয়া পূজা আৰু ৰীতি নীতি আৰম্ভ হ'ল। এগৰাকী ব্ৰাহ্মণ পুৰোহিতৰপৰা পূজাৰ ৰীতি শিকি লোৱা বশ্বিৰীবাইক (৪৮) তেওঁৰ স্বামী জিন্নাই মন্দিৰত দৈনিক পূজা কৰিবলৈ অনুমতি দিয়ে।

মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-১৮

মালয়ালম ভাষাৰ খ্যাতনামা লেখক, চি.ৰাধাকৃষ্ণণে সাহিত্যৰ প্ৰায় আটাইবোৰ শাখাত ষাঠি খনৰো অধিক গ্ৰন্থ ৰচনা কৰিছে। মালয়ালম আৰু ইংৰাজীলৈ কৰা কেইখনমান অনুবাদ গ্ৰন্থও তেওঁৰ কলমৰপৰা ওলাইছে। পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী ৰাধাকৃষ্ণণে বিজ্ঞানৰ ওপৰত লিখিবলৈ লয়। তেওঁ প্ৰায় বিছটা সাহিত্য বঁটা লাভ কৰিছে। সাহিত্য অকাডেমী আৰু কেৰালা সাহিত্য অকাডেমী উভয় সংস্থাৰইদ্বাৰাই তেওঁ পুৰস্কৃত হৈছে।

তৰাৰ দেশলৈ আৰু তাৰ সিপাৰলৈ

মোৰ ককাই কোৱা সাধুবোৰৰ ভিতৰত মই আটাইতকৈ ভালপোৱা এই সাধুটোৱে বাৰে বাৰে মোৰ মনত খেলা কৰি থাকে।

গুণাকৰ নামৰ এজন ডাঙৰ ৰজা আছিল। তেওঁ এজন প্ৰজাবৎসল ৰজা আছিল বাবে তেওঁৰ প্ৰজাসকল বৰ সুখী আছিল। তেওঁলোকেৰ নাছিল কেৱল সপোন। এজন ঋষিৰ অভিশাপৰ বাবে সেইখন দেশৰ প্ৰজাসকলে সপোন কি বস্তু নাজানিছিল।

গুণাকৰৰ পিতৃ দিনাকৰৰ ৰাজত্বকালত সেই ঋষিজন সেই দেশলৈ আহিছিল। দিনাকৰে অনবৰতে সপোন দেখিছিল। আনকি ঋষিয়ে ৰজাৰ লগত কথা পাতি থাকোতেও ৰজা দিবাস্বপ্নত বুৰ গৈ আছিল। অতি অসন্তুষ্ট হৈ, সেই ঋষিয়ে অভিশাপ দিলে যে সেইখন দেশত কোনেও সপোন দেখিব নোৱাৰিব। ইয়াৰ ফলত দেশত কলা আৰু বিজ্ঞানে বিকাশ লাভ কৰিব নোৱাৰিলে। এই দুয়োটাই হ'ল সপোনৰ বাস্তৱ ৰূপ।

সপোনৰ লগত অপৰিচিত হৈয়েই গুণাকৰ ডাঙৰ হৈছিল। প্ৰতিবেশী ৰাজ্যৰ ৰাজকুমাৰী ভাৱনাক বিবাহ নকৰালৈকে তেওঁ কেতিয়াও নিজ ৰাজ্যৰ সীমা পাৰ হোৱা নাছিল। নিজৰ ৰাজ্যৰ সীমা পাৰ হোৱাৰ লগে লগে তেওঁ সপোন দেখিবলৈ ধৰিলে। সেইটো এটা আচৰিত অভিজ্ঞতা আছিল। কিন্তু ৰজা আৰু তেওঁৰ কইনা ৰাজপ্ৰাসাদলৈ ঘূৰি অহাৰ পাছত দুয়ো সপোন দেখাৰ সামৰ্থ্য হেৰুৱাই পেলালে। গুণাকৰ যিহেতু সপোনবিহীন জীৱনৰ সৈতে অভ্যস্ত আছিল গতিকে এই কথাটো লৈ তেওঁৰ সিমান কষ্ট হোৱা নাছিল। কিন্তু ৰাণী ভাৱনাই এই ভয়ংকৰ ক্ষতিৰ লগত তাল মিলাই চলিবলৈ বৰ টান পালে।

দেশলৈ সপোন ঘূৰাই আনিবলৈ দুয়ো একেলগে পৰিকল্পনা কৰিবলৈ চেষ্টা কৰিলে। এই পৰিকল্পনাবোৰ যিহেতু নিজেই সপোনেই আছিল, তেওঁলোকে এই চেষ্টাত বিশেষ সুফল লাভ কৰিব নোৱাৰিলে। সেয়েহে কেইদিনমান তেওঁলোক দেশৰপৰা আঁতৰি থাকিবলৈ ঠিক কৰিলে। নিজ দেশৰ সীমা অতিক্ৰম কৰাৰ লগে লগে তেওঁলোকে সপোন দেখিবলৈ আৰম্ভ কৰিলে। শেষত, তেওঁলোকে সেই

মনত পেলালে। ধৈৰ্যৰে তেওঁলোকে অপেক্ষা কৰিলে। প্ৰথমতে জন্ম হ'ল এটি পুত্ৰ, তাৰ নাম ৰখা হ'ল মেধা। দুবছৰৰ পাছত তেওঁলোকৰ এজনী কন্যা সন্তান জন্ম হ'ল। তাৰ নাম থোৱা হ'ল প্ৰতিভা। দুয়ো বৰ মৰম লগা শিশু আছিল। ঋষি নিজেই ৰাজপ্ৰাসাদলৈ আহি দুয়োকে শিক্ষাৰ জগতৰ সৈতে পৰিচয় কৰাই দিলে। প্ৰতিটো শিশুকে ঋষিয়ে একোটোকৈ হীৰাৰ আঙঠি দিলে। এই যাদুকৰী আঙঠিয়ে সিহঁতক দিলে সপোন দেখাৰ শক্তি। স্বাভাৱিকতে, সিহঁতে প্ৰশ্ন সুধিবলৈ আৰম্ভ কৰিলে।

সোনকালেই দুয়োটি শিশুৰ আনুষ্ঠানিক শিক্ষা শেষ হ'ল। ৰজাই এদিন দুয়োকে ৰাজসভালৈ মতাই আনিলে। ৰজাই ক'লে, "মোৰ মৰমৰ শিশুহঁত, তোমালোকৰ আছে কল্পনাশক্তি।" তাৰপাছক তেওঁ মেধা আৰু প্ৰতিভাক আৰু লগতে ৰাজসভাক ক'লে, কেনেকৈ দেশখনে এটা অভিশাপত কষ্ট ভুগিবলগীয়া হৈছে আৰু এই অভিশাপ দূৰ কৰিবলৈ তেওঁ আৰু ৰাণীয়ে চলোৱা প্ৰচেষ্টাসমূহৰ কথা সদৰি কৰিলে। যুৱৰাজ আৰু যুৱৰাণীক সাৱটি ধৰি ৰজাই ক'লে, "এতিয়া তোমালোকেই এইখন দেশক এই অভিশাপৰপৰা মুক্ত কৰিব লাগিব।"

আচৰিত হ'ল যদিও, তেওঁলোকে পাৰ্যমানে চেষ্টা চলোৱাৰ প্ৰতিশ্ৰুতি দিলে, কিন্তু কামটো কেনেকৈ কৰা যায় তাকেহে ভাবি উলিয়াব নোৱাৰিলে। তেওঁলোক যাব লাগে পুনৰ্থম তৰাৰ দেশলৈ। সেই সময়ত

ঋষিজনকে লগ ধৰিবলৈ ঠিক কৰিলে।

চিৰঞ্জিৱী (চিৰদিন জীয়াই থকা) সেই ঋষিজন আছিল অঘৰী। গতিকে সেই ঋষিজনক বিচাৰি উলিয়াবলৈ ৰজা আৰু ৰাণীৰ বহুত দিন লাগিল। গৈ থাকোতে দেখা সপোনবোৰ তেওঁলোকে সাঁচিপাতত লিখি গ'ল।

ঋষিয়ে তেওঁলোক দুয়োৰে সৈতে মৰমেৰে কথা পাতিলে। ৰজাৰ ভুলৰ বাবেই গোটেই দেশখনকে শাস্তি দি ঋষি ইতিমধ্যেই অনুতপ্ত হৈছিল। কিন্তু তেওঁ ক'লে, "তোমালোকে আৰু অলপ দিন অপেক্ষা কৰিব লাগিব, তোমালোকৰ দুটি সন্তান জন্ম নোহোৱালৈকে। দুয়োৰে বয়স সপোন দেখিব পৰা হ'লে, তেওঁলোক দুয়ো পুনৰ্থম নামৰ এটি তৰাৰ দেশলৈ যাব আৰু তাতে লুকাই থকা তোমালোকৰ দেশৰ সপোনবোৰ লৈ আহিব।"

গুণাকৰ আৰু ভাৱনা নিজৰ দেশলৈ ঘূৰি আহিল। নিজ ৰাজ্যত প্ৰৱেশ কৰাৰ লগে লগে তেওঁলোকৰ অমূল্য সাচিপাতবোৰ খালী হৈ পৰিল, কিন্তু তেওঁলোকে ঋষিয়ে দিয়া আশ্বাস

দেশৰ সীমান্তত পৰ্বতৰ ওপৰত দিগন্তত দেখা গৈছিল সেই তৰাটো। পৰ্বতত আৰোহণ কৰি মেধা আৰু প্ৰতিভাই তৰাটোৰ ওচৰ চাপিবলৈ ঠিক কৰিলে।

নিজৰ পৰিকল্পনাৰ কথা তেওঁলোকে প্ৰকাশ কৰাত, ৰজা আৰু ৰাণীয়ে সন্মতি দিবলৈ অস্বীকাৰ কৰিলে। এনে এটা ওখ পৰ্বত বগাবলৈ যাওঁতে হ'ব পৰা বিপদৰ কথা ভাবি। পথটো আছিল থিয় আৰু ঠেক; বৰফতো পিছলি পৰাৰ সম্ভৱনা। বহুত ভাবি চিন্তি ৰজা ৰাণীয়ে ল'ৰা ছোৱালীদুটিক এই পথেদি আগ বাঢ়িবলৈ অনুমতি দিলে। ৰজাই দুয়োৰে লগত পঠিয়ালে কেইজনমান সৈনিক। ল'ৰা ছোৱালী দুটিয়ে সৈনিকসকলক তলৰ মূল শিবিৰতে ৰ'বলৈ ক'লে আৰু দুয়ো পৰ্বত আৰোহণৰ বাবে সাজু হ'ল। ছদিন বিপদজনক পথেৰে পৰ্বতাৰোহণ কৰি মেধা আৰু প্ৰতিভা শৃংগ পালেগৈ। কিন্তু দুয়ো হতাশ হ'ল তৰাটো তলৰ সমভূমিৰপৰা যিমান দূৰত আছিল সিমান দূৰতে আছে তৰাটো। দুয়ো ঘূৰি আহিল। তলৰ মূল শিবিৰ আহি পাবলৈ তেওঁলোকৰ তিনিদিন লাগিল। তাত সৈনিক-সকলে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছিল যুৱৰাজ আৰু যুৱৰাণীলৈ।

ঘূৰি আহি, মেধা আৰু প্ৰতিভাই দেউতাকক সকলো কথা ক'লেহি। পিছৰ ৰণকৌশল যুগুতাই উলিয়াবলৈ ৰজাই দেশৰ জ্ঞানী লোকসকলক মাতি পঠিয়ালে। তেওঁলোকে সম্পত্তিৰ দেৱতা কুবেৰ আৰু তেওঁৰ পুষ্পক বিমানখনৰ কথা ক'লে, "কুবেৰক সন্তুষ্ট কৰিবলৈ আৰু তৰাৰ দেশলৈ যাবলৈ যুৱৰাজ আৰু যুৱৰাণীক যাতে পুষ্পক বিমানখন দিয়ে তাৰ বাবে সন্মতি আদায় কৰিবলৈ আমি এক যজ্ঞ কৰিবই লাগিব।"

ৰাজগুৰুৱে এই যজ্ঞৰ যা যোগাৰ কৰিলে আৰু যজ্ঞৰ হোমত দিবলৈ এহেজাৰ কলহ ঘী অনা হ'ল। ব্ৰাহ্মণক এহেজাৰ গাই দান দিয়া হ'ল আৰু ত্ৰিছদিন ধৰি মন্ত্ৰ উচ্চাৰণ কৰা জ্ঞানী লোকসকলৰ মাজত এহেজাৰটা সোণৰ মুদ্ৰা বিতৰণ কৰা হ'ল। শেষৰ দিনা যজ্ঞৰ অগ্নিশিখাৰপৰা কুবেৰ আৰ্বিভূত হ'ল আৰু মেধা আৰু প্ৰতিভাক আশীৰ্বাদ দিলে আৰু তেওঁলোকেহে কেৱল স্বৰ্গীয় ৰূপত কুবেৰক দেখা পাইছিল। তেওঁ দুয়োটি শিশুক ক'লে যে পুষ্পক বিমান কেৱল স্বৰ্গ, ভূমি বা পাতাললৈহে যাব পাৰে আৰু ই কোনো তৰাৰ দেশলৈ যাব নোৱাৰে।

"হে প্ৰভু, আমাৰ প্ৰজাৰ সপোনবোৰ মুকলি কৰি দেশলৈ আনিবলৈ আমি পুনৰ্থমলৈ যাবই লাগিব," মেধাই খাটনি ধৰিলে।

"মই তোমালোকক পৰামৰ্শ দিওঁ, তোমালোকে সহায় বিচাৰা মহৰ্ষি ব্যাসৰপৰা যি সূৰ্য, চন্দ্ৰ, আৰু তৰাবোৰকে ধৰি এই বিশ্বব্ৰহ্মাণ্ডৰ কথা জানে।"

"কিন্তু প্ৰভু আমি সেইজন মহৰ্ষিক লগ পাম ক'ত?" মেধাই সুধিলে।

কুবেৰে তেতিয়া সেই মহৰ্ষিৰ এটা বিৱৰণ দি অদৃশ্য হৈ গ'ল।

যুৱৰাজ আৰু যুৱৰাণীয়ে পাছৰ কেইটামান দিন পাৰ কৰিলে প্ৰাৰ্থনা কৰি, আৰু হীৰাৰ আঙুঠি দুটাৰ সহায় লৈ মহৰ্ষি ব্যাসৰ কল্পনা কৰিবলৈ ধৰিলে। মহৰ্ষিয়ে দুয়োকে সপোনত দেখা দিলে। "হে মহৰ্ষি, পুনৰ্থম তৰাৰ দেশলৈ কেনেকৈ যাব পাৰি অনুগ্ৰহ কৰি আমাক ক'বনে?" দুয়ো খাটনি ধৰিলে।

মহৰ্ষিয়ে মিচিকিয়া হাঁহি মাৰি ক'লে, "তোমালোকৰ যাত্ৰা আৰম্ভ হোৱাৰ আগতে তোমালোকে এটা কথা বুজি পাবই লাগিব যে আকাশ দুখন আছে," ব্যাসে ক'লে।

"সেই দুখননো ক'ত আছে মহৰ্ষি?" মেধা আৰু প্ৰতিভাই সুধিলে।

"এখন হ'ল আমি আমাৰ ওপৰত দেখা পোৱা আকাশ আৰু ইয়াৰ নাম হ'ল "বহিৰ্আকাশ"। আনখন হ'ল চিত্তাকাশ, যিখন থাকে আমাৰ চিত্ত বা মনত। বাহিৰৰ আকাশখন হ'ল ভিতৰৰ মনৰ আকাশখনৰে প্ৰতিফলন। গতিকে তোমালোকৰ ভিতৰত ইতিমধ্যেই আছে এটা পুনৰ্থম!"

"হে মহৰ্ষি এতিয়া আমাক কওকচোন,

আমাৰ ভিতৰত বাৰু সূৰ্য আৰু চন্দ্ৰও আছেনে বাৰু?" মেধা আৰু প্ৰতিভাই সুধিলে।

"তাত সন্দেহ কিয় হ'ব লাগে? তৰাটোত থকা তোমালোকৰ আৰু আন আটাইৰে সপোনবোৰ বিচাৰি উলিয়াই সেইবোৰ মুকলি কৰি দিয়া!" অদৃশ্য হোৱাৰ আগতে ব্যাসে ক'লে।

স্বাভাৱিকতে, তেওঁলোকৰ সন্ধান বহুত দিন ধৰি চলিল। শেষত দুয়ো এনেকৈ মনোযোগ দিলে যে তেওঁলোকে গম পালে যে দেউতাক, মাক আৰু দেশৰ আন সকলোৱে সপোন দেখিবলৈ লৈছে।

প্ৰজাই এতিয়া বুজিলে যে মেধাই প্ৰতিনিধিত্ব কৰে বুদ্ধিমত্তাৰ আৰু প্ৰতিভাই কৰে কল্পনাশক্তিৰ।

মধ্যপ্ৰদেশৰ এটা লোককাহিনী

পূজাৰীৰ সেই ভৱিষ্যদ্বাণী

মৰ্বা গাঁৱৰ পূজাৰীজন তেওঁৰ জ্ঞান, প্ৰজ্ঞা আৰু সহানুভূতিৰ বাবে বিখ্যাত আছিল। তেওঁ গাঁওবাসীৰ শ্ৰদ্ধা আৰু ভক্তি লাভ কৰিছিল। গাঁৱৰ সকলোৱে তেওঁৰ লগত আলোচনা কৰি দিন বাৰ লোৱা আটাইবোৰ পৰিয়ালৰ অনুষ্ঠানলৈ পূজাৰীক নিমন্ত্ৰণ কৰিছিল। ওচৰৰ গাঁওবোৰৰ বাইজেও তেওঁৰ সহায়, পৰামৰ্শ আৰু সেৱা বিচাৰি আহিছিল।

সময় বাগৰাৰ লগে লগে বৃদ্ধ মানুহজনে আগৰ দৰে ঘূৰি ফুৰিব নোৱৰা হ'ল। তেওঁ জানিছিল যে তেওঁ জীৱনৰ বিয়লি বেলাত উপস্থিত হৈছেহি। গাঁওবাসীক তেওঁ হতাশ কৰিব খোজা নাছিল, সেয়েহে তেওঁ নিজৰ পুতেক ঔমকাৰক ক'লে আন গাঁৱৰ অনুষ্ঠানত তেওঁৰ ঠাইত ভাগ ল'বলৈ আৰু নিজকে মৰ্বাৰ আচাৰ অনুষ্ঠানতে ব্যস্ত ৰাখিলে।

দেউতাকে নজনাকৈ, ডেকা মানুহজনে তেওঁ দিয়া সেৱাৰ বিনিময়ত মানুহৰপৰা পইচা ল'বলৈ ধৰিলে। প্ৰথমতে গাঁওবাসীয়ে বেয়া পোৱা নাছিল, কিন্তু তেওঁ যেতিয়া ধন দাবী কৰিবলৈ ধৰিলে আৰু তাকো কাম আৰম্ভ হোৱাৰ আগতেই, তেতিয়া মানুহে প্ৰতিবাদ কৰিলে আৰু তেওঁৰ পৰামৰ্শ লোৱাটো বা তেওঁৰ সেৱা বিচাৰিবলৈ বন্ধ কৰিলে। যেতিয়া বৃদ্ধ পূজাৰীজনে শেষ নিশ্বাস ত্যাগ কৰিলে, তেতিয়া মৰ্বাৰ ৰাইজে আন উপায় নেদেখি তেওঁলোকৰ অনুষ্ঠানলৈ ডেকা ঔমকাৰকে মাতিবলৈ ধৰিলে। ওচৰৰ গাঁওবোৰৰ মানুহৰপৰা ঔমকাৰে পইচা লোৱা বুলি জানি মৰ্বাৰ গাঁওবাসীয়েও তেওঁক তেওঁ দিয়া সেৱাৰ বিনিময়ত ধন দিবলৈ ল'লে।

এবাৰ মৰ্বাৰ ৰাহুল নামৰ এজন ডেকা, যি ওচৰৰ গাঁওবোৰত বস্তু বিক্ৰী কৰিছিল, মাধৱী নামৰ এজনী ছোৱালীৰ প্ৰেমত পৰিল। মাধৱী এটা দুখীয়া পৰিয়ালৰ আছিল। তাইৰ মাক দেউতাকে বিয়াখনত সম্মতি দিছিল যদিও তেওঁলোকে ৰাহুলক জনাই

দিছিল যে তেওঁ এটা ডাঙৰ বিয়াৰ অনুষ্ঠান আশা কৰা অনুচিত। তেওঁলোকে লগতে জনাই দিলে যে বিয়াত তেওঁলোকে পূজাৰীৰ কামখিনি এৰাই চলিব।

কইনাৰ ঘৰত পৰম্পৰাগত তিনিদিনীয়া ৰীতি নীতিৰ অন্তত মাধৱীক বিয়া কৰাই মৰ্বালৈ লৈ অনা হ'ল। ইয়াত ৰাহুলৰ দেউতাকে এটা অভ্যৰ্থনাৰ আয়োজন কৰিব খুজিলে আৰু যাতে বিয়াখনত আগতে ভাগ ল'ব নোৱৰা গাঁওবাসীয়ে আহি নবদম্পতিক আশীৰ্বাদ কৰিবহি পাৰে। তেওঁ গৈ ঔমকাৰকো তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ কৰিলে। ঔমকাৰে তৎক্ষণাৎ এই নিমন্ত্ৰণ গ্ৰহণ কৰিলে, অৱশ্যে বৰ যাত্ৰীৰ দলত যে তেওঁক লোৱা নহ'ল সেই কথাত তেওঁ অসন্তুষ্টি প্ৰকাশ কৰিলে।

ৰাহুলৰ দেউতাকে ক্ষমা খুজিলে। তেওঁ ঔমকাৰক ক'লে যে কইনাৰ দেউতাকে খৰচ কম কৰিবলৈকে পূজাৰীৰ কামখিনি এৰাই চলিবলৈ ঠিক কৰিছিল। ঔমকাৰৰ আছিল এটা গোপন অভিসন্ধি।

অভ্যৰ্থনা অনুষ্ঠানত ডেকা পূজাৰীক আদৰ সন্মান কৰা হ'ল। তেওঁক এটা কোঠালৈ লৈ যোৱা হ'ল, য'ত দৰা কইনাই তেওঁৰ আশীৰ্বাদৰ বাবে অপেক্ষা কৰিছিল। এক মুহূৰ্ত্তৰ বাবে ছোৱালীজনীৰ সুন্দৰ মুখখনৰ ওপৰত ঔমকাৰৰ চকু পৰিল, কিন্তু পিছ মুহূৰ্ত্ততে তেওঁ চিঞৰি উঠিল, "এইজনী কুলক্ষণীয়া ছোৱালী! তাইক লৈ যোৱা!" তাৰপাছত তেওঁ কোঠাৰপৰা ওলাই আহিল আৰু যাবলৈ সাজু হ'ল। পিছে পিছে যোৱা ৰাহুলৰ মাক দেউতাকে হাতযোৰ কৰি ক'লে, "আমাক ক্ষমা কৰক।"

এটা অধৈৰ্য চাৱনিৰে ডেকা পূজাৰী বৈ গ'ল, "এইখন বিয়া হোৱাই অনুচিত আছিল। মোৰ সৈতে আলোচনা কৰাহেঁতেন মই এইখন বিয়াত সন্মতিয়েই নিদিলোহেঁতেন। যিমান সোনকালে পৰা যায় ছোৱালীজনীক থৈ আহিলে, ল'ৰা আৰু ল'ৰাৰ পৰিয়ালৰে মংগল হ'ব। ছোৱালীজনী ইয়াত থাকিলে সকলোৰে অনৰ্থ ঘটিব! সাৱধান!"

ৰাহুলৰ মাক দেউতাক বিবুধিত পৰিল। পূজাৰীয়ে কোৱাৰ দৰে কিবা এটা প্ৰমাণ নোহোৱালৈকে তেওঁলোকে বাৰু এজনী নিৰপৰাধী ছোৱালীক উলিয়াই পঠিয়ায় কেনেকৈ? ভিতৰলৈ সোমাই যাওঁতে তেওঁলোকে দেখিলে মাধৱীয়ে ইনাই বিনাই কান্দি আছে। প্ৰথমতেই তেওঁলোকৰ কাম

আছিল মাধৱীক সান্ত্বনা দিয়া আৰু নিজে দৃঢ় হৈ থকা যাতে তেওঁলোকৰ গাঁৱৰ মানুহে ভিতৰত কি ঘটি গ'ল এই বিষয়ে একো কাম নাপায়। সৌভাগ্যক্ৰমে আন কোনো মানুহেই এই ঘটনাটো দেখা নাছিল। তেওঁলোকে কেৱল দেখিছিল পূজাৰী ওলাই গৈছে।

পিছদিনা পুৱা ৰাহুলে নিজেই খবৰটো মাক দেউতাকক দিলে যে মাধৱীয়ে নিজৰ মাক দেউতাকৰ ওচৰলৈ ঘূৰি যাব আৰু পূজাৰীয়ে কোৱা কথা মিছা বুলি প্ৰমাণ কৰিব নোৱৰা-লৈকে মাকৰ ঘৰতে থাকিব। ৰাহুলে তেওঁ-লোকক ক'লে যে সি নিজেই গৈ মাধৱীক মাক দেউতাকৰ ওচৰত থৈ আহিবগৈ। কিন্তু মাক দেউতাকে এই প্ৰস্তাৱত সন্মতি নিদিলে আৰু তাক ক'লে যে তেওঁলোক দুয়ো মাধৱীক লগত নি মাক দেউতাকৰ ওচৰত থৈ আহিবগৈ।

সেইমতে ৰাহুলৰ মাক দেউতাক বোৱাৰীয়েকক লগত লৈ তাইৰ ঘৰলৈ গ'ল। যাত্ৰাপথত তেওঁলোকে মাধৱীক পৰামৰ্শ দিলে যে মাক দেউতাকৰ লগত তেওঁলোকে কথা পাতি থাকোতে তাই যেন নীৰৱে থাকে। তেওঁলোকে মাধৱীক আশ্বাস দিলে যে পূজাৰীৰ কথা তেওঁলোকে সমূলি বিশ্বাস নকৰে আৰু সন্দেহ আঁতৰ হ'লেই পুতেকে তাইক ঘৰলৈ লৈ আহিব।

ৰাহুলৰ মাক দেউতাকৰ ভাগ্য ভালেই আছিল, মাধৱীৰ ঘৰৰ মানুহে ভাবিলে যে তাইৰ বোধকৰো ঘৰলৈ বৰকৈ মনত পৰাত কেইদিনমান তাত থাকি যাওঁ বুলি আহিছে। ৰাহুলৰ মাক দেউতাকে তাৰপাছত তেওঁলোকক ক'লে কেনেকৈ ঔমকাৰে তেওঁক বিয়ালৈ নমতাৰ বাবে অসন্তুষ্টি প্ৰকাশ কৰিছিল আৰু তেওঁ-লোকৰ অভ্যৰ্থনাত তেওঁ যোগ দিবলৈ সন্মতি দিছিল যদিও নৱদম্পতিক আশীৰ্বাদ দিবলৈ অস্বীকাৰ কৰি ঘৰৰপৰা ওলাই গৈছিল।

মাধৱীৰ মাক দেউতাকে এইবাৰ হাঁহিবলৈ ধৰিলে "কেনে অবিবেচক কাম কৰিছে তেওঁ। আমিহে তেওঁক আমাৰ ছোৱালীৰ বিয়ালৈ মতা নাছিলো। আমি তেওঁক মতা নাছিলো এই কাৰণেই যে গাঁওখনে তেওঁক প্ৰায় বৰ্জন কৰাৰদৰেই হৈছে, কিয়নো আমি গম পাইছো যে তেওঁ এজন লুভীয়া মানুহ, কিন্তু তেওঁৰ দেউতাক তেনেকুৱা নাছিল, দুখীয়া গাঁওবাসীৰ বাবে তেওঁৰ বহুত সহানুভূতি আছিল। সঁচা কথা, ডেকা মানুহজন দেউতাকৰ পাছত মৰ্বা





তেওঁ যদি জী জোঁৱাইক আশীৰ্বাদ দিবলৈ অস্বীকাৰ কৰিছে তেন্তে তাৰ বাবে মুঠেই চিন্তা নকৰিব। মাধৱীয়ে এজন ভাল লৰাক নিজৰ স্বামী হিচাপে বাচনি কৰাত আমি সুখী, আমি তাইক আশীৰ্বাদ দিছো আৰু আমি নিশ্চিত তাই আপোনালোকৰ আশীৰ্বাদ পাব। তাইক ইয়াতে দুই এদিন থাকিবলৈ দিয়ক। আৰু আমি তাইক নিজেই থৈ আহিমগৈ। কোনো চিন্তা নকৰিব।"

ৰাহুলৰ মাক দেউতাকে স্বস্তিৰ নিশ্বাস পেলালে। তেওঁলোকক সান্ত্বনা দিবলৈ মাধৱীৰ মাক দেউতাকে কোৱা কথাখিনি শুনাৰ পাছত ৰাহুলও সুখী হ'ল। ৰাহুলৰো তেওঁলোকক দিবলৈ কেইটামান খবৰ আছিল। মৰ্বাৰ ৰাইজে গম পাইছে যে ওঁমকাৰ তেওঁৰ দেউতাকৰ যোগ্য উত্তৰাধিকাৰী নহয়। কাৰণ বহুত অনুষ্ঠানত লগা পূজাৰীৰ জ্ঞান তেওঁৰ নাই। দেউতাকৰ প্ৰতি থকা শ্ৰদ্ধাৰ বাবেই ৰাইজে তেওঁক ইমানদিনে সহ্য কৰি আছিল, এতিয়া গাঁওবাসীয়ে তেওঁক খেদি পঠিয়াবলৈ সিদ্ধান্ত লৈছে।

কেইদিনমানৰ পাছত, গাঁওবাসীৰ এটা দলক নেতৃত্ব দি ৰাহুল ওঁমকাৰৰ ঘৰলৈ গ'ল। তেওঁলোকে দেখিলে ঘৰটো শূন্য। তেওঁৰ কি দশা হ'ব সেই ভৱিষ্যদ্বাণী হয়তো পূজাৰীয়ে ঠিকেই কৰিব পাৰিছিল।

আৰু তাৰ ওচৰে পাজৰে থকা গাঁওবোৰৰ পুৰোহিত হ'ল। তেওঁৰ দেউতাকৰ আছিল যথেষ্ট সন্মান আৰু পূজাৰী হিচাপে দিয়া সেৱাৰ বিনিময়ত তেওঁ একো লোৱা নাছিল। কিন্তু পুতেকে মানুহবপৰা ধন দাবী কৰি দেউতাকৰ নাম ডুবাইছে। আমি যেতিয়া গম পালো যে তেওঁ নিজৰ দেউতাককে ঠগি আছে, আমাৰ গাঁওখনে তেওঁৰ সেৱা নল'বলৈ ঠিক কৰিলে। আমি তেওঁক বিয়ালৈ নিমন্ত্ৰণ নকৰাৰ সেইটো আন এটা কাৰণ।

চান্দমামা কুইজ-৭ আগষ্ট ২০০৮ ৰ উত্তৰসমূহ :

১.আকবৰ; ২.শ্বেৰশ্বাহ চুৰী, দিল্লীৰ চুলতান, ১৫৪২ চনত; ৩.১৮৬২ চনত; ৪.জানুৱাৰী ২৬, ১৯৫০; ৫.চতুৰ্থ উইলিয়াম; ৬.১৭৭৮ চনত; দুঅনা; ৭.১৮৫২ চনত, "চিণ্ডেওক্" কাৰণ সিন্ধু প্ৰদেশৰ (এতিয়া পাকিস্তানত) ব্যৱহাৰৰ বাবে ইয়াক ৰখা হৈছিল; ৮.চেপ্তেম্বৰ ১৮৫৪ চনত; আধা অনা।

মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-৩৪

প্ৰতিভাৱান ন্যায়াধীশ

বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ নাম কোনে শুনা নাই? সেই অমৰ কবিতা বা ভক্তিমূলক গীত "বন্দে মাতৰম" কোনে ৰচনা কৰিছিল?

কলিকতা বিশ্ববিদ্যালয়ৰপৰা স্নাতক উপাধি লাভ কৰা প্ৰথম দুজন ছাত্ৰৰ এজন আছিল বংকিমচন্দ্ৰ (১৮৩৮-১৮৯৪)। তেওঁ উপ দণ্ডাধীশ হৈছিলগৈ, যিটো পদবীত সেই সময়ত ভাৰতীয় লোক নাছিল বুলিলেই হয়। সেই সময়ত এজন দণ্ডাধীশ নিজে এজন বিচাৰপতিও আছিল। এজন সাধু আৰু কাৰ্যদক্ষ প্ৰশাসক হিচাপে বংকিম চন্দ্ৰৰ সুখ্যাতি ইমানেই বেছি আছিল যে ব্ৰিটিছ শাসকসকলে তেওঁক ভয় কৰিছিল। যিমানেই প্ৰভাৱশালী নহওক কিয় অপৰাধী বুলি প্ৰমাণিত হোৱা কোনো ব্ৰিটিছ লোককে উপযুক্ত শাস্তি দিবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাছিল। ব্ৰিটিছে তেওঁক অন্তৰত এজন জাতীয়তাবাদী বুলিও সন্দেহ কৰিছিল। নিজৰ কৰ্তব্যৰ প্ৰতি তেওঁৰ আনুগত্য আছিল যদিও তেওঁ ব্ৰিটিছ শাসনৰ প্ৰেমী নাছিল।

এজন বিচাৰক হিচাপে তেওঁৰ বুদ্ধিমত্তা আৰু সূক্ষ্মদৃষ্টিৰে তেওঁ বহুতো জটিল গোচৰৰ সুবিচাৰ কৰিছিল। ইয়াত তাৰে এটা উদাহৰণ দিয়া হৈছে। তেওঁ আগ ভাগ নোলোৱা হ'লে, এজন নিৰপৰাধী লোকে অনাহকতে শাস্তি ভোগ কৰিবলগীয়া হ'লহেঁতেন।

এদিন বহুত দূৰৰ এক লক্ষ্য অভিমুখে গৈ থকা এজন যুৱকে এখন গাঁৱৰ এজন জমিদাৰৰ প্ৰাসাদৰ বাৰান্দাত ৰাতিটো পাৰ কৰাৰ অনুমতি লাভ কৰিলে। ৰাতিটো আছিল নীৰৱ আৰু ঘোৰ অন্ধকাৰ। শিয়ালৰ মাতে মাজনিশাৰ সংকেত দিয়াত যুৱক উঠি বহিল আৰু তেওঁ মন কৰিলে পিছ দুৱাৰেদি কান্ধত



এটা বিশাল বেগ লৈ এজন মানুহ হাতত সাৰে ভৰিত সাৰে ওলাই গৈছে। যুৱকৰ ঘটনাটো কি ধৰিবলৈ বেছি সময় নালাগিল তেওঁ পিছফালৰপৰা গৈ চকুৰ পচাৰতে চোৰটোক জপতিয়াই ধৰিলগৈ। চোৰটোৱে বেগটো দলিয়াই নিজকে যুৱকৰ কবলপৰা উদ্ধাৰ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিলে, কিন্তু সফল নহ'ল। হঠাতে চোৰটোৱে ওলোটাই যুৱকক ধৰি চিঞৰিবলৈ ধৰিলে "চোৰ, চোৰ!"

হাতে হাতে লেম্প লৈ তাত মানুহ গোট খালে আৰু বাইজে দুয়োকে ইজনে সিজনৰ কবলৰপৰা বেলেগ কৰি কৰায়ত্ত কৰিলে। যুৱকে নিজৰ অভিজ্ঞতাৰ কথা ক'বলৈ নৌ পাওঁতেই চোৰটোৱে নিজৰ গাতলোৱা কাপোৰখনেৰে নিজকে মেৰিয়াই ধৰিলে আৰু তাৰ তলত এজন পুলিচ কনিষ্টবলৰ পোছাক পিন্ধি ল'লে। চোৰটোৱে দাবী কৰিলে চুৰিৰ মাল বেগত ভৰাই পলাব খোজা যুৱকক তেওঁ ধৰিছে আৰু ইফালে যুৱকে দিলে আচল ঘটনাৰ বিৱৰণ।

কোনেনো সঁচা কথা কৈছে সেই কথা জনাটো ৰাইজৰ পক্ষে সহজ নাছিল, অৱশ্যে চোৰটোৰ ভাষ্যই বেছি বিশ্বাসযোগ্য যেন লাগিছিল। অন্ততঃ তেওঁ এজন কনিষ্টবল আৰু যুৱক হ'ল এজন অচিনাকি ব্যক্তি।

গোচৰটো আহিল বংকিমচন্দ্ৰৰ আদালতলৈ। সেই নিৰ্দিষ্ট ৰাতিনো কনিষ্টবলজন কিয় সেই গাঁৱত নিজৰ কৰ্ত্তব্য পালন কৰিবলৈ আহিছিল সেই কথাৰ কোনো দৃঢ় যুক্তি নাছিল যদিও তেওঁৰ অধিবক্তাই যুক্তি দৰ্শালে যে সেইটো এটা কাকতালীয় সংযোগ আছিল আৰু কনিষ্টবলজনে তেওঁৰ দায়িত্বৰ গাফিলতি কৰা নাই। বিচাৰকমণ্ডলী তেওঁৰ যুক্তিত পতিয়ন যোৱা যেন লাগিল।

পিছে বংকিমচন্দ্ৰৰ কোনো অজান কাৰণত কনিষ্টবলজনৰ ওপৰত সন্দেহ হ'ল। আদালতত বাদ বিবাদ চলি থাকোতেই দণ্ডাধীশৰ অৰ্ডালজন উধাতু খাই আদালত কক্ষলৈ সোমাই আহিল আৰু জনালেহি যে আদালতৰ কেৰাণী ব্ৰজগোপালক কোনোবাই হত্যা কৰিছে আৰু তেওঁৰ মৃতদেহ এক ফাৰ্লঙমান দূৰৰ এখন দলঙৰ তলত পৰি আছে। আদালতত খবৰটো পাই কাঁহ পৰি জীণ যোৱা অৱস্থা হ'ল।

"মৃতদেহটো ইয়ালৈ অনাৰ ব্যৱস্থা কৰা হওক, আজি তেওঁক শেষবাৰৰ বাবে চাবই লাগিব," দণ্ডাধীশে আদেশ দিলে।

"কিন্তু চাৰ, শ কঢ়িওৱা লোকসকল তেওঁ-

Exclusively for Chandamama Readers!
Do you want to be a whiz kid? SIP Academy has a lot of cool programmes, like an International Art Programme, International Abacus and Brain Gym. Enrol TODAY at any one of 455 centres across India and get 15% off!

লোকৰ বাৰ্ষিক উৎসৱৰ বাবে নিজৰ নিজৰ ঘৰত আছেগৈ।” অৰ্ডালয়ে ক'লে।

“কোনো কথা নাই, এই দুই বিচাৰাধীন বন্দীয়েই মোৰ আদেশ পালন কৰিব,” বংকিমচন্দ্ৰই ক'লে।

সেইকালত এনেকুৱা এটা পৰিস্থিতিত দণ্ডাধীশৰ আদেশ কোনেও অৱমাননা কৰা নাছিল, যিটো কথা আজি অবান্তৰ যেন লাগিব পাৰে। দুয়োজন বন্দীক নিৰ্দিষ্ট ঠাইলৈ লৈ যোৱা হ'ল। ব্ৰজগোপালৰ মৃতদেহ এখন বগা কাপোৰেৰে ঢাকি থোৱা আছিল। কনিষ্টবল আৰু যুৱকে মৃতদেহটো এখন ষ্ট্ৰেচাৰৰ ওপৰত ৰাখিলে আৰু মৃতদেহটো কঢ়িয়াই আদালত অভিমুখে গৈ থাকিল। অৰ্ডালিজন তেওঁলোকৰ আগে আগে গ'ল।

“দেখিলানে মূৰ্খ তোমাৰ এতিয়া কেনে অপমান আৰু দুৰ্দশা হ'ব? কি সাহসত তুমি মোক ধৰিছিলা? এই জিলাৰ সকলো চোৰৰ মই হ'লো গুৰু। মোৰ এই ইউনিফৰ্মৰ বাবেই আজিলৈকে কোনেও মোক সন্দেহ কৰা নাই। এইবাৰ ধৰা পৰিলো যদিও মোক এতিয়া এৰি দিয়া হ'ব। নিশ্চিত থাকা, এইজন কঠোৰ বিচাৰপতিয়ে তোমাক পাঁচ বছৰৰ সশ্ৰম কাৰাদণ্ডতকৈ কম শাস্তি নিদিয়ে,” কনিষ্টবলজনে হাঁহি হাঁহি ক'লে।

ব্ৰজগোপালৰ হত্যাৰ কাহিনী বনজুইৰ দৰে বিয়পি পৰিল আৰু আদালতৰ সমূহ কৰ্মচাৰী আৰু অধিবক্তা আৰু বহুতো শুভাকাংখী লোক আদালতত সমবেত হ'ল।

দণ্ডাধীশৰ সমুখত ষ্ট্ৰেচাৰখন তললৈ নমাওতেই ব্ৰজগোপালে উঠি চকু মুখ মোহৰা দেখি উপস্থিত সকলো আচৰিত হ'ল। কেৱল হাঁহি মাৰিলে বংকিমচন্দ্ৰই কাৰণ এই গোটেইখন নাটকৰ পৰিকল্পনা তেওঁৰে আছিল। বংকিমচন্দ্ৰক এটা সুন্দৰ অভিবাদন জনাই আৱামেৰে আদালতলৈ অহা ব্ৰজগোপালে তেওঁ শুনা কথাখিনি কৈ শুনালে।

বিচাৰকমণ্ডলীয়ে এই কথাত বিচাৰপতিৰ লগত একমত হ'ল যে কনিষ্টবলজনে দৃষ্টান্ত-মূলক শাস্তি পাব লাগে। যুৱকক সকলোৱে অভিনন্দন জনালে আৰু সেই জমিদাৰজনে যুৱকক পুৰস্কৃত কৰিলে। *(মনোজ দাস)*

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা-১৩

সাহসিক পলায়ন তথা এক দুখজনক বিশ্বাসঘাটকতা

ব্ৰিটিছৰ বিৰুদ্ধে ১৮৫৭ চনৰ বিখ্যাত ভাৰতীয় বিপ্লৱৰ বহু আগতে ভাৰতত এনে এজন নিৰ্ভীক শাসকে ৰাজত্ব কৰিছিল যি বিদেশী শাসকৰ বিৰুদ্ধে হুংকাৰ দিয়া অন্যতম প্ৰথম বীৰ আছিল।

তামিলনাডুৰ পাঞ্চালাঙকুৰিচিত সাহসী বীৰাপাণ্ডিয়া কাট্টাবম্মানে ১৭৬০ চনত জন্ম গ্ৰহণ কৰে। তেওঁৰ আছিল দুজন ভায়েক--কুমাৰাস্বামী আৰু দোৰাইচিংঘম। বীৰাপাণ্ডিয়া কাট্টাবম্মানে ১৭৯০ চনত সিংহাসনত আৰোহণ কৰে।

সেই সময়ত দাক্ষিণ্যত্যৰ বেছিভাগ ভূখণ্ডই আৰকোটৰ নবাবৰ অধীনস্থ আছিল। কিন্তু বিদেশী শাসকে নবাবক স্বীকৃতি দিবলৈ অস্বীকাৰ কৰাত নবাব সোনকালেই দেৱলীয়া হৈ পৰে। তেওঁ ইষ্ট ইণ্ডিয়া কোম্পানীৰপৰা বৃহৎ অংকৰ ধন ধাৰলৈ লয় আৰু তাৰ বিনিময়ত কোম্পানীয়ে কৰ সংগ্ৰহৰ অধিকাৰ লাভ কৰে। কোম্পানীয়ে কৰ সংগ্ৰহৰ নামত অসহায় প্ৰজাৰ ওপৰত অত্যাচাৰ চলাবলৈ ধৰিলে। নবাব ব্ৰিটিছৰ হাতৰ পুতলা হৈ থাকিল। বেছিভাগ জনগোষ্ঠীৰ অধিপতিয়েই ব্ৰিটিছৰ শৰণাপন্ন হ'ল।

কিন্তু গৌৰৱশালী কাট্টাবম্মান ব্যতিক্ৰম আছিল। কোম্পানীয়ে তেওঁক জয় কৰিবলৈ সকলো প্ৰচেষ্টাই চলালে--কেতিয়াবা ভয় দেখুৱাই বা কেতিয়াবা দয়ালু হৈ। সকলো প্ৰচেষ্টা বিফল হ'ল। সুদীৰ্ঘ ছটা বছৰ এই অদমনীয় শাসকে অকলশৰে ব্ৰিটিছৰ অত্যাচাৰৰ বিৰুদ্ধে যুঁজি থাকিল।

এদিন কাট্টাবম্মানে তেওঁৰ প্ৰাসাদৰ বাহিৰত মানুহৰ চিঞৰ বাখৰ শুনা পালে। ভ্ৰাতৃ কুমাৰাস্বামী, সেনাপতি ভেল্লায়াথেৱান আৰু মন্ত্ৰী ধনপতি পিল্লাইক লগত লৈ তেওঁ ততাতৈয়াকৈ বাহিৰ ওলাই আহিল। দেখিলে তেওঁৰ অনুগত প্ৰজাৰ অসন্তুষ্টি এয়া। প্ৰজা-সকলক নিষ্ঠুৰ ডকাইতৰ এটা দলে অহৰহভাৱে নগুৰ নাগতি কৰি আছে। কাট্টাবম্মানে সমৱেত জনতাক প্ৰতিশ্ৰুতি দিলে, সোনকালেই তেওঁ প্ৰজাৰ এই দুখ কষ্টৰ অৱসান ঘটাব।

সন্ধ্যা সমৃদ্ধিশালী সদাগৰৰ এটা দল অৰণ্যৰ মাজেদি পাৰ হৈ গ'ল। তেওঁলোকৰ লগতে গৈছিল হীৰা আৰু সোণৰ অলংকাৰেৰে সুশোভিত এগৰাকী কইনা। এজোপা গছৰ ওপৰত উঠি লুকাই আছিল ডকাইতহঁত, দলপতিৰ ইঙ্গিত পাই সিহঁত মাটিত জঁপিয়াই

পৰিল আৰু ভ্ৰমণকাৰীৰ দলটোক ঘেৰি ধৰিলে।

কিন্তু এইবাৰ সিহঁত আচৰিত হোৱাৰ পাল। ভ্ৰমণকাৰীসকলে চকুৰ পচাৰতে লুকুৱাই অনা তৰোৱাল উলিয়াই ল'লে। আৰম্ভ হ'ল সংঘৰ্ষ। আনকি অলংকাৰেৰে সুশোভিত কইনায়ো পৰম বিক্ৰমেৰে যুদ্ধ কৰিলে। ডকাইতৰ দলটোক বশ কৰা হ'ল। হঠাতে ডকাইতহঁতৰ দলপতিয়ে সদাগৰৰ ছদ্মবেশত অহা অধিপতিক চিনি পালে। ডকাইতহঁতে বুজি পালে যে সিহঁতে আচলতে সেই ভূখণ্ডৰ সৰ্বশ্ৰেষ্ঠ সৈনিকহঁতৰ লগত যুঁজিছিল। তেওঁলোকৰে এজন আছিল কইনাৰ বেশত অহা এক বীৰ সৈনিক। ডকাইতহঁতে তৎক্ষণাৎ কাট্টাবম্মানৰ ভৰিত দীঘল দি পৰিলে।

সিহঁতে খেলোচা কৰিলে যে সামন্ত ৰাজ্যত অসন্তুষ্টি বিয়পাবৰ বাবে ব্ৰিটিছেই সিহঁতক নিয়োগ কৰিছে। কাট্টাবম্মানে সিহঁতক ক্ষমা কৰিলে। কৃতজ্ঞতাত সিহঁতে আকৌ জনালে যে তেওঁৰ প্ৰতিবেশী এট্টায়াপুৰমৰ অধিপতি এট্টাপ্পা মেইকাৰে ব্ৰিটিছ কালেক্টৰৰ লগত বন্ধুত্ব স্থাপন কৰিছে। তেওঁকো কাট্টাবম্মানৰ ৰাজ্যৰ ওপৰত প্ৰৰোচনা-মূলক আক্ৰমণ চলাব-লৈ ব্ৰিটিছে পৰামৰ্শ দিছে।

সোনকালেই পাঞ্চা-লাঙ-কুৰিচিৰ ৰাজ-সভালৈ এজন ইংৰাজ বাৰ্ত্তাবাহক আহিল। তেওঁ কালেক্টৰ জেকচনৰপৰা এটা বাৰ্ত্তা লৈ আহিছে এইবুলি যে কাট্টাবম্মানৰ বাহিৰে সকলো অধিপতিয়ে তেওঁক সৌজন্যমূলক সাক্ষাৎ কৰিছে। প্ৰচণ্ড অনিচ্ছা সত্ত্বেও কিবা এটা বুজাবুজি হওক বুলি কাট্টাবম্মানে কালেক্টৰক লগ ধৰিবলৈ ঠিক কৰিলে। নিজৰ দেহৰক্ষীক লগত লৈ তেওঁ যাত্ৰা আৰম্ভ কৰিলে। কিন্তু ব্ৰিটিছ বিষয়াগৰাকীয়ে জনালে যে তেওঁ অকলেহে আহিব পাৰিব।

কাট্টাবম্মানে ৰামনাথাপুৰমৰ প্ৰাসাদত শিবিৰ পাতি থকা কালেক্টৰৰ বিশাল কোঠাৰ ভিতৰত প্ৰবেশ কৰি দেখিলে বিষয়াগৰাকী কোঠাৰ ভিতৰত এখন চকীত বহি আছে। তেওঁ আনকি আগন্তুকক শুভেচ্ছাও নজনালে। কোঠাটোত দ্বিতীয় এখন চকী নাছিল। কালেক্টৰে লিখিত অভিযোগবোৰ পঢ়ি শুনালে। দুয়োৰে মাজত তৰ্ক লাগিল আৰু কাট্টাবম্মানে কালেক্টৰৰ প্ৰতিটো চোকা শব্দৰ যোগ্য উত্তৰ দিলে। অতিথিজনক ইতিমধ্যেই থিয় হৈ থাকিবলৈ বাধ্য কৰোৱা হৈছিল। এবাৰ চৰম উত্তেজনাত জেকচন উঠি থিয় হ'ল আৰু হাতৰ মুঠি বন্ধ কৰি চিঞৰিবলৈ ধৰিলে। কাট্টাবম্মানে চকুৰ পচাৰতে কালেক্টৰৰ চকীখনত বহি এটা বিজয়ৰ হাঁহি মাৰিলে। জেকচনে তেতিয়া বেলেগ এখন চকী অনাৰ নিৰ্দেশ দিবলৈ বাধ্য

হ'ল। "কোনাবা বিদেশীৰ দাস হিচাপে তেওঁৰ শৰণাগত হোৱাটো আমাৰ ৰাজ পৰম্পৰা নহয়। সেয়েহে মই আপোনাক কৰ দিব নোৱাৰো। আপোনাক যদি ধন লাগে, এটা ঋণৰ বাবে আবেদন কৰক, ভিক্ষাপাত্ৰ আগবঢ়াই দিয়ক। কিন্তু কোনো দাবী নকৰিব।" সিংহৰ দৰে গৰজি অধিপতি দুৱাৰৰ ফালে আগবাঢ়ি গ'ল।

উত্তেজিত জেকচনে হাতচাপৰি বজালে। লগে লগে আৰ্বিভাৱ হোৱা তেওঁৰ সৈনিক-সকলে অভ্যাগতজনক আগচি ধৰিলে। কাট্টাবম্মানে চকুৰ পচাৰতে তেওঁৰ চিকমিকাই থকা তৰোৱালখন খাপৰপৰা উলিয়াই ল'লে আৰু তেওঁক বন্দী কৰিব খোজা সৈনিক-সকলক কচুকটা দিলে। তীব্ৰ বেগেৰে তেওঁ প্ৰাসাদৰ জপনা অতিক্ৰম কৰি গুচি আহিল। উপায়ন্তৰ হৈ কালেক্টৰে আৰু সৈনিক মাতি পঠিয়ালে। ইতিমধ্যে বাহিৰত লুকাই থকা কাট্টাবম্মানৰ সৈনিকসকল তেওঁৰ সহায়ৰ বাবে আগ বাঢ়ি আহিল। তেওঁৰ ভায়েকে সাহসেৰে যুদ্ধ কৰি তৰোৱালৰদ্বাৰা কেইবাজনো ইংৰাজ সৈনিকক নিধন কৰিলে। তেওঁৰ সাহসী সেনাপতি ভেল্লায়াথেভানে ইংৰাজ বাহিনীৰ নেতৃত্ব দিয়া লেফটেনেন্ট ক্লাৰ্কক হত্যা কৰিলে।

তেওঁলোকৰ কেপ্তেইনৰ মৃত্যুত ইংৰাজ সৈনিকসকল ছেদেলি ভেদেলি হৈ পৰিল। তেতিয়াও তৰোৱাল ঘূৰাই থকা কাট্টাবম্মানে সেই মুহূৰ্ত্তে এটা ঘোঁৰা থিয় হৈ থকা দেখিলে। তেওঁৰ ভায়েক, তেওঁৰ সেনাপতি আৰু তেওঁৰ সৈনিকসকল, ঘোঁৰাটোৰ পিঠিত উঠি তীব্ৰবেগে গুচি যোৱা কাট্টাবম্মানৰ লগ লাগিল।

শেষৰ মেজৰ বেনাৰমেনৰ নেতৃত্বত এটা দক্ষ বেটেলিয়ন সেই সৰু ৰাজ্যখন অভিমুখে আগ বাঢ়িল। ইফালে বন্দী মন্ত্ৰী ধনপতি পিল্লায়ে অসুস্থতাৰ ভাও জুৰিলে। মাটিত তেওঁ একেবাৰে নিথৰ হৈ পৰি থাকিল। কিনো হৈছে চাবলৈ প্ৰহৰীসকল তেওঁৰ কক্ষৰ ভিতৰত সোমাল। হঠাতে তেওঁ উঠি থিয় হ'ল আৰু নিজৰ শৰীৰত লুকুৱাই ৰখা এক সৰু অস্ত্ৰৰে দুয়োজন প্ৰহৰীক সিপুৰী পোৱালেগৈ। তাৰপাছত তেওঁ পলাই আহিল আৰু ব্ৰিটিছৰ আক্ৰমণাত্মক পৰিকল্পনাৰ বহুতো সম্ভেদ লৈ নিজৰ গৰাকীৰ লগ লাগিল।

সোনকালেই শত্ৰু পক্ষই সেই ৰাজ্যৰ দুৰ্গ ঘেৰি ধৰি তাৰ শাসকক প্ৰত্যাহ্বান জনালে। কিন্তু কাট্টাবম্মানে হাৰ নামানিলে আৰু দুৰ্গৰ বিশাল প্ৰবেশদ্বাৰৰ ওপৰত ব্ৰিটিছৰ গোলন্দাজ বাহিনীয়ে আক্ৰমণ কৰি দুৰ্গৰ ভিতৰত প্ৰবেশ কৰিলে। কিন্তু অধিপতিৰ সাহসী সৈনিকসকলে আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিলে আৰু ইংৰাজ বাহিনীৰ কমাণ্ডাৰ লেফটেনেন্ট কলিন্চক হত্যা কৰিলে। খঙ আৰু ঈৰ্ষাত জ্বলি পকি বেনাৰমেনে তৎক্ষণাৎ নতুনকৈ সৈনিক খুজি পঠিয়ালে।

সন্ধ্যা হৈ অহাৰ লগে লগে হঠাতে এজাক অশ্বাৰোহীয়ে পিছফালে এটা ঘন আৰু অস্বচ্ছ ধূলিৰ ধুমুহা এৰি দুৰ্গৰপৰা ওলাই যোৱা দেখা গ'ল। পিছদিনা পুৱা মেজৰ বেনাৰমেনলৈ খবৰ আহিল যে ব্ৰিটিছৰ চিকাৰ পলাই গৈছে। কিন্তু ব্ৰিটিছৰ সতৰ্ক চকুত এই ৰজাই ধূলি দিব পাৰিব জানো? সোনকালেই তেওঁলোকে বুজি পালে যে ধুমুহাই সঁচাকৈয়ে তেওঁক নিৰাপদ স্থানলৈ লৈ গ'ল।

যেতিয়া তেওঁ এজন বন্ধু অধিপতিৰ প্ৰাসাদত শিবিৰ পাতিলেগৈ, শত্ৰুপক্ষই তাৰ গোন্ধ পালে। পুডুকট্টাইৰ শাসক থণ্ডমানে বিনাদ্বিধাই তেওঁক আশ্ৰয় দিলে। কিন্তু কি দুখৰ কথা, ব্ৰিটিছৰ কৰুণা আদায় কৰিবলৈ এই লুভীয়া শাসকে সন্দেহ নকৰা কাট্টাবম্মানক প্ৰতাৰণা কৰিলে। কাট্টাবম্মানক গ্ৰেপ্তাৰ কৰা হ'ল।

আনন্দত অধীৰ হোৱা মেজৰ বেনাৰমেনে ক্ষিপ্ৰতাৰে তেওঁৰ বিৰুদ্ধে অভিযোগনামা প্ৰস্তুত কৰি প্ৰাণদণ্ডৰ হুকুম দিলে। তেওঁৰ আটাইতকৈ ডাঙৰ অপৰাধ আছিল স্বদেশৰ স্বাধীনতাৰ বাবে যুদ্ধ কৰা। সিংহৰ দৰে গৰ্জন কৰি তেওঁ ক'লে, "যেতিয়া ব্ৰিটিছ সেনা-বাহিনীয়ে পাঞ্চালাঙকুৰিচি আক্ৰমণ কৰিছিল, তেতিয়া সেয়া এটা অপৰাধ নাছিল। দেশ-মাতৃৰ সুৰক্ষাৰ বাবে মই যেতিয়া তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ দিলো, সেইটো হ'লগৈ অক্ষমনীয় অপৰাধ!"

১৬ অক্টোবৰ, ১৭৯৯ চনৰ পুৱতিনিশা। এজোপা তেতেলী গছৰপৰা পকোৱা ৰছী এডাল বিষাক্ত সাপৰ দৰে ওলমি আছিল। সমৱেত জনতাৰ মাজত নিৰ্জীৱ মূৰ্ত্তিৰ দৰে থিয় দি আছিল তেওঁক প্ৰতাৰণা কৰি শত্ৰুৰ হাতত গতাই দিয়া আটাইবোৰ অধিপতি। "এক দৃঢ় আৰু অত্যুৎসাহসৰ খোজেৰে তেওঁ আগ বাঢ়ি আহিল আৰু পাৰ হৈ যাওঁতে তেওঁৰ সোঁৱে বাঁওৱে থকা কাপুৰুষ অধিপতি সকললৈ ঘৃণাৰ দৃষ্টি নিক্ষেপ কৰিলে," বেনাৰমেনে লিখিছিল, "মোক জনোৱা মতে নিজৰ প্ৰাণদণ্ড কাৰ্যকৰী হ'বলগীয়া ঠাইলৈ গৈ থাকোতে তেওঁ নিজৰ ভায়েকৰ কথা কৈ উদ্বিগ্নতা প্ৰকাশ কৰিছিল। এক মৰ্যাদা আৰু দৃঢ়চিত্তৰ খোজেৰে প্ৰাণদণ্ড হ'বলগীয়া গছজোপাৰ তল পালেগৈ।" বীৰে চকু মুদি দেশজননীৰ স্বাধীনতাৰ বাবে প্ৰাৰ্থনা কৰিলে। তাৰপাছত তেওঁ চকী খনত উঠি ল'লে, ৰছীৰ গাঠিটো ডিঙিত ভৰাই ল'লে আৰু বিজুলী বেগেৰে তেওঁ উঠি থকা চকীখন গোৰমাৰি পেলাই দিলে।

(এ.কে.ডি.)



ভাৰতীয় অলিম্পিক পদকবিজেতা

গোৱা আগষ্ট মাহত বেইজিঙ অলিম্পিকত শুটিঙৰ সোণৰ পদক আৰু ৰেষ্টলিঙ আৰু বক্সিঙত ব্ৰঞ্জৰ পদক লাভ কৰি যথাক্ৰমে অভিনৱ বিন্দ্ৰা, সুশীল কুমাৰ আৰু বিজেন্দৰ কুমাৰে ভাৰতক গৌৰৱান্বিত কৰিলে।

দক্ষ লক্ষ্যবিদ ২৫ বছৰীয়া অভিনৱ বিন্দ্ৰাই প্ৰথমটো ব্যক্তিগত অলিম্পিক সোণৰ পদক জয় কৰি ইতিহাস ৰচিলে। দুবছৰৰ আগতে তেওঁ যুগোশ্লাভিয়াৰ জাগৰেবত অনুষ্ঠিত বিশ্ব শুটিঙ চেম্পিয়নশ্বিপত এটা সোণৰ পদক জয় কৰিছিল। বেইজিঙত তেওঁ ২০০৪ চনৰ সোণৰ পদক বিজেতা জু কিনানক আৰু ফিনলেণ্ডৰ হেনৰি হেকিনেনক পৰাভূত কৰে। চণ্ডীগড়ৰ নিবাসী অভিনৱৰ জন্ম হৈছিল ১৯৮২ চনত। তেওঁ পঢ়া চেন্ট্ ষ্টিফেন্চ স্কুলত শুটিঙ এটা জনপ্ৰিয় খেল আছিল। পিছত তেওঁ জাৰ্মানীত প্ৰশিক্ষণ লাভ কৰে।

৬৬ কিলোগ্ৰাম ফ্ৰীষ্টাইল ৰেষ্ট্লিঙত সুশীল কুমাৰৰ জয়লাভে সকলোকে আচৰিত কৰি তোলে। প্ৰাথমিক ৰাউণ্ডত, সুশীল কুমাৰে (২৫) ইউক্ৰেইনৰ ব্ৰন্দ্ৰি ষ্টেডনিকৰ লগত তিষ্ঠিবই পৰা নাছিল। কিন্তু পিছৰ ৰাউণ্ডত তেওঁ তিনিখন খেলত নিজৰ বিজয় সাব্যস্ত কৰে। তেওঁ চেমি ফাইনেল খেলা কাজাখাস্তানৰ লিঅ'নিড স্পিৰিড'নভক পইন্টৰ আধাৰত ৩-১ ফলাফলত পৰাভূত কৰি ব্ৰঞ্জৰ পদক জয় কৰে। ব্ৰঞ্জৰ পদক ল'বলৈ পডিয়ামত থিয় হওঁতে তেওঁক শান্ত সমাহিত দেখা গৈছিল। কিন্তু দিল্লীৰ নজফগড়ৰ ওচৰৰ বাপৰোলা নামৰ তেওঁৰ সৰু গাঁওখন আনন্দ উল্লাসত ডুব গৈছিল। তেওঁৰ ২২ জনীয়া পৰিয়ালটোত কেৱল সুশীল

অভিনৱ বিন্দ্ৰা

সুশীল কুমাৰ

বিজেন্দৰ কুমাৰ



কুমাৰৰহে বেইজিঙত আগ্ৰহ আছে। তেওঁৰ এই সফলতাত নিজে এজন পালোৱান তেওঁৰ ককাক ল'টান সিঙে বৰ আনন্দ পাইছে। ১৯৫২ চনৰ হেলচিংকি অলিম্পিকত ব্ৰঞ্জৰ পদক জয়লাভ কৰা কে.ডি.যাদৱৰ পাছত এই সন্মান লাভ কৰা সুশীল দ্বিতীয় গৰাকী ভাৰতীয় ৰেষ্টলাৰ হয়গৈ।

হাৰিয়ানাৰ বাসিন্দা বিজেন্দৰ কুমাৰে (২৩) যোৱা বছৰ এচিয়া বক্সিঙ চেম্পিয়নশ্বিপৰ দ্বিতীয় স্থান লাভ কৰিছিল। ভাৰতীয় অলিম্পিক দলত তেওঁৰ শ্ৰেষ্ঠ বক্সাৰ হিচাপে গণ্য কৰা হৈছিল। ৭৫ কি.গ্ৰা.শাখাত ইকুৱেডৰৰ কাৰ্ল'চ গংগ'ৰাক ৯-৪ ফলাফলত পৰাভূত কৰি ভিৱানী বক্সিঙ স্কুলৰ সদস্য বিজেন্দৰে চেমিফাইনেলত প্ৰৱেশ কৰে। চেমিফাইনেলত তেওঁ কিউবাৰ এমিলিয়' কৰিয়া বেয়ুক্সৰ হাতত পৰাভূত হোৱাত ব্ৰঞ্জৰ পদক লৈয়েই সন্তুষ্ট হ'বলগীয়া হয়। অৱসৰপ্ৰাপ্ত সেনা বিষয়া তেওঁৰ ককাদেউতাকে কয়, 'বিজেন্দৰৰ সাফল্যই এতিয়া দেশত বক্সিঙ খেলত এটা ডাঙৰ উৎসাহ দিব।''

আকৰ্ষণীয় কথা হ'ল ভাৰতৰ হৈ পদক জয় কৰা এই তিনিওজন খেলুৱৈ ২০০ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ এটা অঞ্চলতে ডাঙৰ দীঘল হৈছিল।

বিশ্ব ৰেকৰ্ড

বেইজিঙ অলিম্পিকত ২০৫ খন দেশৰ ১০,৭০০ জন প্ৰতিযোগীয়ে ভাগ লৈছিল। ইয়াৰে ৮৭ খনৰো অধিক দেশে পদক তালিকাত স্থান লাভ কৰে। ৫১টা সোণৰ পদককে ধৰি মুঠ ১০০টা পদক জয় কৰি চীনে পদক তালিকাৰ শীৰ্ষস্থান লাভ কৰে। মুঠ ১১০টা পদক জয় কৰি আমেৰিকা যুক্তৰাষ্ট্ৰই লাভ কৰে দ্বিতীয় স্থান।

এই ২৯ তম অলিম্পিকত মুঠ ৪৩টা বিশ্ব ৰেকৰ্ড প্ৰতিষ্ঠা হয়। চুইমিঙৰ তেওঁ ভাগ লোৱা ৮টা শাখাতেই প্ৰতিটোতে বিশ্ব ৰেকৰ্ড গঢ়ি আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাইকেল ফেল্‌পচে দেখুওৱা ক্ৰীড়াশৈলী অবিস্মৰণীয় হৈ ৰ'ব। জামাইকাৰ উচেইন ব'ল্টএ ১০০ মিটাৰ (৯.৬৯ চেকেণ্ড) আৰু ২০০ মিটাৰ (১৯.৩০ চেকেণ্ড) দৌৰত বিশ্ব ৰেকৰ্ড গঢ়ে। বেইজিঙৰ প'ল ভল্টত ৰাচিয়াৰ এলেনা ইচিনবেয়েভাই তেওঁৰ ২৩ তম বিশ্ব ৰেকৰ্ড প্ৰতিষ্ঠা কৰে।

চান্দমামা কুইজ-৭ আগষ্ট ২০০৮:

আমাৰ অসমীয়া সংস্কৰণৰ কোনো পাঠকৰে প্ৰৰিষ্টিত আটাইবোৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। আমাৰ পাঠসকলৰ সুবিধাৰ্থে, কুইজ-৭ৰ উত্তৰসমূহ দিয়া হৈছে ৩৮ পৃষ্ঠাত। চান্দমামা কুইজ প্ৰতিযোগিতাত অবিৰতভাৱে ভাগ লৈ থাকিবা, এই আশাৰে।

বীৰবলৰ কাহিনী-১৪

লাঠিৰ মুখত ওলাল অপৰাধ

সম্ৰাট আকবৰে এবাৰ বীৰবলক লগত লৈ উদ্যানত টহল দি আছিল। হাঁহিত পেটৰ নাড়ী ভুৰু ওলাব খোজা কৌতুক কৈ তেওঁ সম্ৰাটক আমোদ দি আছিল। হঠাতে সম্ৰাটৰ এটা মৃদু আৰ্তনাদ শুনা গ'ল।

দেখা গ'ল, আকবৰে তেওঁৰ সোঁহাতৰ ওখহি যোৱা এঠাইত আঙুলিৰে খুব ঘঁহিব লাগিছে। তেওঁ প্ৰচণ্ড বিষ অনুভৱ কৰিছিল। বীৰবলে ওখহা ঠাইটুকুৰা পৰীক্ষা কৰিলে। তাৰপাছত তেওঁ হাঁহিত বাগৰি পৰাৰ উপক্ৰম হ'ল। "মই বিষত ত্ৰিভূৱন দেখাৰ সময়ত তুমি কি সাহসত হাঁহিছা?" সম্ৰাটে নিজৰ ক্ৰোধ ব্যক্ত কৰিলে।

"ক্ষমা কৰিব, শ্বাহেনশ্বাহ! মই আপোনক অসন্মান কৰিব খোজা নাই।" বীৰবলে ক'লে। তৎক্ষণাৎ গৈ তেওঁ ওচৰৰে এজোপা গছৰপৰা এটা হালধীয়া নেমু লৈ আহিল। নিজৰ লগত থকা এখন সৰু কটাৰীৰে বীৰবলে নেমুটো টুকুৰা টুকুৰ কৰিলে আৰু সম্ৰাটৰ ওখহা ঠাইটুকুৰাত নেমুৰ ৰস চেপি আলফুলে ঘঁহি দিলে। সম্ৰাটৰ আৰাম লাগিল।

"তাৰমানে নেমুৰ ৰসে বৰলৰ কামোৰৰ বিষ নোহোৱা কৰিব পাৰে?"

"আপুনি এতিয়া এই সত্যটো শিকিলে, শ্বাহেনশ্বাহ। মইয়ো আন এটা সত্য শিকিলো যাৰ বাবে মোৰ হাঁহি উঠিছিল।" বীৰবলে গহীনাই ক'লে।

"সেইটোবা কি?" আকবৰে সুধিলে।

"আমি কওঁ মানুহেই ভগৱানৰ সবাতোকৈ অপূৰ্ব সৃষ্টি। মোৰ পিছে তাত সন্দেহ আছে," বীৰবলে ক'লে।

"কিন্তু কিয়?" সম্ৰাটে বুজি নাপালে।

"শ্বাহেনশ্বাহ, আপুনি হ'ল গোটেই পৃথিৱীৰ আটাইতকৈ শক্তিশালী শাসক। তথাপি বৰলৰ দৰে এটা ক্ষুদ্ৰ পতংগই আপোনাৰ সমুখেদি উৰা মাৰি, তাকো আপোনাৰ অনুমতি নোলোৱাকৈ আপোনাক কামুৰিবলৈ সাহস কৰিব পাৰে!"

"বীৰবল, সেইটো সঁচা কথা। মোৰ শক্তিয়ে বেছিভাগ প্ৰাণীকে ভয় খুৱাব নোৱাৰে। বৰলেও ভয় নাখায়। সাপ বা

বাঘৰতো কথাই নাই। কাৰণটো হ'ল সিহঁতে ইচ্ছা কৰি আনৰ অপকাৰ নকৰে। বিপদৰ গোন্ধ পালেহে সিহঁতে আক্ৰমণ কৰে। মানুহৰ ক্ষেত্ৰত তেনে নহয়। মানুহে পূৰ্ব পৰিকল্পনাৰে অপৰাধ কৰে। এনে অপৰাধীক যোগ্য শাস্তি দিয়াই মোৰ দায়িত্ব।" আকবৰে ক'লে। এইবুলি কৈ তেওঁ উদ্যানৰ গেটখন খুলি তাৰ সিপাৰে উদ্যান আৰু প্ৰাসাদৰ মাজত থকা বাটটোৰ ফালে ওলাই যাব খুজিলে। বীৰবল সম্ৰাটৰ পাছে পাছে গ'ল।

গেটৰ বাহিৰত ৰৈ আছিল এজন বৃদ্ধ মানুহ, পিন্ধনত এখন পৰিষ্কাৰ ধুতি আৰু দীঘল হলৌচেলা। সম্ৰাটৰ আগত মূৰ দোঁৱাই তেওঁ থিয় দি ৰ'ল।

"তুমি কোন?"

"মই বজ্ৰীদাস," এজন সোণাৰী।"

"তুমি মোৰপৰা কি বিচাৰি আহিছা?"

"শ্বাহেনশ্বাহ! মোৰ কামৰ বাবে লগা গোটেইখিনি সোণ মই মোৰ ঘৰৰ এটা বন্ধ কোঠালিত থৈ দিছিলো। কোঠালিটোত আছে এখন তীখাৰ দুৱাৰ। তাত লাগি থাকে এটা প্ৰকাণ্ড তলা। মইহে কেৱল কোঠালিটোত সোমাব পাৰো। মই যেতিয়া ব্যস্ত থাকো, মই মোৰ চাৰিজন বিশ্বস্ত সহায়কৰ এজনক পঠিয়াই দিওঁ কোঠালিটোৰপৰা লগা সোণখিনি আনিবলৈ। সিহঁত বৰ বিশ্বাসী।"

"কোনোবাই কোঠালিটোৰপৰা তোমাৰ সোণ চুৰ কৰিছে নেকি?" সম্ৰাটে সুধিলে।

"হয় শ্বাহেনশ্বাহ, মই নিশ্চিয় যে ইহঁত চাৰিটাৰ ভিতৰত কোনোবা এটাৰে কাম হ'ব।" বজ্ৰীদাসক অসহায় দেখা গ'ল।

"তোমাৰ কিমান সোণ হেৰাইছে?"

"শ্বাহেনশ্বাহ মুঠতে দহডাল দণ্ড।" দুৰ্ভগীয়া সোণাৰীজনে হাত মোহাৰি ক'লে।

"চিন্তা নকৰিবা। তিনিদিনৰ ভিতৰতে তোমাৰ সোণখিনি বিচাৰি উলিয়াই তোমাৰ হাতত তুলি দিয়া হ'ব।" সম্ৰাটে আশ্বাস দিলে।

মানুহজনে মূৰ দোঁৱাই নীৰৱে আঁতৰি গ'ল।

"তাৰমানে এটা অপৰাধৰ বিচাৰ কৰিব লাগিল," সম্ৰাটে ক'লে।

"অপৰাধীক কেনেকৈ ধৰা হ'ব কিবা ভাবি চাইছেনে?" বীৰবলে সুধিলে।

"মই গোচৰটো পুলিচৰ মূৰব্বীৰ হাতত গতাই দিম।" সম্ৰাটে ক'লে।

দুদিন ধৰি, পুলিচৰ মূৰব্বীজনে দিনে নিশাই কষ্ট কৰিলে। তেওঁ বজ্ৰীদাসৰ চাৰিজন



সহায়কক সোধপোছ কৰিলে। পুলিচ থানাৰ চাৰিটা বেলেগ বেলেগ কোঠাত সিহঁতক বন্দী কৰি থোৱা হ'ল। তেওঁ প্ৰতিজনকে ওলোমাই ফাঁচী দিয়া হ'ব বুলি আৰু গা ওখহি যোৱাকৈ প্ৰহাৰ কৰা হ'ব বুলি ভয় দেখুৱালে, যদিহে সিহঁতে সঁচা কথা নকয়। কিন্তু তেওঁৰ কোনোটো ভাবুকিয়েই কামত নাহিল।

পিছদিনা গধূলিলৈকে একো কৰিব নোৱাৰি তেওঁ বিমোৰত পৰিল। চোৰটো বিচৰাত বিফল হৈছে বুলিও তেওঁ সম্ৰাটক গৈ ক'ব নোৱাৰে। সম্ৰাটৰ ভীষণ খং উঠিব। বন্দী বাঘৰ দৰে তেওঁ নিজৰ কাৰ্যালয়তে অস্থিৰভাৱে ঘূৰি ফুৰিবলৈ ধৰিলে। "কোনে মোক সহায় কৰিব পাৰে?" তেওঁ জনা বুদ্ধিমান মানুহবোৰৰ কথা তেওঁ এজন এজনকৈ মনত পেলালে। হঠাতে তেওঁৰ মনত পৰিল, "বীৰবল! কেৱল তেওঁহে মোক সহায় কৰিব পাৰিব।"

মানুহজনে সময় খৰচ নকৰিলে। তেওঁ বীৰবলৰ ঘৰ ওলালগৈ। বীৰবলে তেওঁক আদৰ সম্ভাষণ জনালে। তেওঁক বহিবলৈ দি বীৰবলে তেওঁক পানীয় পৰিৱেশন কৰি সুধিলে, "কওকচোন, আপোনাক মই কি সহায় কৰিব পাৰো?"

বিষয়াজনে তেওঁৰ দুখৰ কাহিনী বৰ্ণনা কৰিলে। তেওঁ লগতে জনালে যে তেওঁ চাৰিওজন সন্দেহযুক্ত লোককে চাৰিটা বিভিন্ন কক্ষত বন্দী কৰি থৈছে। "সিহঁতৰ কোনটো চোৰ? মই উলিয়াও কেনেকৈ?"

বীৰবল নীৰৱ হৈ পৰিল। বিষয়াজনে ধৈৰ্যৰে অপেক্ষা কৰিলে। প্ৰায় দহ মিনিটৰ বাবে কাৰো মুখত কথা নাই।

"কামটো হ'ব লাগে," বীৰবলেই ভাঙিলে নীৰৱতা।

বিষয়াজনে আশাৰ ৰেঙনি দেখিলে।

"মোক চাৰিডাল লাঠী দিয়ক, প্ৰতিডালৰে দৈৰ্ঘ তিনি ফুট হ'ব লাগিব। এঘণ্টাৰ ভিতৰতে সাজু কৰক। সেইখিনি সময়ৰ ভিতৰতে মই গৈ থানা ওলামগৈ। মই চাৰিজন মানুহক লগ ধৰি কথা পাতিম।" বীৰবলে গেটলৈকে ওলাই আহিল মানুহজনক আগ বঢ়াই দিবলৈ।

এঘণ্টাৰ পাছত বীৰবল থানা ওলালগৈ। বিষয়াজনে তেওঁক আদৰিলে আৰু ভিতৰলৈ সসন্মান আগ বঢ়াই নিলে, "মই চাৰিডাল লাঠী সাজু কৰি থৈছো।" তেওঁ ক'লে।

"মানুহ কেইজনক মাতক। মই তেওঁ-লোকক লগ ধৰিব খোজো," বীৰবলে বিষয়াজনক ক'লে।

বিষয়াজনে তেওঁৰ এজন মানুহক ইংগিত দিলে। তেওঁ দৌৰ মাৰি গ'ল। সোনকালেই চাৰিজন মানুহ লগত লৈ তেওঁ আহিল। বীৰবলে দেখিলে মানুহকেইজন ভাগৰুৱা আৰু অৱশ হৈ আছে। বীৰবলৰ বেয়া লাগিল।

তেওঁ হাঁহি মাৰি চাৰিওজনকে নিজৰ কাষত বহিবলৈ দি ক'লে, "বজ্রীদাসে অভিযোগ কৰিছে যে কোনোবাই তেওঁৰ সোণ থকা কোঠালিটোৰপৰা সোণৰ দহডাল দণ্ড চুৰ কৰিছে। কেৱল তেওঁ নিজে আৰু তোমালোক চাৰিজনহে হেনো এই কোঠালিত সোমাব পাৰা। কথাটো সঁচানে বাৰু?" বীৰবলে সুধিলে।

"হয় মহাশয়!" চাৰিওজনে সমস্বৰে ক'লে।

"তেওঁ তোমালোককেই চোৰ বুলি সন্দেহ কৰিছে," বীৰবলে মানুহ কেইজনৰ উত্তৰলৈ অপেক্ষা কৰিলে।

"মই নিমখ হাৰাম নহওঁ," নিজৰ মালিকৰ প্ৰতি আনুগত্যৰ আশ্বাস দি এজনে বীৰবলক ক'লে।

"মই এজন সৎ মানুহ," দ্বিতীয়-জনে ক'লে।

"মই তেওঁৰ প্ৰতি অকৃতজ্ঞ হ'ব পাৰো কেনেকৈ? যোৱা ২০ বছৰ মই তেওঁৰ লগতে আছো।" তৃতীয়জনে ক'লে।

"মোৰ মতে তোমালোক প্ৰতিজনেই সৎ মানুহ। তোমালোকৰ বিৰুদ্ধে মিছাই অপযশ অনা হৈছে।" বীৰবলে লাঠী কেইডাল লৈ মানুহ কেইজনৰ হাতত

ভাৰতৰ বিষয়ে জানি লোৱা

ভাৰত উৎসৱৰ দেশ, এইবাৰৰৰ কুইজত তাৰে কেইটামান মনত পেলোৱা হৈছে।

১. উত্তৰ ভাৰত, নৱৰাত্তি উৎসৱৰ শেষত তিনিটা ওখ প্ৰতিকৃতি দাহ কৰা হয়। এই তিনিটা প্ৰতিকৃতিয়ে কাক কাক প্ৰতিনিধিত্ব কৰে?

২. বাৰ বছৰৰৰ মূৰত কোনটো উৎসৱ এমাহ জুৰি পালন কৰা হয়? কোন চাৰিখন ঠাইত এই উৎসৱ পালন কৰা হয়?

৩. হ'লিৰ সৈতে জড়িত কিংবদন্তিৰ দুজন মানুহ কোন?

৪. শিখ উৎসৱ বৈশাখীৰ গুৰুত্ব কি?

৫. দুগৰাকী হিন্দু দেৱ দেৱীৰ মূৰ্তি উপাসনা কৰি পিছত সমুদ্ৰ বা নদীত বিসৰ্জন দিয়া হয়। এওঁলোক কোন আৰু উৎসৱ দুটা কি?

(উত্তৰ ৭৪ পৃষ্ঠাত)

তুলি দিলে। এই কেইডাল হ'ল যাদুদণ্ড। এজন অসৎ মানুহে ধৰিলে প্ৰতি নিশা এই লাঠী কেইডাল তিনি ইঞ্চিকৈ বাঢ়ি যায়। লাঠী কেইডাল আজি নিশা তোমালোকৰ লগত ৰাখা। কাইলৈ পুৱা ৮ বজাত অনুগ্ৰহ কৰি লাঠী কেইডাল লৈ ইয়ালৈ আহিবা। মই অপেক্ষা কৰিম।" বীৰবলে তেওঁলোকক যাবলৈ দিলে।

পিছদিনা পুৱা, চাৰিজন মানুহ নিজৰ নিজৰ লাঠী লৈ আহিল। অলপ সময়ৰ পাছত আহিল বীৰবল। তেওঁ মানুহকেইজনক শুভেচ্ছা জনালে। প্ৰথম মানুহজনৰপৰা লাঠীডাল লৈ তেওঁ জোখ ল'লে আৰু সেইডাল একাষৰীয়াকৈ থ'লে। বাকী তিনিজনৰ এজন এজনকৈ মাতি আনি তেওঁ একেটা কামকে কৰিলে। এইবাৰ তেওঁৰ চকুত এটা হাঁহি বিৰিঙি উঠা দেখা গ'ল।

দলটোৰ তৃতীয়জন মানুহলৈ আঙুলিয়াই তেওঁ ক'লে, "তুমিয়েই চোৰ," মানুহজনে প্ৰতিবাদ কৰিলে, কিন্তু বেছি সময় নহয়।

বীৰবলে তেওঁক লাঠীডাল দেখুৱালে। বাকী তিনিডালতকৈ সেইডাল লাঠী তিনি ইঞ্চি চুটি দেখা গ'ল। "তুমি কি কৰিলা মই জানো। পুৱাৰ ভিতৰতে লাঠীডাল তিনি ইঞ্চি দীঘল হ'ব বুলি তুমি ভয় খালা। কিয়নো তুমি অসৎ, ধৰা নপৰিবলৈকে তুমি লাঠীডালৰ এমূৰে তিনি ইঞ্চি কাটি দিলা, এতিয়া লাঠীডাল আগতকৈ চুটি হৈ গ'ল।"

"তাৰ মানে ..." মানুহজনে খঙেৰে ক'লে। "এটা চোৰৰ হাতত থাকিলে লাঠীডাল ৰাতিটোৰ ভিতৰতে তিনি ইঞ্চি দীঘল হ'ব বুলি কৈ আপুনি আসে মাতিলে। আৰু মই তাক সঁচা বুলি ভাবিলো।" পুলিচে মানুহজনৰ-পৰা দহডাল সোণৰ দণ্ড উদ্ধাৰ কৰি বজ্ৰীদাসৰ হাতত গতাই দিলে।

চোৰটোক কাৰাগাৰলৈ পঠিওৱা হ'ল।

পুলিচ বিষয়াজন ৰাজসভালৈ আহিল। সভাসদ সকলৰ ভিতৰত বীৰবলও আছিল। বিষয়াজনে সম্ৰাটক ক'লে যে ৰহস্যৰ মেৰপাক খোল খাইছে লগতে ক'লে, "বীৰবলৰ কৃপাত।"

"বীৰবল?" সম্ৰাটে বীৰবলৰ ফালে চালে।

"হয় শ্বাহেনশ্বাহ!" তাৰপাছত বিষয়াজনে সকলো কথা বিৱৰি ক'লে।

"বীৰবল! তুমি এজন অনুসন্ধান বিষয়া হোৱাহে উচিত আছিল," এইবুলি কৈ সম্ৰাটে হাতৰপৰা সোণৰ এডাল খাৰু খুলি বীৰবলক উপহাৰ দিলে।

সত্য মহিমা

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়া বোধিসত্ত্বই এক ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। এই জনমত তেওঁৰ নাম আছিল কৃষ্ণদ্বৈপায়ন। তেওঁৰ জন্মস্থান আছিল কোশাম্বি নগৰ।

ডাঙৰ হৈ কৃষ্ণদ্বৈপায়নৰূপী বোধিসত্ত্বই সাধাৰণ মানুহৰ দুখ দুৰ্দশা দেখি কাতৰ হৈ জীৱনৰ প্ৰতি বিতৃষ্ণা অহাত নিজৰ যথাসৰ্বস্ব জনসাধাৰণৰ মংগলৰ অৰ্থে দান কৰি সন্ন্যাসীৰ জীৱন যাপন কৰিবলৈ সুদূৰ হিমালয়লৈ গুচি গ'ল।

দীৰ্ঘ পঞ্চাছ বছৰ জোৰা কঠোৰ তপস্যাৰ অন্ততো সিদ্ধিলাভ হোৱা নাই বুলি বোধিসত্ত্বই ভাবিলে। এই দীৰ্ঘকাল ধৰি অৰণ্যৰ ফলমূল লতাপাত আদি ভক্ষণ কৰি কথমপি জীৱনধাৰণ কৰাৰ ফলত কৃষ্ণদ্বৈপায়নৰূপী বোধিসত্ত্বৰ শৰীৰ স্বাস্থ্য একেবাৰে ভাগি পৰিছিল।

তাৰ পাছত হিমালয়ৰপৰা উভতি আহি তীৰ্থ পৰিক্ৰমা কৰোঁতে কৃষ্ণদ্বৈপায়ন তথা বোধিসত্ত্বই তেওঁৰ বালবন্ধু এজনক লগ পালে। এই বন্ধুগৰাকীৰ নাম আছিল মাণ্ডব্য। সৰু গাঁও এখনত থাকে তেওঁ। মাণ্ডব্যই বোধিসত্ত্বক খাবলৈ নিমন্ত্ৰণ কৰিলে আৰু খোৱাৰ অন্তত থাকিবলৈকো ক'লে। মাণ্ডব্যই ইতিমধ্যেই কোনো অসুবিধা নোহোৱাকৈ থাকিব পৰাকৈ বোধিসত্ত্বৰ বাবে কুটীৰ এটা নিৰ্মাণ কৰি পেলাইছিল। বোধিসত্ত্বই তাত আনন্দিত মনেৰে থাকিবলৈ ধৰিলে।

এদিন মাণ্ডব্যৰ পুত্ৰ যজ্ঞদত্তই গুটিকা (ঘূৰণীয়া বস্তু অৰ্থাৎ বল) খেলি থাকোঁতে গুটিকাটো বাগৰি বাগৰি এটা সাপৰ বিবৰত (গাঁতত) সোমালগৈ। শিশু যজ্ঞদত্তই গুটিকাটো উলিয়াই আনিবলৈ সাপৰ গাঁতত হাত ভৰাই দিলে আৰু লগে লগে সাপ এটাই তাক খুটিলে। সৰ্প দংশনত যজ্ঞদত্ত অচেতন হৈ পৰিল।

'জাতক কথা'



পুত্রৰ এই অৱস্থা দেখি মাণ্ডব্যাই তাক কৃষ্ণদ্বৈপায়নৰ ওচৰলৈ লৈ গ'ল আৰু ক'লে, "হে কৃষ্ণদ্বৈপায়ন, তোমাৰ পঞ্চাছ-বছৰ জোৰা তপস্যাৰ শক্তিৰে আমাৰ এই একমাত্র পুত্রক তুমি পুনৰজীৱিত কৰি তোলাঁ। কাবৌ কৰিছো, তুমি আমাক আমাৰ পুত্রক ভিক্ষা দিয়াঁ।"

মাণ্ডব্য দম্পতিয়ে এনেকৈ কোৱাত কৃষ্ণদ্বৈপায়নে ক'লে, "মাণ্ডব্য, তোমালোকে ভুলকৈ মোক শক্তিমান বলি ভাবিছা। তপস্যাৰে মই কণমানো শক্তি আৰ্জিব পৰা নাই, সিদ্ধিলাভ দূৰৰে কথা। তোমালোকে মোক বিশ্বাস কৰা, সাপে খোটাৰ দৰবপাতিও মই নাজানো। এনে অৱস্থাত--মই কেনেকৈ তোমালোকক সহায় সান্ত্বনা দিব পাৰোঁ ভাবি উলিয়াব পৰা নাই।"

"হে কৃষ্ণদ্বৈপায়ন, পঞ্চাছ বছৰৰ তপস্যা বিফল হ'ব নোৱাৰে। তুমি তাক স্পৰ্শ কৰি এষাৰ সত্য কথা ক'লেও সি পুনৰ্জীৱিত হৈ উঠিব।" মাণ্ডব্যই ক'লে।

মাণ্ডব্যৰ কথাত মান্তি হৈ পুত্রক পুনৰ্জীৱিত কৰিবলৈ কৃষ্ণাদ্বৈপায়নে কৈ উঠিল:

সত্তাহং এবাহ প্রসন্নাচিত্তো।
পুঞ্জাথিকো আচৰিং ব্রহ্মচৰিয়ম্।।
আধাপৰং যং চৰিচতং মময়িদম্।
বস্যানি পঞ্জাস সমাধিকানি।।
অকামকো বা হি লেহং চৰামি।
এতেন সচ্চেন সুবখি হোতু।।
হতং বিসং জীৱতু যজ্ঞদত্তো।।

(মই পুণ্যাৰ্জনৰ বাবে এক সপ্তাহ ধৰি নিৰ্মল চিত্তেৰে ব্রহ্মচৰ্য্য অৱলম্বন কৰিছিলোঁ। পঞ্চাছ বছৰ ধৰি কৰা তপস্যা মই বিশুদ্ধ চিত্তেৰে কৰা নাছিলোঁ। মোৰ এই সত্য কথাই যজ্ঞদত্তৰ দেহক পৰিপূৰ্ণভাৱে বিষমুক্ত কৰক আৰু সি এতিয়াই পুনৰ্জীৱিত হওক।)

এই কথা কোৱাৰ লগে লগে যজ্ঞদত্তই চকু মেলি চালে। কিন্তু পাছ মুহূৰ্ততে সি পুনৰ অচেতন হৈ পৰিল।

কৃষ্ণদ্বৈপায়নে মাণ্ডব্যক ক'লে, "দেখিলানে, মোৰ শক্তি একোৱেই নাই, তাক পৰিপূৰ্ণ বিষমুক্ত কৰিব নোৱাৰিলোঁ মই। এতিয়া তুমিও সত্য কথা কৈ এবাৰ চেষ্টা কৰি চোৱাঁ।"

পুত্রক পুনৰ্জীৱিত কৰিবলৈ মাণ্ডব্যই তেওঁৰ জীৱনৰ সত্য কথা ক'লে:

যস্মা দাননং ন অভিনন্দিং কদাচি।
দিৱবানাহং অতিথিং বা সকালে।।

ন চাপি মে অপ্পিয়ং অলেদুং।
বহুস্সুতা সমনা ব্ৰাহ্মণাবি।
অকামকো বা হি সেহং দদামি।
এতেন সচ্চেন সুবথি হোতু॥
হতং বিসং জীৱতু যজ্ঞোদত্তো॥

(মই ইচ্ছাসহকাৰে অতিথিসৎকাৰ নকৰোঁ। শ্ৰমণ আৰু ব্ৰাহ্মণ পণ্ডিতগণলৈ মই অনিচ্ছা-সহকাৰে অভ্যৰ্থনা জ্ঞাপন কৰাৰ কথা ভাবিবই পৰা নাছিলোঁ। মই দান ধৰ্মও অনিচ্ছাৰেহে কৰোঁ। মই কোৱা এই সত্যকথাৰ ফলস্বৰূপে মোৰ পুত্ৰ যজ্ঞদত্ত পুনৰ্জীৱিত হৈ উঠক।)

লগে লগে যজ্ঞদত্ত উঠি বহিল; কিন্তু পুনৰ সি বাগৰি পৰিল। তেতিয়া মাণ্ডব্যই তেওঁৰ পত্নীক সত্য কথা ক'বলৈ অনুৰোধ কৰাত মাণ্ডব্যৰ পত্নীয়ে মাণ্ডব্যক ক'লে, "মই ইয়াত আপোনাৰ আগত সত্য কথা ক'ব নোৱাৰিম।"

মাণ্ডব্যই তেওঁৰ পত্নীক ক'লে, "তুমি বাৰু বলিয়া হ'লানেকি? মোৰ আগত ক'ব নোৱৰা কথা ইহ জীৱনত কিনো আছে তোমাৰ?"

তেতিয়া নিৰুপায়ত পৰি মাণ্ডব্য পত্নীয়ে লাহে লাহে কৈ থাকিল:

অসো বিসো তাত পহত তেজো।
যে তং অদট্ঠি পতৰা হৃদচ্চি॥
তস্মিং চ মে অপ্পিয়ায় অজ্জ।
পিতৰি চ তে নথি কোচ্ছি বিসেসো।
এতেন সচ্চেন সুবথি হোতু।
ইতং বিসং জীৱতু যজ্ঞদত্তো॥

(বোপা, তোমাক খোটা সাপটোক দেখি ঘিণ লগাৰ দৰে তোমাৰ দেউতাৰাক দেখিলেও মোৰ ঘিণ লাগি যায়। এই সাপ আৰু তোমাৰ



দেউতাৰাৰ মাজত মই একো পাৰ্থক্য নেদেখোঁ। মোৰ এই সত্য উক্তিৰ ফলস্বৰূপে তুমি পুনৰ্জীৱিত হৈ উঠা।)

মাণ্ডব্য পত্নীয়ে এই কথা কোৱাৰ লগে লগে যজ্ঞদত্ত উঠি থিয় হ'ল আৰু আগৰ দৰেই গুটিকা খেলি থাকিল। তেতিয়া মাণ্ডব্যই কৃষ্ণদ্বৈপায়নক ক'লে, "হে কৃষ্ণদ্বৈপায়ন, অনিচ্ছা সত্ত্বেও তুমি পঞ্চাছ বছৰ ধৰি কেনেকৈ যে তপস্যা কৰিছিলা, মই ভাবি উলিয়াব পৰা নাই কথাটো। কিয় এই কাম কৰিছিলা?"

"কিয়নো--" কৃষ্ণদ্বৈপায়নে ক'লে, "তপস্যা কৰিবলৈ ওলাই সোনকালে উভতি আহিলে লোকৰ আগত হাঁহিয়াতৰ পাত্ৰ হ'ব লাগে। সেয়েহে সন্ন্যাসীৰ জীৱন ভাল নলগা সত্ত্বেও মই দীৰ্ঘকাললৈ তপস্যা চলাই গৈছিলোঁ। কিন্তু--হে মাণ্ডব্য, তুমিনো কিয়

আৰু কেনেকৈ অনিচ্ছাসত্ত্বে অতিথি সৎকাৰ কৰিছিলা? তোমাৰ আনন্দময় আহ্বান অভ্যৰ্থনা, আদৰ আপ্যায়ন আদিয়ে কিন্তু তোমাৰ এই আচৰিত অনিচ্ছাক অকণোকে প্ৰকাশ নকৰে। তোমাৰ এই বাধ্যতামূলক অতিথি সৎকাৰৰ হেতু কি, কথাষাৰ মোক বুজাই ক'বানে?"

"হেতু হ'ল যে--মোৰ পিতৃপুৰুষে সদায় দানধৰ্ম অতিথিসৎকাৰাদি কৰিছিল। গতিকে--মনৰ ইচ্ছা নথকা সত্ত্বেও এই চলি অহা প্ৰক্ৰিয়াক মযো চলাই গৈছোঁ। অন্তৰৰপৰা এটা ফুটা কড়িও কাকো দিবলৈ মন নাযায়।" এই কথা কৈয়েই মাণ্ডব্যই তেওঁৰ পত্নীলৈ চাই ক'লে, "নিচেই সৰুতেই মোৰ বিয়া পতা হৈছিল। তুমি নিচেই সৰু অৱস্থাত আমাৰ ঘৰলৈ আহিছিলা। মোকো যেতিয়া সাপ বুলিয়েই ভাবাঁ, তেতিয়া এনেবোৰ ভয়ংকৰ কথা বুকুত বান্ধি লৈ সংসাৰ কৰিছানো কেনেকৈ? নিজৰ স্বামীৰ প্ৰতি তোমাৰ এই চৰম বিতৃষ্ণা সত্ত্বেও এজনী ব্যভিচাৰিণীৰ দৰে মোৰ লগতনো বসবাস কৰিছা কেনেকৈ?"

এই কথাৰ উত্তৰত মাণ্ডব্যৰ পত্নীয়ে ক'লে, "আপোনালোকৰ পৰিয়ালখন ঐতিহ্যসম্পন্ন। এই পৰিয়ালৰপৰা ওলাই গৈ মই আন কাৰোবাক বিয়া কৰোৱাহেঁতেন আপোনা-লোকৰ তথা মোৰো যথেষ্ট বদনাম হ'লহেঁতেন। যি কি নহওঁক, পুত্ৰৰ পুনৰ্জীৱন বিচাৰিহে মই আপোনাক ঘৃণাৰ কথা কলোঁ, নহ'লে আপুনি কেতিয়াও গম নাপালেহেঁতেন।"

"তুমি সঁচা কথা কোৱাত মই বেয়া পোৱা নাই। এতিয়াৰপৰা, মোৰ প্ৰতি যাতে ঘৃণাৰ সৃষ্টি নহয়, তেনেকৈ চলাৰ চেষ্টা কৰিম মই।" নিজৰ কোনো ধৰণৰ অসন্তুষ্টি প্ৰকাশ নকৰি মাণ্ডব্যই পত্নীক ক'লে।

তাৰ পাছত কৃষ্ণদ্বৈপায়নৰূপী বোধিত্ত্বই মাণ্ডব্যক ক'লে, "দানধৰ্ম কৰাৰ ইচ্ছা নহ'লে তুমি দানধৰ্ম নকৰিবা, এই কথাত জগৰ লাগিব বুলি তুমি কোনো কাৰণতে ভয় কৰিব নালাগে মযো এতিয়াৰপৰা অন্তৰত কোনো ধৰণৰ দ্বিধা বা শংকা ভাব নাৰাখি, শুদ্ধচিত্তে আৰু সানন্দে সন্ন্যাসীৰ জীৱনযাপন কৰিম।" এই বুলি কৈ, কৃষ্ণদ্বৈপায়নৰূপী বোধিসত্ত্বই মাণ্ডব্য আৰু মাণ্ডব্যৰ পত্নীৰপৰা বিদায় লৈ তাৰপৰা তেতিয়াই গুচি গ'ল।





ৰামায়ণ

সেই কাউৰীটো আছিল ইন্দ্ৰৰ ল'ৰা। পক্ষীশ্ৰেষ্ঠ আছিল সি। পৰ্বতত বাস কৰিছিল। বায়ু-বেগেৰে উৰিব পাৰিছিল। ব্ৰহ্মাস্ত্ৰই যেতিয়া খেদি গ'ল তেতিয়া সেই কাউৰীয়ে তিনিও লোকতে পলাই ফুৰিবলৈ ধৰিলে। না ইন্দ্ৰ, না দেৱতা, না মহৰ্ষি কোনেও তাক ৰক্ষা কৰিব নোৱাৰিলে। অৱশেষত কাউৰীটো আহি ৰামৰ শৰণাগত হ'লহি। ৰাম যিহেতু শৰণাগতবৎসল আছিল সেয়ে তেওঁ কাউৰীটোক মাফ কৰি দিলে। কিন্তু ব্ৰহ্মাস্ত্ৰ ব্যৰ্থ নহয়। সেয়েহে তাৰ বাঁও চকুটো নোহোৱা হৈ আহিল।

সীতাই এই কাহিনী শুনাই ক'লে, "ইমান সমৰ্থ আৰু পৰাক্ৰমী হৈও, যদি মোৰ স্বামীয়ে মোক ৰক্ষা কৰিব নোৱাৰে তেন্তে তাৰ কাৰণ হ'ল মোৰ মহাপাপ।" হনুমানে তেওঁক আশ্বাস দিলে আৰু সুধিলে যে ৰাম, লক্ষ্মণ, আৰু সুগ্ৰীৱ আদি বানৰসকলক তেওঁ কিবা ক'ব খোজে নেকি?"

"ক'বা যে মই ৰামৰ কুশল বাতৰি সুধিছো। তেওঁক মোৰ সাষ্টাংগ প্ৰণিপাতৰ কথা জনাবা। আৰু ক'বা যে মই সেই লক্ষ্মণৰো কুশল বাৰ্ত্তা সুধিছো যি মোক নিজৰ মাকৰ দৰে শ্ৰদ্ধা কৰে। সেই সময়ত তেওঁ মোৰ লগত থকা হ'লে ৰাৱণে মোক অপহৰণ কৰিব নোৱাৰিলেহেঁতেন।" এইবুলি কৈ সীতাই আঁচলত বান্ধি থোৱা চূড়ামণি উলিয়াই, হনুমানৰ হাতত দি ক'লে, "এইটো মোৰ মায়ে মোক মোৰ বিয়াৰ সময়ত দিছিল। তেতিয়া ৰজা দশৰথো তাতে আছিল। এই খাৰুপাত দেখাৰ লগে লগে ৰামৰ নিজৰ পিতাক আৰু মোৰ মালৈ মনত পৰিব।"

সীতাক যি ক'ব লগা আছে কৈ হনুমান

সুন্দৰ কাণ্ড-৫

আন এফালে গ'ল। যিটো লক্ষ্য লৈ তেওঁ লংকালৈ আহিছিল সেইটা পূৰা হ'ল। সেয়েহে তেওঁ সন্তুষ্ট আছিল। তেওঁ এইটোও গম পালে ৰাৱণৰ উদ্দেশ্য কি? ৰাৱণৰ দুষ্ট আচৰণ আৰু সীতাৰ অসহায় অৱস্থা তেওঁ যিহেতু নিজ চকুৰে দেখিছিল সেয়েহে তেওঁৰ দৃঢ় বিশ্বাস হ'ল যে ৰাৱণ আৰু তেওঁৰ অনুগত ৰাক্ষসসকলক বধ নকৰাকৈ সীতাক উদ্ধাৰ কৰা অসম্ভৱ। এই কথা ভাবি তেওঁ ৰাৱণৰো দুটামান খবৰ ল'ব খুজিলে। ইমান জটিলতা অতিক্রম কৰি লংকালৈ আহি কেৱল সীতাক চায়েই উভতি যোৱাটো সমীচীন নহ'ব। তেওঁ ভাবিলে যদি এইবোৰ কথা জানি লোৱা হয় যে ৰাক্ষসসকলৰ পৰাক্রম কিমান, যুদ্ধত কোন কিমান পটু, ইত্যাদি--তেন্তে সুগ্রীৱৰ আদেশ ভালকৈ পালন কৰিব পৰা যাব আৰু ৰাৱণকো দেখুৱাব পৰা যাব বান্দৰৰ পৰাক্রম কিমান। ৰাৱণক ক্রোধান্বিত কৰিবলৈ অশোক বন ধ্বংস কৰাতকৈ আন ভাল উপায় একোৱেই হ'ব নোৱাৰে বুলি পতিয়ন গৈ হনুমানে অশোক বনৰ গছবোৰ ওঘালিবলৈ ধৰিলে। ক্রীড়া সৰোবৰ নষ্ট কৰিবলৈ ধৰিলে। ক্রীড়া পৰ্বতবোৰ উঠাই দূৰত পেলাই দিলে। গোটেই অশোক বন লণ্ড ভণ্ড কৰিলে। গছত বহি থকা চৰাইবোৰে ভয়তে চিঞৰিলে। গছ লতা খহি পৰিল, ঘৰ বাগৰি পৰিল। যিমানেই ৰাক্ষস নাহক কিয় সিহঁতৰ লগত যুদ্ধ কৰিবলৈ হনুমান বাহিৰৰ দুৱাৰখনৰ ওচৰলৈ আহিল।

হনুমানৰ ধ্বংসক্রিয়া দেখি সকলো ৰাক্ষস স্ত্রী পলাই গ'ল। সিহঁতে হনুমানৰ ফালে চাই থকা দেখি হনুমানে ইতিমধ্যে ফুলি থকা নিজৰ দেহ আৰু ফুলাই দিলে। এজনী ৰাক্ষসীয়ে সীতাক সুধিলে, "এওঁ কোন? ক'ৰপৰা আহিছে? কোনে পঠিয়াইছে? তোমাক এওঁ কি কৈছিল?"

"তেওঁ কোন, মই জানিম কেনেকৈ ৰাক্ষসৰ কথা ৰাক্ষসেহে বুজিব পাৰে। তেওঁক দেখি মোৰ ভয় লাগিছে। তেওঁ কোন, তুমিয়েই কোৱাচোন।" সীতাই ক'লে।

সীতাৰ এই কথা শুনি ৰাক্ষস স্ত্রীসকলে বৰ ভয় খালে। তাৰে কিছুমান সীতাক ৰক্ষা কৰিবলৈ তাতে থাকি গ'ল আৰু বাকীসকল ৰাৱণক কথাবোৰ ক'বলৈ গ'ল। তেওঁলোকে ৰাৱণক ক'লে, "দেখাত ভয়ংকৰ, অত্যন্ত বলশালী, এটা বান্দৰে সীতাৰ সৈতে কথা পাতিছিল। এতিয়া অশোক বনত আছে। যেতিয়া আমি সুধিলো তেওঁ কোন তেতিয়া সীতাই আমাক একো নক'লে। নাজানো তেওঁক কোনে পঠিয়াইছে, কিন্তু তেওঁ

গোটেই অন্বেষপুৰৰ উদ্যান শেষ কৰি পেলাইছে। একো বাকী ৰখা নাই। কেৱল সেইজোপা গছ ওখালি পেলোৱা নাই যাৰ তলত সীতা বহিছিল। সীতা আন এজোপা গছৰ তললৈ গৈছে। সেইজোপা গছো বান্দৰটোৱে এৰা নাই। তেওঁ যিহেতু অশোক বন লণ্ড ভণ্ড কৰিছে আৰু তেও যিহেতু সীতাৰ লগত কথা পাতিছে, সেয়েহে তেওঁৰ প্ৰাণদণ্ড হোৱা উচিত।" ৰাৱণ এই কথা শুনি ক্ৰোধান্বিত হ'ল কিন্তু লগতে এই কথা জানি তেওঁ আচৰিতো হ'ল যে এনেকুৱা বলৱান বান্দৰ লংকালৈ কিয় আৰু কেনেকৈ আহিল আৰু তেওঁৰ অশোক বন কিয় সংহাৰ কৰিবলৈ ওলাইছে। সীতাৰ লগত তাৰ কি সম্বন্ধ থাকিব পাৰে? তথাপি সেইটোক অসাধাৰণ বান্দৰ বুলি ভাবি ৰাৱণে তেওঁৰ দৰে পৰাক্ৰমী আশী হাজাৰ ৰাক্ষসক, কিংকৰক আজ্ঞা দিলে যে সিহঁতে যেন বিভিন্ন ধৰণৰ অস্ত্ৰ শস্ত্ৰ লৈ অশোক বনৰ দুৱাৰৰ ওচৰত থিয় হোৱা বান্দৰটোৰ ওচৰলৈ যায় আৰু হয় তাক মাৰি পেলাওক বা লংকাৰপৰা খেদি দিয়ক। ৰাক্ষসসকলে যেতিয়া হনুমানক ঘেৰি ধৰিলে তেতিয়া হনুমানে নিজৰ নেজডালেৰে মাটিত জোৰেৰে মাৰি চিঞৰিলে।

"ৰাম লক্ষ্মণৰ জয়, বানৰ ৰজা সুগ্ৰীৱৰ জয়। মই ৰামৰ দাস। মোৰ নাম হনুমান। মই শত্ৰুহন্তা, হাজাৰটা ৰাৱণেহে যুদ্ধত মোৰ মুখামুখি হ'ব পাৰে। ৰাক্ষসহঁতক বিনাশ কৰি, এই লংকা নগৰী বিধ্বস্ত কৰি, সীতাক নমস্কাৰ কৰি, ৰামৰ ওচৰলৈ মই ঘূৰি যাম," হনুমানে ডাঙৰকৈ চিঞৰিলে।

ৰঙৰ পৰ্বতৰ দৰে দেখা হনুমানক দেখি



তেওঁৰ গৰ্জন শুনি, ৰাক্ষসসকলে ভয় খালে যদিও ৰজাৰ আজ্ঞা যিহেতু পালন কৰিবই লাগিব সেয়েহে ৰাক্ষসহঁতে হনুমানৰ ওপৰত অস্ত্ৰ প্ৰয়োগ কৰিলে। হনুমানে দুৱাৰৰ ওচৰৰপৰা লোহাৰ স্তম্ভ এটা ওখালি তাৰে ৰাক্ষস আৰু কিংকৰহঁতক বেয়া ধৰণে প্ৰহাৰ কৰিলে। কিছুমান ৰাক্ষস পলাই গ'ল। তথাপি হনুমানৰ যুদ্ধৰ বাসনা পূৰা নহ'ল। হনুমান দুৱাৰৰ ওচৰতে থিয় হৈ থাকিল।

ইয়াৰ মাজতে, কিছুমান ৰাক্ষস পলাই পলাই ৰাৱণৰ ওচৰলৈ গ'ল। সিহঁতে জনালে যে হনুমানৰ হাতত সমূহ কিংকৰ মৰা পৰিছে। ৰাৱণ ক্ৰোধান্বিত হ'ল। ৰাৱণে চকু ডাঙৰ কৰি, হনুমানৰ সৈতে যুদ্ধ কৰিবলৈ পুতেক অজেয় আৰু জম্বুমালীক আজ্ঞা দিলে।

কিংকৰহঁতক মাৰি যেতিয়া হনুমান থিয় দি আছিল তেতিয়া অশোক বনৰ চৈত্য

ভৱনৰ কথা হনুমানৰ মনত পৰিল। সেই ভৱনটো হনুমানে নষ্ট কৰা নাছিল। সেইটো নষ্ট কৰিবলৈ হনুমানে চৈত্য ভৱনৰ ওপৰলৈ জাঁপ মাৰিলে। সেই ভৱনৰ নিৰাপত্তাৰ দায়িত্বত থকা এশটা ৰাক্ষসে অস্ত্ৰ শস্ত্ৰ লৈ হনুমানৰ ওপৰত জঁপিয়াই পৰিল। সেই অস্ত্ৰ শস্ত্ৰবোৰ গাত লগাত হনুমানৰ আৰু খং উঠিল আৰু তেওঁ নিজৰ শৰীৰ ডাঙৰ কৰি আনিলে। তেওঁ প্ৰাসাদৰ এটা ডাঙৰ স্তম্ভ ওঘালি তাক প্ৰচণ্ড বেগেৰে ঘূৰাবলৈ ধৰিলে। তাৰ তাপৰপৰা অগ্নি সৃষ্টি হ'ল আৰু সেই অগ্নিত গোটেই ভৱনটো ভস্মীভূত হ'ল। হনুমানে সেই স্তম্ভটোৰে এশ ৰাক্ষসক নিধন কৰিলে।

তাৰপাছত হনুমানে গৰ্জন কৰি ক'লে, "মোৰ দৰে হাজাৰটা বান্দৰক সীতাক বিচাৰি সুগ্ৰীৱে পঠিয়াইছে। লাখ কোটি বান্দৰ লগত লৈ সুগ্ৰীৱ ইয়ালৈ আহিব। তোমালোকে ৰামৰ সৈতে শত্ৰুতা কৰিছা। এতিয়া তোমালোকৰ লংকা নাথাকিব। বিধ্বস্ত হ'ল। না তোমালোক থাকিবা, না ৰাৱণ থাকিব।"

ৰঙা ফুল পিন্ধি, মূৰত ফুল থৈ, ধনু আৰু সুন্দৰ বাণ লৈ জম্বুমালী যেতিয়া গাধই টনা ৰথত উঠি আহিল তেতিয়া হনুমান দুৱাৰত বহি আছিল। জম্বুমালীয়ে বহুতো বাণ এৰি হনুমানৰ মুখ আৰু শৰীৰ আঘাত প্ৰাপ্ত কৰিলে। যেতিয়া হনুমানে ডাঙৰ ডাঙৰ পাথৰ মাৰি পঠিয়ালে, তেতিয়া জম্বুমালীয়ে বাণ মাৰি সেইবোৰ আঁতৰাই পঠিয়ালে। যেতিয়া চগুণৰ বৃক্ষ মাৰিলে, তেতিয়া সেইবোৰ টুকুৰা টুকুৰ কৰিলে। শেষত ইতিমধ্যে কামত লগোৱা সেই লোহাৰ স্তম্ভৰে হনুমানে জম্বুমালী, তাৰ গাধবোৰ, ৰথ এই সকলোবোৰ সংহাৰ কৰিলে।

যেতিয়া ৰাৱণে শুনিলে যে কিংকৰৰ বাহিৰে জম্বুমালীও ৰণত পৰিছে, তেতিয়া ৰাৱণৰ বৰ খং উঠিল। ৰাৱণে তেওঁৰ সাতজন মন্ত্ৰীপুত্ৰক হনুমানৰ লগত যুদ্ধ কৰিবলৈ পঠিয়ালে। সিহঁতে নিজৰ নিজৰ সেনাবাহিনী লৈ হনুমানক খেদি গ'ল। সিহঁতে হনুমানৰ ওপৰত এৰা বাণৰপৰা নিজৰ গা বচাই, হনুমানে বতাহতে ইফালে সিফালে ঘূৰিবলৈ ধৰিলে আৰু যিবোৰ ৰাক্ষসে তেওঁৰ ওপৰত আক্ৰমণ কৰিছিল সিহঁতক হাতেৰে বা ভৰিৰে মাৰি পেলালে। সিহঁতে মৃত্যুৰ আগে আগে কৰা আৰ্ত্তনাদত গোটেই লংকা কঁপি উঠিল। মন্ত্ৰীপুত্ৰহঁতৰ মৃত্যুৰ খবৰ পাই ৰাৱণে বাহিৰত প্ৰবেশ নকৰিলে। তেওঁ মনতে ভাবিবলৈ ধৰিলে যে মাত্ৰ এটা বান্দৰে অকলেই বিনা অস্ত্ৰে হাজাৰ হাজাৰ ৰাক্ষসক মাৰিব পাৰে, সিতো আমাৰ স্বৰ্ণলংকাও ইচ্ছা

কৰিলে সংহাৰ কৰিব পাৰে। তথাপি তেওঁ আশা কৰিছিল যে তেওঁৰ সেনাপতি সেই দুষ্ট বান্দৰটো ধৰাত সফল হ'ব। সেয়েহে তেওঁ বিৰূপাক্ষ, কামাক্ষ, দুৰ্ধৰ, প্ৰঘচ, ভাস্কৰ আদি প্ৰধান সেনাপতিসকলক মাতি আনি ক'লে, "তোমালোকে চতুৰংগ সেনাক লগত লৈ সেই বান্দৰটোকে শাস্তি দিয়াগৈ। সেই বান্দৰটো মোৰ সাধাৰণ বান্দৰ যেন লগা নাই। সম্ভৱ ইন্দ্ৰই তপস্যা কৰি এই ভূতটোক আমাৰ ওচৰলৈ পঠিয়াইছে। মই বৰ বৰ মহাবলৱান বান্দৰ বালী, সুগ্ৰীৱ, নীল আদিক দেখিছো। কিন্তু এই বান্দৰটো দেখিছো তেওঁলোকতকৈয়ো বেছি পৰাক্ৰমী। ই বান্দৰ ৰূপত অহা নিশ্চয় এটা ভূত হ'ব। যেনেকৈয়ে নহওক কিয়, তোমালোকে এই বান্দৰটোক ধৰিব লাগিব। যুদ্ধ কৰাৰ সময়ত কেতিয়াও অসাৱধান হৈ নাথাকিবা। সিহঁত পাঁচোজন অশোক বনৰ দুৱাৰৰ ওচৰলৈ গ'ল। হনুমানক দেখি তেওঁক চাৰিওফালে ঘেৰি ধৰি তেওঁৰ সৈতে সিহঁতে বিবাদ কৰিবলৈ ধৰিলে। দুৰ্ধৰে হনুমানৰ মূৰলৈ নিক্ষেপ কৰি পাঁচডাল বাণ এৰিলে। হনুমানে জোৰকৈ চিঞৰি আকাশলৈ উৰা মাৰিলে। ওপৰৰপৰা তেওঁ জোৰেৰে, পোনে পোনে যেতিয়া দুৰ্ধৰৰ ওপৰত জঁপিয়াই পৰিল তেতিয়া তাৰ ৰথ, ৰথখন টানি থকা আঠটা ঘোঁৰা আৰু দুৰ্ধৰ নিজে ছিন্ন বিছিন্ন হ'ল।

দুৰ্ধৰ যেতিয়া মৰিল, তেতিয়া বিৰূপাক্ষ, কামাক্ষই খঙেৰে আকাশলৈ উৰা মাৰি গদাৰে হনুমানৰ বক্ষত আঘাত কৰিবলৈ ধৰিলে। হনুমানে এজোপা গছ ওঘালিলে আৰু তাৰে সিহঁতক বেয়া ধৰণে প্ৰহাৰ কৰিলে। তিনিও নিহত হোৱাৰ পাছত, বাকী দুটাই ছুৰী আৰু যাঠি লৈ হনুমানৰ ওপৰত জঁপিয়াই পৰিল

আৰু তেওঁক আঘাত প্ৰাপ্ত কৰিলে। হনুমানে এটা বিশাল পৰ্বত তাত থকা গছ গছনি আৰু জীৱ জন্তু সিহঁতে মাটিৰপৰা তুলি প্ৰঘচ আৰু ভাস্কৰৰ ওপৰত মাৰি পঠিয়ালে। একেটা আঘাততে দুয়ো বীৰ মৰা পৰিল।

এইদৰে পাঁচজন যোদ্ধাক মাৰি হনুমানে সিহঁতৰ সেনাবাহিনীক ছেদেলি ভেদেলি কৰি দিলে। ৰাক্ষসৰ মৃতদেহেৰে বিশাল পৰ্বত সৃষ্টি হোৱাৰ উপক্ৰম হ'ল।

ৰাৱণে যেতিয়া গম পালে যে এই বান্দৰটো ৰামে প্ৰেৰণ কৰা হনুমান তেতিয়া ৰাৱণে ভয় খালে। তেওঁৰ এটা বান্দৰে যেতিয়া লংকা তল ওপৰ কৰিব পাৰে, তেওঁৰ ডাঙৰ ডাঙৰ সেনাপতিক গাজৰ মূলাৰ দৰে কাটি পেলাব পাৰে, মোৰ সমান বলী ৰাক্ষসক যেতিয়া পৰুৱাৰ দৰে চকুৰ পচাৰতে মোহাৰি পেলাব পাৰে তেনেস্থলত ৰামৰ সেনাবাহিনী কিমান শক্তিশালী হ'ব! ৰাৱণে ভাবিলে। ৰাৱণে বৰ ভয় খালে। তেতিয়াই ৰাৱণৰ দৃষ্টি পৰিল তেওঁৰ পুত্ৰ অক্ষৰ ওপৰত। পিতাকক দেখাৰ লগে লগে অক্ষ উঠি থিয় হ'ল, সোণেৰে নিৰ্মিত ধনু হাতত তুলি ল'লে, সোণৰ অলংকৃত ৰথ লৈ, হনুমানৰ লগত যুদ্ধ কৰিবলৈ ওলাল। সেই ৰথত অস্ত্ৰ শস্ত্ৰ আছিল, যুদ্ধৰ বাবে সাজু হৈ থকা ৰথ আছিল। অক্ষৰ লগে লগে ওলাল বিশাল সেনাবাহিনী।

হনুমান তেতিয়া অশোক বনৰ ওচৰতে থিয় হৈ আছিল। হনুমানক দেখিয়েই অক্ষই বুজি পালে এই বান্দৰ পৰাক্ৰমী। হনুমানক অক্ষই গৌৰৱৰ দৃষ্টিৰে চালে। দুয়োৰে মাজত প্ৰচণ্ড যুদ্ধ হ'ল। অক্ষ বালক আছিল, কিন্তু তাৰ পৰাক্ৰম দেখি হনুমানে নিজেই তবধ মানিলে। অক্ষৰ বাণৰপৰা গা বচাই, আকাশত উঠি ফুৰি হনুমানে ভাবিবলৈ ধৰিলে। "এই ল'ৰাটোক কেনেকৈ মৰা যায়? এতিয়াই যি যদি এই পৰাক্ৰম দেখুৱাইছে আগলৈ তাক বলে পৰা যোদ্ধা কমেইহে ওলাব। এতিয়াও ইয়াক মাৰি পেলোৱা উচিত হ'ব।"

অক্ষৰ ৰথ আকাশত তীব্ৰ বেগেৰে যাব পাৰিছিল। যেতিয়া সি আকাশত আছিল, তেতিয়া হনুমানে ৰথৰ ঘোঁৰাক হাতেৰে মাৰি পেলালে আৰু চকা ভাঙি পেলালে। ৰথখন মাটিত পৰিল। কিন্তু অক্ষ বাণৰ লগতে আকাশত উৰিল। তেতিয়া হনুমানে তাৰ ভৰিত ধৰি তীব্ৰ বেগেৰে ঘূৰাই, মাটিত আচাৰি অক্ষক বধ কৰিলে।

হনুমানৰ বিনাশ লীলা দেখি লংকাৰ ৰাক্ষসে ত্ৰাহি মধুসূদন দেখিলে।





নগৰৰ উদাৰতা

মালতী আৰু নন্দনাৰ মাজত গভীৰ বন্ধুত্ব আছিল। নন্দনাৰ পিতাকে চহৰলৈ গৈ ব্যৱসায় আৰম্ভ কৰিলে সেই বাবে তেওঁৰ গোটেই পৰিয়ালটো চহৰলৈ উঠি গ'ল। বান্ধৱী মালতীক এৰি যাবৰ সময়ত নন্দনাই তেওঁক এবাৰ চহৰলৈ মাতি গ'ল আৰু চহৰলৈ গৈ নিজৰ ঠিকনাও দি পঠালে।

অলপ দিন পাৰ হৈ গ'ল। মালতীৰ এবাৰ নন্দনাক চাবলৈ মন গ'ল। এদিন মালতীৰ গাঁৱৰপৰা এজন ব্যৱসায়ী চহৰলৈ গৈছিল, তেওঁ মালতীক নন্দনাৰ ঘৰৰ ওচৰতে নমাই দিলে।

মালতীয়ে সহজেই নন্দনাৰ ঘৰ বিচাৰি উলিয়ালে। কিন্তু নন্দনাৰ ঘৰত তলা লাগি আছিল। তাই ওচৰৰে এঘৰলৈ গৈ ভিতৰলৈ জুমি চালে।

সেই ঘৰৰ স্ত্ৰী গৰাকীয়ে মালতীক সুধিলে, ''মাজনী, তুমি কোন? কি বিচাৰিছা?''

মালতীয়ে তেওঁক নিজৰ অৱস্থাৰ কথা জনাই ক'লে, ''নন্দনা ক'লৈ গ'ল? কেতিয়া ঘূৰি আহিব?''

মানুহ গৰাকীয়ে বুজালে, ''মাজনী, নন্দনাৰ সম্পৰ্কীয় এঘৰত বিয়া আছে। সেয়ে তেওঁৰ গোটেই পৰিয়াল বিয়ালৈ গৈছে। সন্ধিয়ালৈ উভতিব চাগে। তেতিয়ালৈ তুমি আমাৰ ঘৰতে ৰোৱা। তুমি অকলে এই চহৰত ক'ত থাকিব পাৰিবা?''

এই কথা শুনি মালতীৰ মুখলৈ পানী আহিল। মালতীৰ পিতাকে প্ৰায়ে তাইক বুজাইছিল যে খবৰ নিদিয়াকৈ কেতিয়াও কাৰো ঘৰলৈ যাব নালাগে। এতিয়া মালতীয়ে গম পালে যে পিতাকে তাইক কিয় সেই কথা কৈছিল।

চুবুৰীয়া মানুহ গৰাকীৰ এজনী জীয়েক আছিল। নাম আছিল জানকী। জানকী আৰু মালতীৰ মাজত সোনকালে বন্ধুত্ব হৈ উঠিল।

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী

জানকীৰ পিতাকৰ কোনো চাকৰি নাছিল। তেনেকুৱা কোনো আন উপাৰ্জনো নাছিল, তথাপিও এগৰাকী অপৰিচিতাৰ লগত কৰা তেওঁলোকৰ এই ব্যৱহাৰত মালতী মুগ্ধ হৈ পৰিল। সেই দিনা সন্ধিয়া জানকীৰ এগৰাকী বান্ধৱীৰ বিয়াৰ ভোজ আছিল। কিন্তু জানকীৰ ভোজলৈ আহিবলৈ সংকোচ হৈছিল।

জানকীয়ে মাকৰ আগত ক'লে, "মা, মই সেই ভোজলৈ নাযাওঁ। সেইখন বিয়ালৈ সকলোবোৰ ধনী মানুহ আহিব। মোৰ তো পিন্ধিবলৈ ভাল শাৰী এখনো নাই। আৰু গহনা পাতি নিপিন্ধাকৈ সেই বিয়ালৈ গ'লে মানুহে মোক কাম কৰা মানুহ বুলি ক'ব।"

এই কথা শুনি মালতীৰ জানকীলৈ বেয়া লাগিল। তেওঁ নিজৰ বাকচৰ পৰা পাটৰ শাৰী উলিয়াই জানকীক দিলে আৰু গহনা পাতি পিন্ধাই দি ক'লে, "জানকী, তুমি এই বিয়ালৈ নিশ্চয় যোৱা।" তেতিয়া জানকীয়ে কোনো আপত্তি নকৰিলে। মনে মনে শাৰী আৰু গহনা পিন্ধি বিয়ালৈ বুলি ওলাই গ'ল। সন্ধিয়া হৈ গ'ল।

ৰাতি বহুত হ'ল, কিন্তু বিয়ালৈ বুলি যোৱা নন্দনাৰ পৰিয়াল উভতি নাহিল। জানকীও ঘূৰি নাহিল। জানকীক বিচাৰি দেউতাক ওলাই গ'ল। কিন্তু পদূলি মূৰত পৰি থকা এটুকুৰা কাগজ তুলি লৈ তেওঁ পঢ়িলে আৰু হঠাতে চিঞৰি উঠিল।

মালতীয়ে ঘপকৰে জানকীৰ দেউতাকৰ হাতৰপৰা কাগজডোখৰ লৈ পঢ়িবলৈ ধৰিলে। তাত লিখা আছিল, "মা, মই আজিহে গম পালো যে অলঙ্কাৰ এগৰাকী নাৰীৰ বাবে শত্ৰুস্বৰূপ। মই বিয়াৰপৰা আহি আছিলো, তেনেতে তিনি আলিৰ গুৰিত চাৰিটা গুণ্ডাই ছুৰী দেখুৱাই মোৰ সকলোবোৰ গহনা লৈ গ'ল। মই মালতীক নিজৰ চেহেৰা কেনেকৈ দেখুৱাম? দেউতাই খঙতে মোক দুছেও কৰিব। মই সেয়ে ক'ৰবালৈ গুচি যাওঁ। মোক নিবিচাৰিবা।"

সেই চিঠি পঢ়ি মালতীয়ে কান্দিবলৈ ধৰিলে। জানকীয়ে আৰু কিবা ডাঙৰ অঘটনা নঘটাই তো? গহনাতকৈ মানুহৰ প্ৰাণ অধিক মূল্যৱান।

চিঠিখন পঢ়ি জানকীৰ মাকে কান্দিবলৈ ধৰিলে। জানকীৰ দেউতাকে মালতীক বুজাবলৈ ধৰিলে, "মাজনী মই যেনেকৈয়ে নহওক, অলপ দিনৰ ভিতৰতে তোমাৰ গহনাখিনিৰ মূল্য দি দিম।" এইবুলি কৈ তেওঁ নিজৰ চকুপানী মোহাৰিবলৈ ধৰিলে।

"আপুনি মোৰ গহনাৰ চিন্তা কৰিব নালাগে। মোৰ গহনাৰ মূল্য পৰিশোধ কৰাৰ



প্ৰয়োজন নাই। প্ৰথমতে আপুনি জানকীক বিচৰাৰ ব্যৱস্থা কৰক। কালি ৰাতি যদি আপোনালোকে মোক আশ্ৰয় নিদিলেহেঁতেন তেন্তে এই ডকাইতে মোৰপৰাই গহনা কাঢ়ি নিলে হেঁতেন। মালতীয়ে এইদৰে সহানুভূতি দেখুৱালে। ইয়াৰ পিছত জানকীৰ পিতাক নিজৰ কন্যাৰ সন্ধানত আগবাঢ়িল।

অলপ সময়ৰ পিছত সেই গলিত এখন গাড়ী ৰোৱাৰ শব্দ হ'ল। তেতিয়া মালতী আৰু জানকীৰ মাক বৰ আতুৰ হৈ বাহিৰলৈ ওলাই আহিল। নন্দনাৰ গোটেই পৰিয়াল গাড়ীৰপৰা নামিল। চুবুৰীয়া ঘৰত মালতীক দেখি নন্দনা বৰ আচৰিত হ'ল। তাই দৌৰমাৰি মালতীক সাবট মাৰি ধৰিলে। ইয়াৰ পিছত মালতীয়ে নিজৰ কাপোৰ কানি লৈ নন্দনাৰ ঘৰলৈ আহিল।

ঘৰৰ ভিতৰলৈ সোমায়েই নন্দনাই মালতীক ক'লে, "মালতী, তুমি প্ৰথমতে তোমাৰ বাকচ খুলি চাই লোৱা তোমাৰ সকলোবোৰ গহনা পাতি ঠিকে আছেনে নাই। তোমাৰ এই চোৰৰ ঘৰৰ লগত কেনেকৈ সনা পিঠা হ'ল?"

মালতীয়ে বিস্মিত হোৱা নন্দনাক নিজৰ গোটেই কাহিনী শুনালে আৰু বৰ দুখেৰে ক'লে, "নন্দনা, তুমি ভুল কৰিছা। এওঁলোক বেচেৰা বৰ ভাল মানুহ। মোৰ বাবেই জানকী ক'ৰবালৈ গুচি গ'লগৈ।"

নন্দনাই খঙেৰে ক'লে, "তাই ক'লৈকো যোৱা নাই। আৰামত নিজৰ সম্পৰ্কীয় মানুহৰ ঘৰলৈ গৈছে। এইবোৰ সব নাটক। তুমি আচলতে চহৰৰ মানুহৰ ঠগবাজি চিনি নোপোৱা। মিঠা মিঠা কথা কৈ ডিঙিতে ৰেপ দিব। এই পৰিয়ালটোৰ কথা ওচৰৰ সকলোৱে ভালকৈ জানে। আমি অলপো যদি অসাৱধান হও তেন্তে কাপোৰ কানি, বাচন বৰ্তন পৰ্যন্ত লৈ যায়। আমি ইহঁতৰপৰা অতীষ্ঠ হৈ পৰিছো। তুমি এইকথাও ভবা নাইনে যে যেতিয়া গুণ্ডাই জানকীৰ গহনা কাঢ়ি নিলে, তেতিয়া চিঠি লিখিবলৈ কাগজ কলম তাই পালে ক'ত। ঠগ খাবলৈকে তুমি সিহঁতৰ লগত চিনাকি হ'লা নহয়নে?"

এই কথাত মালতীৰ খং উঠিল। তেওঁ নন্দনাক ক'লে, "নন্দনা, মই গাঁৱৰ ছোৱালী হ'ব পাৰোঁ, কিন্তু এই দগবাজৰ খেল মোৰ লগত আৰু নচলিব। কিন্তু তুমি মোক সহায় কৰিব লাগিব।" এইবুলি তেওঁ নন্দনাৰ কাণত ফুচফুচাই কিবা এটা ক'লে।

"বাহ! মালতী তুমি দেখোন বৰ বুদ্ধিমতী ছোৱালী তোমাৰ এইটো কামত তোমাক আমাৰ ঘৰলৈ অহা মোৰ মাহীৰ ল'ৰাই সহায়

কৰিব। সি নাটক-চাটক কৰা ল'ৰা, বৰ ভাল অভিনেতা সি।" নন্দনাই বুজালে।

মাজৰাতি হ'ল। গোটেই ঠাইখন নিজম পৰিল। মালতীয়ে আঁচলেৰে মূৰ ঢাকি ল'লে। জানকীৰ দুৱাৰত টোকৰ দিলে আৰু আন্ধাৰত থিয় দি ৰ'ল। জানকীৰ পিতাকে দুৱাৰ খুলিলে।

মালতীয়ে তেতিয়া মাত সলাই ক'লে, "জানকীয়ে আপোনাক সুধিবলৈ কৈছে যে তাই এতিয়া ঘৰলৈ আহিব পাৰেনে?"

জানকীৰ মাক বাহিৰলৈ ওলাই আহি ক'লে, "তায়ো বৰ আঁকৰী ছোৱালী। মই তাইক আগতেই কৈছো যে মালতী নোযোৱালৈকে তাই ঘৰলৈ আহিব নালাগে। তাইক ক'বা যে কেতিয়া ঘৰলৈ উভতিব লাগে, সেয়া ছেগ বুজি আমিয়েই তাইক ক'ম। কিন্তু তুমিনো কোন আমাক নক'লা যে?"

"মই মালতী।" এইবুলি মালতী পোহৰত আহি থিয় দিলে। জানকীৰ মাক দেউতাকৰ তাকে দেখি মুখৰ মাত হৰিল। তেওঁলোকৰ মুখ শেঁতা পৰিল।

ইয়াৰ পিছত আন্ধাৰত মালতীৰ পিছফালে থিয় হৈ থকা চিপাহীৰ বেশধাৰী নন্দনাৰ মাহীয়েকৰ ল'ৰা আগবাঢ়ি আহি কঠোৰ মাতেৰে ক'লে, "এতিয়া ধৰা পৰিলা নহয়। এতিয়া তিনিও জেল ভাত খাবলৈ সাজু হোৱা।"

চিপাহী দেখি জানকীৰ মাক দেউতাক থক্ থক্ কৈ কঁপিবলৈ ধৰিলে আৰু কন্দনামুৱা হৈ ক'লে, "মালতী আমাক মাফ কৰা। আমি তোমাক ঠগিলো। আজিলৈকে আমি সন্মানেৰে দিন কটালো। আমাক এই অপমানৰপৰা বচোৱা। তোমাৰ গহনা তোমাক এতিয়াই আনি দিছো।

মালতীয়ে ক'লে যে তেওঁৰ গহনাৰ লগতে প্ৰতিবেশীৰ ঘৰৰপৰা চুৰি কৰা সকলো বস্তু সঁপি দিলেহে তেওঁ মাফ কৰিব পাৰিব।

জানকীৰ মাক দেউতাকে কেইমিনিটমানৰ ভিতৰতে জানকীক মাতি পঠিয়ালে, মালতীৰ গহনাৰ লগতে আন ঘৰৰপৰাও চুৰি কৰি অনা সকলো বস্তু সপি দিলেহি, আৰু ৰাতি পুওৱাৰ আগতেই তেওঁলোকে ঘৰ এৰি আন ঠাইলৈ গুচি গ'ল।

তাকে দেখি নন্দনাই ক'লে, "মালতী, তুমি আমাৰ প্ৰতিবেশীসকলক বিপদৰপৰা উদ্ধাৰ কৰিলা। এই আনন্দতে তোমাক এটা ভাল পুৰস্কাৰ দিম। বুজিছানে বাৰু?"

তোমালোৰ প্ৰিয় নায়ক আৰ্য আকৌ আহিব

চান্দমামাৰ পাঠকসকলে ২০০৩-২০০৪ কালছোৱাত পঢ়া নিশ্চয় মনত আছে ৰাজবংশত জন্ম লাভ কৰা আৰ্য তেওঁৰ প্ৰথম দিনটোৰপৰাই এজন অজ্ঞাত ৰাজকুমাৰ আছিল। মুনি জয়ানন্দই তেওঁক তুলি তালি ডাঙৰ দীঘল কৰে আৰু অৰণ্যত থকা তেওঁৰ আশ্ৰমৰ শান্ত বাতাবৰণত তাৰ নিবাসীসকলৰ সৈতে আৰ্য ডাঙৰ হয়। পিছত তেওঁ এই ৰহস্যৰ কথা গম পায় যে তেওঁ সুমেধৰ ৰজা শান্তিদেৱ আৰু ৰাণী শান্তাকুমাৰীৰ পুতেক। ৰজা আৰু ৰাণী তেওঁলোকৰ উচ্চাকাংক্ষী সেনাপতি বীৰ সিংহৰ ষড়যন্ত্ৰৰ চিকাৰ হয় যিজনে বহুবছৰ ধৰি শান্তি আৰু সমৃদ্ধিৰ মাজত বাস কৰা ৰাজ্যৰ প্ৰজাসকলৰ মাজত ত্ৰাসৰ সৃষ্টি কৰে। শেষত দুষ্ট শক্তিক দমন কৰিব পৰা যায় আৰু আৰ্যই নিজৰ উচিত অধিকাৰ ঘূৰাই পায়। তেওঁ প্ৰজাক কয় যে তেওঁ নিজৰ 'আৰ্য' নাম সলনি নকৰে আৰু প্ৰজাৰ প্ৰতিনিধি ৰূপে ৰাজ্য শাসন কৰিব।

আৰ্যৰ গাঁথা ইয়াতেই শেষ নহয়। বিধাতাই তেওঁৰ ভাগ্যত আৰু অধিক কথা লিখি থৈছে। কমিক্‌চৰ ৰূপত "আৰ্যৰ উত্তেজক উত্তৰ কথা" ডিচেম্বৰ সংখ্যাৰপৰা আৰম্ভ হ'ব।

নৱেম্বৰত, বিস্তৃত পৰৱৰ্ত্তী ঘোষণালৈ অপেক্ষা কৰা।

ভাল চোৰ

সুমেৰ ৰাজ্যত একেৰাহে তিনিবছৰ বৰষুণ হোৱা নাছিল যাৰ ফলত তাত দুৰ্ভিক্ষৰ সৃষ্টি হৈছিল। খাদ্যবস্তুৰ নাটনিৰ বাবে চুৰি তাৰি বেছিকৈ হৈছিল। ৰজাই ঘোষণা কৰিলে যে যি চোৰ ধৰি সৈনিকৰ হাতত গতাই দিব পাৰে তেওঁক এহেজাৰ সোণৰ মুদ্রা পুৰস্কাৰ দিয়া হ'ব। ৰজাই বিচাৰিছিল এই কাম কেৱল সৈনিকসকলৰ মাজতহে সীমাবদ্ধ হৈ নাথাকক। জনতায়ো ইয়াত সহযোগিতা আগবঢ়াওক।

এই ঘোষণাৰদ্বাৰা ৰজাই জনসচেতনা গঢ়ি তোলাত সফল হৈছিল। চোৰ ধৰিলে এহেজাৰ সোণৰ মুদ্রা পোৱা যাব এই আশাতে যুৱকসকলে ৰাতি সাৰে থাকি অ'লিয়ে গ'লিয়ে পহৰা দি ফুৰিছিল। ইয়াৰ ফলত চুৰিৰ সংখ্যা কমি যাবলৈ ধৰিলে।

এনে সময়তে হঠাতে নগৰৰ আগশাৰীৰ ব্যৱসায় ৰত্নগুপ্তৰ ঘৰত চুৰি হ'ল। সৈনিকে চোৰক খেদি গ'ল। কিন্তু চোৰটোৱে বৰ কৌশলেৰে গা বচাই নগৰৰ সীমাত উপস্থিত হৈ এটা জুপুৰীৰ দুৱাৰত টকৰিয়ালেগৈ। সেইটো আছিল যশোদা নামৰ এগৰাকী দুখীয়া তিৰোতাৰ জুপুৰী। বাটৰুৱাক তেওঁ খাবলৈ দিছিল আৰু তাৰপৰা পোৱা ধনেৰে তেওঁ জীৱন নিৰ্বাহ কৰিছিল। যশোদাই দুৱাৰ খুলি দিলে।

"আইতা, এটা কাম লৈ মই চহৰলৈ গৈ আছিলো। ৰাতি হৈ গ'ল। এই আন্ধাৰতনো যাওঁ কেনেকৈ? এতিয়া মোৰ খোৱাৰ ব্যৱস্থা কৰা। লগতে ৰাতি ইয়াতে থকাৰ অনুমতি দিয়া। দহটা সোণৰ মুদ্রা দিম।" চোৰটোৱে ক'লে।

যশোদাই মানি ল'লে আৰু তাৰ খোৱাৰ ব্যৱস্থা কৰিলে। চোৰটোৱে দেখিলে সেই ঘৰত বুঢ়ীৰ লগত এজনী যুৱতীও থাকে। সি সুধিলে, "এই ছোৱালীজনী কোন?"

বাণীশ্ৰী

“মোৰ নাতিনী। যাত্ৰাত যোৱা মোৰ জী আৰু জোঁৱাই নাও ডুবি যোৱাত দুয়োৰে মৃত্যু হ’ল কিন্তু দুয়ো নাতিনী বাচি গ’ল। ডাঙৰ নাতিনীজনক বিয়া দিছো আৰু এতিয়া এইক বিয়া দিয়াৰ দায়িত্ব মোৰ। এইকো বিয়া দিব পাৰিলে মই সকলো চিন্তাৰপৰা মক্তি হম। দুৰ্ভিক্ষৰ বাবে ভ্ৰমণকাৰীৰ সংখ্যাও কমি আহিছে। দিনবোৰ পাৰ কৰাই টান হৈ পৰিছে। ভাবিয়েই পোৱা নাই এইকনো বিয়া দিওঁ কেনেকৈ? দেখিছাই নহয়, মই কিমান বুঢ়ী হৈ আহিছো। মোৰ কেৱল এটাই ইচ্ছা। মই মৰাৰ আগতে এইৰ বিয়াখন হৈ যাওক। এতিয়া ভগৱানেহে মোক এই চিন্তাৰপৰা মুক্ত কৰিব পাৰিব।” যশোদাই উদ্বিগ্নতাৰে কথাখিনি ক’লে।

“তোমাৰ নাতিনীক বিয়া দিবলৈ তোমাক কিমান ধন লাগে?” চোৰে সুধিলে।

“মোৰ চিন্তা তুমি দূৰ কৰিবা কেনেকৈ? এই কথা জানিনো তুমিনো কৰিবা কি?” বুঢ়ীয়ে কটু স্বৰেৰে সুধিলে।

“মই তোমাৰ চিন্তা নিশ্চয় দূৰ কৰিম,” এইবুলি কৈ চোৰটোৱে গহনাৰ টোপালাটো খুলিলে। গহনাখিনি দেখি বুঢ়ীৰ চকু কপালত উঠিল। তেওঁ সুধিলে, “তুমি কোন? সঁচা কথা কোৱা। তোমাকতো বেপাৰী যেন লগা নাই, তুমি বাৰু গহনা চুৰি কৰিছা নেকি?”

“আঁ, মোৰ নাম শম্ভু। এজন বেপাৰীৰ ঘৰৰপৰা এই গহনাবোৰ চুৰি কৰিলো। তোমাক যিমান গহনা লাগে লৈ লোৱা আৰু তোমাৰ নাতিনীক বিয়া দিয়া। তাৰপাছত তুমি চিন্তামুক্ত হ’ব পাৰিবা।” চোৰে ক’লে।

“ছিহ! মই দৰিদ্ৰ হ’ব পাৰো, কিন্তু অসৎ নহয়। চুৰিৰ গহনাৰে মই নাতিনীৰ বিয়া নিদিওঁ। তাইৰ বিয়া নহ’লেও নহওক ডাঙৰ কথা একো নহয়। ভগৱানৰ যি ইচ্ছা তাকেই হ’ব,” খঙেৰে যশোদাই কথাখিনি ক’লে।

“ঠিক আছে, তুমি যদি ইমানেই সৎ তেন্তে তুমি মোক ৰজাৰ হাতত গতাই দিয়া, কাৰণ মই চোৰ, মই গহনা চুৰি কৰিছো। ৰজাই তোমাক এহেজাৰ সোণৰ মুদ্ৰা দিব। সেইখিনি ধনেৰে তুমি নাতিনীৰ বিয়া পাতিব পাৰিবা। নাজানো, কিয় তোমাক সহায় কৰিবলৈ মোৰ ইচ্ছা হৈছে,” চোৰটোৱে ক’লে।

যশোদা অলপ সময় মৌন হৈ থাকিল। তেওঁ চিন্তাত পৰিল। চোৰ শম্ভুক ৰজাৰ হাতত গতাই দিবলৈ তেওঁ ঠিক কৰিলে।

পিছদিনা তেওঁ চোৰক ৰজাৰ ওচৰলৈ লৈ গ’ল আৰু গহনাৰ টোপোলা ৰজাৰ হাতত গতাই দিলে।

ৰজাৰ আজ্ঞা অনুসাৰে সৈনিকে শম্ভূক হাতত হাতকেৰেয়া লগাই দিলে। ৰজাই তৎক্ষণাৎ এহেজাৰ সোণৰ মুদ্ৰা অনোৱালে আৰু বুঢ়ীক দিবলৈ সাজু হ'ল।

তেতিয়া বুঢ়ীয়ে ক'লে, "মহাৰাজ, মোক এইখিনি সোণৰ মুদ্ৰা নালাগে। মোক ইয়াৰ বিনিময়ত আৰু এটা উপহাৰ লাগে।"

"কোৱা, তোমাক কি লাগে?" ৰজাই সুধিলে।

"মহাৰাজ, যি চোৰ শম্ভূক আপুনি বন্দী কৰিলে তেওঁক ক্ষমা কৰি এৰি দিয়ক। মই সেইটো উপহাৰেই বিচাৰিছো।" বুঢ়ীয়ে ক'লে।

"চোৰটোক ক্ষমা কৰো আৰু তাক এৰি দিওঁ? তাক এৰি দিলে তোমাৰ কি লাভ হ'ব?" ৰজাই বুঢ়ীক সুধিলে।

"শম্ভূ চোৰ হয় ঠিকেই, কিন্তু তেওঁ এজন ভাল মানুহ। মই নিজেই তেওঁক আপোনাৰ আগত ধৰাই দিয়া নাই, তেওঁ নিজেই আহিছে," এইবুলি কৈ বুঢ়ীয়ে আগনিশা তেওঁৰ ঘৰত ঘটা সকলো ঘটনাৰ কথা বিৱৰি ক'লে।

শম্ভুৰ ফালে চাই ৰজাই ক'লে, "এই বৃদ্ধাৰ ইচ্ছা অনুসৰি মই তোমাক এৰি দিছো। কিন্তু তুমি যে আকৌ চুৰ নকৰিবা সেই কথা মই বিশ্বাস কৰো কেনেকৈ?"

"মোৰ সমুখত কোনো পথ নাছিল, সেয়েহে মই বেপাৰীৰ ঘৰত চুৰি কৰিলো। এজন মানুহ হৈ বিপদগ্ৰস্ত এই বৃদ্ধাক সহায় কৰাটো মই মোৰ মানৱীয় দায়িত্ব বুলি ধৰিলো। সেয়েহে মই এই সিদ্ধান্ত ল'লো। জীৱন নিৰ্বাহৰ আন কিবা পথ পালে মই চুৰি কৰিম কিয়?" শম্ভুয়ে ক'লে।

"এওঁ সন্মতি দিলে মই মোৰ নাতিনীক এওঁলৈ বিয়া দিব খোজো। মোৰ লগত থাকি সততাৰে জীৱন নিৰ্বাহ কৰিব পাৰিব।" বৃদ্ধাই বিশ্বাস ভৰা কণ্ঠেৰে ক'লে।

ৰজাই শম্ভুক ক'লে, "মই গম পালো যে তোমাৰ দয়াগুণ আছে, সেয়েহে মই তোমাক এৰি দিলো। ভাল মানুহ হৈ সৎব্যৱহাৰ কৰিলে মই তোমাক এজন সৈনিকৰ চাকৰি দিম। আৰু ইমান এজন ভাল চোৰ ধৰি লৈ অনাৰ বাবেও বৃদ্ধাই এহেজাৰ সোণৰ মুদ্ৰা পোৱা উচিত," এইবুলি কৈ ৰজাই বৃদ্ধাক এহেজাৰ সোণৰ মুদ্ৰাৰ এটা মোনা দিলে।

চান্দমামা কুইজ - ৯

(১৬ বছৰৰ তলৰ শিশুৰ বাবে)

Co-sponsored by
Infosys FOUNDATION, Bangalore

আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টিয়ে আনি দিব নগদ *২৫০ টকাৰ পুৰস্কাৰ।

এই মাহৰ বিষয়বস্তু হ'ল ভাৰতৰ সংবিধান।

*আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টি এটাতকৈ বেছি হ'লে সফল অংশগ্ৰহণকাৰীসকলৰ প্ৰত্যেকেই পাব ৫০ টকাকৈ।

তুমি কি কৰা উচিত: ১.এখন কাগজত উত্তৰবোৰ লিখা; ২.তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে সম্পূৰ্ণ ঠিকনা উল্লেখ কৰা; ৩.লেফাফাৰ ওপৰত লিখা **চান্দমামা কুইজ-৯;** ৪.৩১ অক্টোবৰ ২০০৮ৰ আগতে আমাৰ হাতত পৰাকৈ তোমাৰ প্ৰৱিষ্টি ডাকত দিয়া। উত্তৰবোৰ দিয়া হ'ব ডিচেম্বৰ ২০০৮ সংখ্যাত।

১. আমাৰ সংবিধানে আন দেশৰ সংবিধানৰপৰা বহুতো ধাৰণা ধাৰ কৰিছে। আমাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পদ্ধতি কোনখন দেশৰ সংবিধানৰপৰা লোৱা হৈছে।
২. ক'ৰপৰা সংসদীয় প্ৰণালীৰ চৰকাৰ ব্যৱস্থাৰ ধাৰণাটো লোৱা হৈছে?
৩. ভাৰতীয় সংবিধানৰ প্ৰকৃতি কি?
৪. ভাৰতৰ ৰাষ্ট্ৰপতি হ'বলৈ এজন ব্যক্তিৰ ন্যূনতম বয়স কিমান হ'ব লাগিব?
৫. ভাৰতীয় সংবিধান আৰু ব্ৰিটিছ সংবিধানৰ মূল পাৰ্থক্যটো কি?
৬. আন এখন দেশৰ নাগৰিক ভাৰতৰ ৰাষ্ট্ৰপতি হ'ব পাৰেনে?
৭. ৰাজ্যসভাত এখন অৰ্থ বিধেয়ক উত্থাপন কৰিব পৰা যায়নে?
৮. জন গণ মনক কেতিয়া ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত হিচাপে স্বীকৃতি দিয়া হয়?

বাতৰিৰ শিৰোনামাত শিশু

ৰাষ্ট্ৰীয় চেম্পিয়ন

যোৱা জুন মাহত চেন্নাইত অনুষ্ঠিত হোৱা মাৰচ ইন্টাৰনেছনেল স্পেলিংবি প্ৰতিযোগিতাত আঠ বছৰীয়া পালানিআপ্পান জুনিয়াৰ শাখাত (ক্লাচ থ্রি আৰু ফ'ৰ) একেবাৰে দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ লাভ কৰিছে। তেওঁ উৰিষ্যাৰ ভুৱনেশ্বৰৰ কেন্দ্ৰীয় বিদ্যালয়ৰ ক্লাচ ফ'ৰৰ ছাত্ৰ। যোৱা বছৰ, ক্লাচ থ্ৰিৰ ছাত্ৰ হৈ থাকোতে তেওঁ গোৰাত হোৱা এই প্ৰতিযোগিতাত ভাগ লৈ প্ৰথম শাখাত চেম্পিয়নশ্বিপ লাভ কৰিছিল। স্কুল, জিলা, ৰাজ্য আৰু ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় শাখাত প্ৰথম হোৱাৰ পিছত নিৰ্মল এতিয়া মুম্বাইত হ'ব লগা আন্তৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে সাজু হৈছে। এই প্ৰতিযোগিতাত কমেও ৪০০ ইংৰাজী শব্দ আৰু সিবিলাকৰ অৰ্থ ভালকৈ জানিব লাগিব। মুম্বাইৰ ওচৰৰ পোৱাইত পঢ়ি থাকোতে তেওঁ চিআই পি একাডেমীত গণিতৰ শিক্ষা লৈছিল। ২০০৭ চনত মুম্বাইত হোৱা চিআইপি প্ৰডিজিত তেওঁ পাঁচ মিনিটত প্ৰায় ১০০টা অংক কৰি দ্বিতীয় ৰাণাৰ আপ হয়।

ডবা খেলৰ অসাধাৰণ প্ৰতিভা

ভাৰতত বহুতো ডবাপটু লোক আছে। কিন্তু ৭ বছৰ বয়সতে তিনিখন বিশ্ব পৰ্য্যায়ৰ খেলত বিজয়ী হোৱাটো নিশ্চয় এটা তুলনাবিহীন ঘটনা। মুথিয়ালা বানচি প্ৰতিমা নামৰ এই শিশু দেশৰ ডবা খেলৰ শেহতীয়া বিচক্ষণ শিশু । অন্ধ্ৰ প্ৰদেশৰ এই ছোৱালীজনীয়ে মাত্ৰ দুবছৰ আগতেহে ডবা খেলিবলৈ আৰম্ভ কৰিছে। যোৱা বছৰ অন্ধ্ৰপ্ৰদেশৰ ৬ বছৰৰ তলৰ শাখাত আৰু ৯ বছৰৰ তলৰ শাখাতো প্ৰথম স্থান অধিকাৰ কৰিছে। তাৰ পিছত তেওঁ তুৰস্কৰ অন্তল্যাত হোৱা বিশ্ব যুৱ চেচছ চেম্পিয়নশ্বিপত ভাগ ল'বলৈ যায়। তাত তেওঁ ২০০৭ চনৰ বিশ্বৰ সবাতোকৈ শ্ৰেষ্ঠ প্ৰতিভা বুলি পৰিগণিত হয়। এই বছৰৰ আগভাগতে শ্ৰীলংকাৰ কেন্দ্ৰীত হোৱা এচিয়ান স্কুলচ অব চেচছ চেম্পিয়নশ্বিপত গোটেই আঠোটা ৰাউণ্ডত জয়লাভ কৰে। জুলাইত চিংগাপুৰত হোৱা ৭ বছৰৰ তলৰ ৱৰ্ল্ড স্কুল চেচছ চেম্পিয়নশ্বিপৰ গোটেই নটা ৰাউণ্ডত জয়লাভ কৰে। তেওঁ তাত এটা সোণৰ পদকো লাভ কৰে।

ফটেহপুৰ চিক্ৰী



পিতাক হুমায়ুন আৰু ককাক মোগল আক্ৰমণকাৰী বাবৰৰ দৰে আকবৰেও (১৫৫৬-১৬০৫) আগ্ৰাৰ পৰা শাসন চলাইছিল আৰু আগ্ৰাত এটা দুৰ্গ নিৰ্মাণ কৰোৱাইছিল। এই নিঃসন্তান সম্ৰাটজনে আগ্ৰাৰপৰা ৪০ কি.মি. দূৰৰ গাঁও চিক্ৰীলৈ গৈছিল। চেলিম ক্ৰিষ্টী নামৰ এজন চুফী সন্ন্যাসীয়ে তেওঁক আশীৰ্বাদ দি কৈছিল যে তেওঁৰ এজন পুত্ৰ সন্তান জন্ম হ'ব। সোনকালেই আকবৰৰ ৰাজপুত্ৰ পত্নী যোধা বাঈয়ে এটি পুত্ৰ সন্তান জন্ম দিলে। চুফী সন্ন্যাসী জনৰ নাম অনুসৰি সন্তানটিৰ নাম ৰখা হ'ল চেলিম (পিছলৈ তেওঁ জাহাঙ্গীৰ নামে পৰিচিত হয়)। চেলিম ক্ৰিষ্টীৰ মৃত্যুৰ পিছত আকবৰে তেওঁৰ নামত চিক্ৰীত এটা সমাধি সজায়। ৰঙা শিলেৰে তাক নিৰ্মাণ কৰা হয়।

নিজৰ সাম্ৰাজ্য বিস্তাৰ কৰোতে আকবৰে বিশাল দাক্ষিণাত্য জয় কৰে। এয়া তেওঁৰ বাবে এক উল্লেখযোগ্য বিজয় আছিল। তেওঁ তেতিয়া এই বিজয় চিৰস্মৰণীয় কৰিবৰ বাবে এখন নগৰ সজাৰ পৰিকল্পনা কৰে আৰু চিক্ৰীতেই এটা দুৰ্গ সজাৰ সিদ্ধান্ত কৰে। ১৫৭১ চনত নিৰ্মাণ কাৰ্য আৰম্ভ হয়। যেতিয়া ইয়াৰ কাম সম্পূৰ্ণ হয়, তেওঁ ইয়াৰ নাম দিয়ে ফটেহপুৰ চিক্ৰী অৰ্থাৎ 'বিজয় নগৰী' বেছিভাগ ৰঙা শিলেৰে নিৰ্মাণ কৰা এই দুৰ্গ চেলিম ক্ৰিষ্টীৰ সমাধিৰ ওচৰতে সজা হয়। এই সমাধি ঘৰো বগা মাৰ্বল পাথৰেৰে পুনৰ নিৰ্মাণ কৰা হয়। এই দুৰ্গত আছে "দিৱান ই আম" অৰ্থাৎ জনতাৰ দৰবাৰ, "দিৱান ই-খাচ" অৰ্থাৎ সম্ৰাটৰ ব্যক্তিগত কক্ষ, 'পঞ্চ মহল' এটা পাঁচ মহলীয়া প্ৰাসাদ, জামা মচজিদ, একেলগে ১০,০০০ মানুহ বহিব পৰা' ভাৰতৰ বিশাল মচজিদবোৰৰ এটা আৰু বুলন্দ দৰৱাজা, এই দ্বাৰ মচজিদটোৰ দ্বাৰ আৰু ইয়াক ভাৰতৰ সৰ্বোচ্চ প্ৰৱেশদ্বাৰ বুলি গণ্য কৰা হয়। ইয়াত যোধা বাঈ আৰু বীৰবলৰ বাবেও প্ৰাসাদ আছে। তাৰোপৰি আছে চ্চাৰ চমন টেংক যি চাৰিখন দলঙেৰে মূল প্ৰাসাদৰ লগত সংলগ্ন। মাজভাগত থকা মঞ্চতে বিখ্যাত সংগীতজ্ঞ তানসেনে সম্ৰাটক তেওঁৰ সুমধুৰ সংগীতেৰে আনন্দ দিছিল।

ফতেহপুৰ চিক্ৰী আকবৰৰ উল্লেখযোগ্য স্থাপত্য কীৰ্তি। এই দুৰ্গ বিভিন্ন স্থাপত্য শৈলীৰ এক সংমিশ্ৰণ। ইয়াত মুছলিম, হিন্দু, জৈন আৰু বৌদ্ধ প্ৰভাৱ দেখিবলৈ পোৱা যায়। এই অনন্য স্থাপত্য নিদৰ্শনৰ বাবেই ইউনেস্কোই ১৯৪৩ চনত ফতেহপুৰ চিক্ৰীক বিশ্বৰ ঐতিহ্য মণ্ডিতস্থল সমূহৰ ভিতৰত অন্তৰ্ভুক্ত কৰিবলৈ বাধ্য হয়।

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন
নামকৰণ কৰিব পাৰিবানে?

TATA NARAYANAMURTHY

K.S. SIVARKKAMANI

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা তলৰ ঠিকনাত:
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, জে ভি এল প্লাজা, ষষ্ঠ মহলা,
৬২৬ (পুৰণি ৫০১), আন্না চালাই, টিনামপেট, চেন্নাই - ৬০০ ০১৮.
এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব ।
পুৰস্কাৰ পাওঁতা জনৰ নাম ডিচেম্বৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

আগষ্ট সংখ্যাৰ পুৰস্কাৰ বিজেতা

ৰোহন বৰুৱা
মাৰফৎ: ডা.ৰাজীৱ বৰুৱা
পূব বঙালপুখুৰী
যোৰহাট-৭৮৫০০১
অসম

বিজয়ী প্ৰৱিষ্টি

অম্লান বদন।
দেৱশিশুৰ লক্ষণ।।

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ

১.ৰাৱণ, কুম্ভকৰ্ণ আৰু মেঘনাদ; ২.কুম্ভ মেলা; হৰিদ্বাৰ, উজ্জয়নী, প্ৰয়াগ আৰু নাচিক; ৩.প্ৰহ্লাদ আৰু প্ৰহ্লাদৰ পেহীয়েক হলিকা; ৪.১৬৯৯ চনৰ এই দিনটোতেই গুৰু গোবিন্দ সিঙে খালচা প্ৰতিষ্ঠা কৰিছিল; ৫.গণেশ চতুৰ্থী আৰু দুৰ্গা (দুৰ্গা পূজা) ।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : B. Viswanatha Reddi (Viswam)

ৰাজহুৱা পৰিবহণ ব্যৱহাৰৰ সুফল

শংকৰে দেউতাকৰ লগত বহি নিউজ চাই আছিল। "ইন্ধনৰ মূল্য আকৌ বাঢ়িছে। মই ভাবো, অফিচলৈ গাড়ীৰে নগৈ মই খোজকাঢ়িয়েই যাবলৈ ল'ব লাগিব!" দেউতাকে ভোৰভোৰালে।

শংকৰে মিচিকিয়া হাঁহি মাৰি ক'লে, "কোনো আচৰিত কথা নহয়! আমি অৰ্থনীতিৰ শ্ৰেণীত পঢ়িছো যে যেতিয়া চাদিহা বাঢ়ে আৰু যোগান একেই থাকে, মূল্য বাঢ়ি যায়।"

"আৰু কি শিকিছা তুমি, মোৰ মৰমৰ অমাত্য সেন?" দেউতাকে হাঁহিলে।

"বাৰু দেউতা, আমাৰ ঘৰৰপৰা আপোনাৰ অফিচ থকা ঠাইলৈ এখন পোনপটীয়া বাচ আছে, তথাপি আপুনি কামলৈ যায় গাড়ীৰে। আপুনি ভাবকচোন, কাইলৈ যদি আপুনি বাচেৰে যাবলৈ সিদ্ধান্ত লয়, আপুনি কিমান ইন্ধন আৰু ধন ৰাহি কৰিব পাৰিব?"

"কিন্তু শংকৰ, ৰাস্তাত হোৱা যানজঁটৰ বাবে বাচখনে অফিচ পোৱালৈ বহুত সময় লয়।"

"ব্যক্তিগত যানৰ সংখ্যা বাঢ়ি যোৱাৰ বাবেইতো যানজঁট হয়। আপুনি জানেনে, দিল্লীৰ ট্ৰেফিক ছিগনেলত প্ৰতি বছৰে ৯৯৪ কোটি টকা মূল্যৰ ইন্ধনৰ অপব্যয় হয়। PCRA আৰু CCRI, দিল্লীয়ে চলোৱা এটা অধ্যয়নত এই কথা গম পোৱা গৈছে! এতিয়া আন ভাৰতীয় চহৰসমূহত কি অৱস্থা হ'ব আপুনিয়েই চিন্তা কৰক!" শংকৰে উত্তৰ দিলে।

"তোমাৰ ককাদেউতা ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ উগ্ৰ সমৰ্থক আছিল," দেউতাকে ক'লে, "মই সৰু হৈ থাকোতে বাচেৰে অহা যোৱা কৰিছিলো। তেতিয়া নিজৰ এখন গাড়ী লোৱাৰ সপোন দেখিছিলো!"

"দেউতা, গাড়ী দেখিবলৈ ভাল ঠিকেই কিন্তু আপুনি যদি অপ্ৰয়োজনীয় ভাৱে ইন্ধন খৰচ কৰে তেন্তে গাড়ী বৰ আপোনপেটীয়া হৈ পৰে। আপুনি যদি বাচেৰে যায়, আপুনি সাধাৰণতে যোৱা সময়তকৈ অলপ সোনকালে ঘৰৰপৰা ওলালেই হ'ল, নহয় জানো?" শংকৰে সুধিলে।

"তুমি ঠিকেই কৈছা। কাইলৈৰপৰা মই ৰাজহুৱা পৰিবহণ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিম আৰু এই কাম কৰিবলৈ মোৰ সহকৰ্মীসকলকো উৎসাহিত কৰিম!" দেউতাকে ক'লে।

তুমি তোমাৰ বন্ধুবৰ্গ আৰু পৰিয়ালৰ লগত কথা পাতি ইন্ধন সংৰক্ষণৰ বাৰ্তা বিয়পাব পাৰা। ৰাজহুৱা পৰিবহণ নথকা দূৰণিবটীয়া এলেকালৈ একেখন গাড়ীত বহুতো মানুহক লৈ যোৱাৰ ব্যৱস্থা কৰিব পৰা যায়।

Dear Children,
Write your suggestions for using the public transport system in the best possible way at the PCRA address given alongside.
The best suggestions will win attractive prizes!

Name..

Age.......................... Class..................

Address...

e-mail...

MINISTRY OF PETROLEUM AND NATURAL GAS

PCRA PETROLEUM CONSERVATION RESEARCH ASSOCIATION

Additional Director (EC),
Sanrakshan Bhawan, 10, Bhikaiji Cama Place,
New Delhi 110066.
E-mail : pcra@pcra.org

CHANDAMAMA (Assamese) October 2008 Registrar of Newspapers of India No. 30278/76. Regd No. TN/CC(S)Dn/157/06-08
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08